

গুৱাহাটী আৰু ডিব্ৰুগড়ৰ পৰা প্ৰকাশিত

জাতি, মাটি আৰু দেশৰ সেৱাত

# দৈনন্দিন বাৰ্তা

দ্বাদশ বছৰ ■ সংখ্যা ৩০৬ ■ গুৱাহাটী ■ বুধবাৰ, ১৫ জুন, ২০২২, ৩১ জেঠ, ১৯৪৪ শক RNP/GH/248/2114-2017 গুৱাহাটী সংস্কৰণ ■ e-paper : www.dainandinbartagroup.in ■ মূল্য ঃ ১০.০০ টকা ■ মুঠ পৃষ্ঠা =১২

VOL. XII ISSUE NO. 306 Dainandin Barta ■ Guwahati, Wednesday ■ 15 June, 2022 ■ RNI REGD. NO. ASSASS/2010/39449 Total Pages =12 ■ Rs. 10.00 Only



## চীন, পাকিস্তানৰ ভাবুকিৰ মাজতে ভাৰতীয় সেনাবাহিনীৰ নতুন সশস্ত্ৰ বাহিনী

# অগ্নিপথ

**দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৪ জুন ঃ** চীন, পাকিস্তান আদি দেশৰ পৰা আহি থকা অহৰহ ভাবুকিৰ মাজতে ভাৰত চৰকাৰে দেশত এক উন্নত যুদ্ধ সামৰ্থ্যৰে সজ্জিত বাহিনী গঠনৰ সিদ্ধান্ত লৈছে। নতুন বাহিনীটোৰ নাম দিয়া হৈছে মিছন 'অগ্নিপথ'। বিশ্বৰ ভিতৰতে ভাৰতীয় স্থলসেনাৰ এক বিশেষ সুনাম আছে। বীৰত্বৰ বাবে জনাজাত ভাৰতীয় সেনাত নতুন বাহিনীটোৰ সংযোজনে আৰু শক্তি বৃদ্ধি কৰিব পাৰিব বুলি ধাৰণা কৰা হৈছে। শেহতীয়াকৈ ভাৰতীয় সেনাবাহিনীৰ নতুন সশস্ত্ৰ বাহিনী গঠনৰ পৰিকল্পনা কৰিছে ■ ৮ পৃষ্ঠাত

### কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ স্বয়ংক্ৰিয় কেমেৰাত বন্দী ভয়ংকৰ দৃশ্য

## চাইকেল আৰোহীক নাহৰফুটুকীৰ আক্ৰমণ

**দৈনন্দিন বাৰ্তাৰ প্ৰতিবেদক, কাজিৰঙা, ১৪ জুন ঃ** কাজিৰঙাত নাহৰফুটুকীৰ আক্ৰমণৰ পৰা কথমপি ৰক্ষা পৰিল এজন চাইকেল আৰোহী। কাজিৰঙাৰ হালধিবাৰীত সংঘটিত এই ঘটনা বন্দী হ'ল বন বিভাগৰ স্বয়ংক্ৰিয় কেমেৰাত। কেমেৰাত বন্দী হোৱা শিহৰণকাৰী দৃশ্যই দেখুৱাইছে ■ ৮ পৃষ্ঠাত

## পাটাছাৰকুছিত শিক্ষানুষ্ঠানৰ বাহন দুৰ্ঘটনাগ্ৰস্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাটাছাৰকুছি, ১৪ জুন ঃ** বজালী জিলাৰ পাটাছাৰকুছিত আজি প্ৰায় ন মান বজাত এক পথ দুঘটনা সংঘটিত হয়। পাঠশালাৰ আগশাৰীৰ শিক্ষানুষ্ঠান পাঠশালা ■ ৮ পৃষ্ঠাত

## মৰাণত ছাত্ৰ-ছাত্ৰী কঢ়িয়াই অনা স্কুল বাছ নিয়ন্ত্ৰণ হেৰুৱাই সোমাল খাৱৈত

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৪ জুন ঃ** আজি পুৱা মৰাণত ছাত্ৰ-ছাত্ৰী কঢ়িয়াই অনা এখন স্কুল বাছ নিয়ন্ত্ৰণ হেৰুৱাই সোমাল পথৰ কাষৰ খাৱৈত। কথমপি প্ৰাণ ৰক্ষা প্ৰায় ৪০গৰাকী স্কুল-কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ। এ এছ-০৬ এ চি-৪৭১৭ নম্বৰৰ বাছখনে দিৰৈ চাহ বাগিচাৰ পৰা মৰাণলৈ আহি থকা অৱস্থাত মৰাণৰ অভয়পুৰত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ পৰা গৈ খাৱৈত সোমাই পৰে। স্থানীয় লোকৰ সহযোগত বাছখনৰ পৰা প্ৰায় ■ ৮ পৃষ্ঠাত





■ **মাংকীপ'ক্সত আক্ৰান্তৰ সংখ্যা ১৬০০লৈ বৃদ্ধি ঃ** 'অস্বাভাৱিক' প্ৰাদুৰ্ভাৱ আন্তঃৰাষ্ট্ৰীয় স্বাস্থ্য জৰুৰীকালীন অৱস্থা নেকি সেইটো মূল্যায়ন কৰিবলৈ হুৰ জৰুৰীকালীন সভা আহ্বান। বিশ্ব স্বাস্থ্য সংস্থাটোৱে সকীয়াই দিছে যে শেহতীয়াকৈ বিশ্বজুৰি মাংকীপ'ক্স ভাইৰাছৰ প্ৰাদুৰ্ভাৱ স্পষ্টভাৱে 'অস্বাভাৱিক' আৰু 'চিন্তনীয়'।

■ **বৃহৎ ভাবুকি ঃ** বৰ্তমানৰ প্ৰদূষণৰ মাত্ৰা অব্যাহত থাকিলে ৭.৬ বছৰত হেৰুৱাব ৫০ কোটিৰো অধিক ভাৰতীয়ৰ জীৱন। চিকাগো বিশ্ববিদ্যালয়ৰ এনাৰ্জি পলিচী ইনষ্টিটিউটৰ (ইপিআইচি) বায়ু গুণগত জীৱন সূচকাংকত প্ৰকাশ পাইছে যে প্ৰদূষণে দিল্লী-এনচিআৰত আয়ুস প্ৰায় ১০ বছৰ কম কৰি আছে।

■ **প্ৰদূষণ ঃ** ২০১৩ চনৰ পৰা বিশ্বত বায়ু প্ৰদূষণ বৃদ্ধিৰ প্ৰায় ৪৪ শতাংশই ভাৰতৰ। বিশ্বৰ ৯৭ শতাংশতকৈ অধিক জনসংখ্যা এনে অঞ্চলত বাস কৰে, য'ত বায়ু প্ৰদূষণে প্ৰভাৱ পেলোৱা মাত্ৰা অতিক্ৰম কৰে বুলি চিকাগো বিশ্ববিদ্যালয়ৰ শক্তি নীতি প্ৰতিষ্ঠানে শেহতীয়াকৈ প্ৰকাশ কৰিছে।

## ছাত্ৰ নেতাক আক্ৰমণ বিশাল মেগামাৰ্টৰ নিৰাপত্তাৰক্ষীৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, যোৰহাট, ১৪ জুন ঃ** যোৰহাট নগৰৰ মাজমজিয়াত অৱস্থিত বিশাল মেগামাৰ্ট নামৰ ব্যৱসায়িক প্ৰতিষ্ঠানখনত বৃহস্পতিবাৰে নিশাৰ ভাগত যোৰহাটৰ প্ৰাক্তন ছাত্ৰ নেতা গোপাল দত্তক ■ ৮ পৃষ্ঠাত

# বানত বিধ্বস্ত গুৱাহাটী

## ৫গৰাকী লোকৰ মৃত্যু আজি শিক্ষানুষ্ঠান বন্ধ ৰখাৰ পৰামৰ্শ প্ৰশাসনৰ



### মুখ্যমন্ত্ৰীৰ সমষ্টিৰ উত্তৰ গুৱাহাটী, চাংসাৰিকে ধৰি নানা এলেকা ডুব গ'ল কৃত্ৰিম বানত

## বংশৰত চোতালতে কাছ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ জুন ঃ** যোৱানিশাৰে পৰা হৈ থকা ধাৰাসাৰ বৰষুণৰ ফলত একপ্ৰকাৰ মহাসাগৰত পৰিণত হৈছে গুৱাহাটী মহানগৰী। আজি মহানগৰীখনৰ প্ৰায় ৮০ শতাংশ এলেকা কৃত্ৰিম বানৰ কৱলত পৰিছে। বান আৰু পাহাৰৰ পৰা মাটি খহি পৰাৰ ফলত মুঠ ৫গৰাকী লোকে প্ৰাণ হেৰুৱাইছে। মুষলধাৰ বৰষুণৰ ফলত গুৱাহাটী মহানগৰীত ■ ৮ পৃষ্ঠাত



## ডিব্ৰুগড়ৰ পৰা ছাত্ৰী নিৰুদ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৪ জুন ঃ** মেট্ৰিক পৰীক্ষাৰ ফলাফল ঘোষণাৰ পাছৰে পৰা নিৰুদ্দেশ হৈ আছে ডিব্ৰুগড়ৰ এগৰাকী ছাত্ৰী। ডিব্ৰুগড়ৰ গ্ৰেহেম বজাৰ ■ ৮ পৃষ্ঠাত

## ৰাজ্যত নতুন আঁচনি 'আৰোহণ'

### শিক্ষাৰ্থীৰ পৰামৰ্শদাতাৰ দায়িত্ব ল'ব উপায়ুক্ত-শিক্ষাবিদ-প্ৰাক্তন ছাত্ৰই ঃ মুখ্যমন্ত্ৰী শৰ্মা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৪ জুন ঃ** ৰাজ্যৰ প্ৰতিখন বিদ্যালয়ৰ এগৰাকীকৈ শিক্ষাৰ্থীক নিৰ্বাচিত কৰি বিশেষভাৱে চোৱাচিতাৰ দায়িত্ব ল'ব লাগিব উপায়ুক্তৰ পৰা আৰম্ভ কৰি অৱসৰপ্ৰাপ্ত অধ্যাপক অথবা শিক্ষকে। 'আৰোহণ' নামৰ এই নতুন আঁচনিৰ জৰিয়তে নৱম শ্ৰেণীৰ আটাইতকৈ মেধা ছাত্ৰ অথবা ছাত্ৰীক নিৰ্বাচিত কৰি একো একোজন মেন্টৰ নিযুক্তি দিয়া হ'ব। এই ■ ৮ পৃষ্ঠাত



## তিনি মাহে প্ৰধান শিক্ষক বিহীনভাৱে চলিছে এখন বিদ্যালয়

### মধ্যাহ্ন ভোজনৰ পৰা বঞ্চিত কণ কণ ছাত্ৰ-ছাত্ৰী

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাণিকপুৰ, ১৪ জুন ঃ** বঙাইগাঁও জিলাৰ সৃজনগ্ৰাম প্ৰাথমিক শিক্ষা খণ্ডৰ অন্তৰ্গত ৯০১নং শ'লমাৰী প্ৰাথমিক বিদ্যালয়ত ৩১ মাৰ্চৰ পৰা নাই প্ৰধান শিক্ষক। ২০২২ চনৰ ৩১ মাৰ্চত বিদ্যালয়খনৰ প্ৰধান শিক্ষক নাছিৰুদ্দিন আহমেদে অৱসৰ গ্ৰহণ কৰে। প্ৰধান শিক্ষক পদৰ পৰা নাছিৰুদ্দিন আহমেদে অৱসৰ গ্ৰহণ কৰাৰ পাছৰে পৰাই বিদ্যলয়খনত কোনো প্ৰধান শিক্ষক নিয়োগ কৰিব পৰা নাই বিভাগীয় কৰ্তৃপক্ষই। তাৰ পাছৰে পৰাই বিদ্যলয়খন অভিভাৱকহীন হৈ পৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি আকবৰ আলীয়ে সদস্যসকলৰ সহযোগত কোনোমতে বিদ্যালয়খন পৰিচালনা কৰি আছে যদিও বহু সমস্যাৰ সন্মুখীন হ'বলগীয়া হৈছে। ৮-৬-২০২২ তাৰিখ বুধবাৰে এখন ৰাজহুৱা সভাৰ আয়োজন কৰা হয়। সভাত সৰ্বসন্মতি ক্ৰমে তৃতীয় প্ৰস্তাৱ মৰ্মে ৰাইজে এজন এজনকৈ ■ ৮ পৃষ্ঠাত

### ধেমাজিত কেন্দ্ৰীয় শক্তিমন্ত্ৰী ৰাজ কুমাৰ সিং

## কেঁচা মজিয়াত ঢৰাতে বহি তৃপ্তিৰে খালে এসাঁজ

**দৈনন্দিন বাৰ্তৰ সেৱা, ধেমাজি, ১৪ জুন ঃ** কেন্দ্ৰীয় কেবিনেট মন্ত্ৰী, ক্ষমতা, নিউ এণ্ড ৰিনিউৱেল এনাৰ্জী, আৰ কে সিঙে ২দিনীয়া ভ্ৰমণসূচীৰে ধেমাজিলৈ আহি বিভিন্ন আঁচনিৰ হিতাধিকাৰীসকলৰ সৈতে মত বিনিময় কৰে । বৰ্তমানৰ চৰকাৰৰ 'সেৱা, সুশাসান আৰু গৰিব কল্যাণ'ৰ প্ৰতি ৮ বছৰীয়া প্ৰতিশ্ৰুতিৰ অংশ হিচাপে ধেমাজিলৈ আহি হিতাধিকাৰীসকলৰ ■ ৮ পৃষ্ঠাত



### বিত্তমন্ত্ৰীৰ ঘোষণাই লগাইছে হাহাকাৰ


## নলবাৰীত শংকাত ভুগিছে শ শ অযোগ্য অৰুণোদয় হিতাধিকাৰী

**নামকটা যাব অনেক পৰিয়ালৰ!**

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম নলবাৰী, ১৪ জুন ঃ** ৰাজ্য চৰকাৰৰ অৰুণোদয় আঁচনিত ব্যাপক অনিয়ম হোৱা বুলি সময়ে সময়ে অভিযোগ উত্থাপিত হৈ থকাৰ সময়তে বিত্তমন্ত্ৰীগৰাকীয়ে কালি অৰুণোদয় আঁচনিৰ হিতাধিকাৰীৰ ঘৰে ঘৰে গৈ যোগ্যতা পৰীক্ষা কৰা হ'ব বুলি ঘোষণা কৰাৰ পিছতে নলবাৰীৰ এক বৃহৎসংখ্যক যোগ্যতা নথকা হিতাধিকাৰীৰ মাজত হাহাকাৰ লাগিছে। উল্লেখ্য, ৰাজ্য চৰকাৰৰ বিত্তমন্ত্ৰী অজন্তা নেওগে দেওবাৰে অৰুণোদয় ■ ৮ পৃষ্ঠাত

## "হাউ টু মাৰ্ডাৰ ইয়'ৰ হাজবেণ্ড" উপন্যাসত বৰ্ণিত কাহিনীৰ দৰেই স্বামীক হত্যা গ্ৰন্থৰ লেখিকাৰ

### যাৱজ্জীৱন কাৰাদণ্ড



**.দৈনন্দিন বাৰ্তাৰ অনলাইন ফিচাৰ্ছ, ১৪ জুন ঃ** লেখিকাগৰাকীয়ে এদিন যিখন গ্ৰন্থ লিখি বিশ্বত তোলপাৰ ■ ৮ পৃষ্ঠাত



*দীপৰ বিলত ৰে'ল বিভাগৰ বিদ্যুৎ সংযোগ ব্যৱস্থা শুভাৰম্ভ কৰাৰ মুহূৰ্তৰ ছবি, মঙলবাৰে*

## ৰত্নাকৰৰ পৰা বাল্মীকি হোৱাৰ প্ৰতিশ্ৰুতি চাৰি যুৱকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, কলিয়াবৰ, ১৪ জুন ঃ** যিটো সময়ত বন ধ্বংসৰ লগতে বনৰীয়া পশু-পক্ষী দৈনিক মানুহৰ ক্ৰুৰতাৰ লক্ষ্য হৈ পৰিছে, সেই সময়ত চাৰি যুৱকৰ পদক্ষেপে দৃষ্টি আকৰ্ষণ কৰিছে কলিয়াবৰত। আজি কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ বুঢ়াপাহাৰ বনাঞ্চলিক ■ ৮ পৃষ্ঠাত

## উপায়ুক্তৰ গৃহৰ পৰা অসমীয়াৰ স্বাভিমান গামোচা জোকাৰি তেজপুৰৰ সুস্বাদু লিচু লণ্ডনলৈ প্ৰেৰণ

### শোণিতপুৰত দুশ বিঘা মাটিত লিচু খেতিৰ পৰিকল্পনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, তেজপুৰ, ১৪ জুন ঃ** দেশৰ পৰিধি ভাঙি সুদূৰ লণ্ডনলৈ আজি ৰপ্তানিৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল তেজপুৰৰ বিখ্যাত লিচু। উল্লেখ্য যে, যোৱা ১১ জুনত তেজপুৰ সন্মিলন কেন্দ্ৰত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ মাজতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই তেজপুৰৰ সুমিষ্ট লিচু বিদেশলৈ ৰপ্তানি প্ৰক্ৰিয়াৰ আনুষ্ঠানিকভাৱে শুভ উদ্বোধন কৰিছিল যদিও আজি জিলা উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই ২৭০০০ টা লিচু ভৰ্তি গাড়ী স্থানীয় একাংশ লিচু খেতিয়ক আৰু ব্যৱসায়ী আৰু জিলা প্ৰশাসনৰ বিষয়া কৰ্মচাৰীৰ উপস্থিতিত উপায়ুক্ত বাসভৱনৰ চৌহদৰ পৰা ফ্লেগ অৱ কৰে অসমীয়াৰ স্বাভিমানৰ প্ৰতীক গামোচাৰে নিৰ্মিত পতাকা জোকাৰি শুভাৰম্ভ কৰাৰ পিছত উপায়ুক্ত দেৱ কুমাৰ মিশ্ৰই কয় যে, তেজপুৰৰ লগতে শোণিতপুৰৰ একাংশ নিবনুৱা যুৱকৰ লিচু খেতিৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পাইছে। তেজপুৰৰ লিচুৰ ■ ৮ পৃষ্ঠাত



### সামাজিক ন্যায় আৰু সবলীকৰণ

## দায়িত্ব লৈ বিভাগীয় কামৰ বুজ ল'লে মন্ত্ৰী পীযূষ হাজৰিকাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ জুন ঃ** অসম চৰকাৰৰ তথ্য, জনসংযোগ আদি বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই শেহতীয়াকৈ প্ৰদান কৰা সামাজিক ন্যায় আৰু সবলীকৰণ বিভাগৰ দায়িত্ব গ্ৰহণ কৰি আজি বিভাগীয় বিষয়াসকলৰ পৰা বিভাগটোৰ বিভিন্ন কাম-কাজৰ বুজ লয়। জনতা ভৱনস্থিত নিজা কাৰ্যালয়ত অনুষ্ঠিত বৈঠকখনত বিভাগীয় সচিব তথা সঞ্চালকৰ পৰা মন্ত্ৰী পীযূষ হাজৰিকাই আজি দিব্যাংগসকলৰ বাবে থকা চৰকাৰী আঁচনি তথা আন সুবিধাসমূহৰ বিষয়ে ■ ৮ পৃষ্ঠাত



জাতি, মাটি আৰু দেশৰ সেৱাত
# দৈনন্দিন বাৰ্তা
১৫ জুন, ২০২২ ■ বুধবাৰ ■ গুৱাহাটী ■ ৩১ জেঠ, ১৯৪৪ শক



বিশ্ব ৰক্তদান দিৱস পালন, গুৱাহাটীত মঙলবাৰে

# শিৱসাগৰত ১৪৪ ধাৰা

**দৈনন্দিন বাৰ্তাৰ সেৱা, শিৱসাগৰ, ১৪ জুন ঃ** শিৱসাগৰ জিলাত শান্তি-শৃংখলাৰ পৰিস্থিতি বিঘ্নিত হোৱাৰ আশংকা কৰি শিৱসাগৰ জিলাৰ অতিৰিক্ত জিলা দণ্ডাধীশ বিতোপন নেওগে সমগ্ৰ শিৱসাগৰ জিলাত তৎকালে বলৱৎ হোৱাকৈ ভাৰতীয় ফৌজদাৰী কাৰ্যবিধি আইনৰ ১৪৪ ধাৰাৰ অধীনত নিষেধাজ্ঞা জাৰি কৰিছে। এই নিষেধাজ্ঞা অনুসৰি ৰাজহুৱা স্থানত পাঁচজন বা ততোধিক লোকৰ সমাৱেশ, সভা-সমিতি পতা, শোভাযাত্ৰা উলিওৱা, শ্বহীদ বেদী নিৰ্মাণ, দেৱাল লিখন, শ্ল'গান ছপা কৰা, কোনো ব্যক্তি বা ব্যৱসায়িক প্ৰতিষ্ঠান, কাৰ্যালয় আদিত যিকোনো ধৰণৰ বৰঙনি সংগ্ৰহ বা প্ৰদান কৰা নিষিদ্ধ কৰিছে। জিলাখনত অসামাজিক লোক তথা উগ্ৰপন্থীৰ আইনবিৰুদ্ধ কাৰ্যকলাপ, গুলীচালনা, হত্যা, অপহৰণ বা ধন লুটৰ আশংকা কৰি দুচকীয়া যানত দুজন বা ততোধিক লোকৰ বিচৰণো নিষিদ্ধ কৰিছে । অৱশ্যে ৬০ বছৰ ঊৰ্দ্ধৰ লোক, ১২ বছৰ বয়সৰ তলৰ ল'ৰা-ছোৱালী, মহিলা, চৰকাৰী বিষয়া-কৰ্মচাৰী আৰু আৰক্ষীৰ লোকক এই নিষেধজ্ঞাৰ পৰা ৰেহাই দিয়া হৈছে । জনস্বাস্থ্যৰ প্ৰতি ভাবুকিস্বৰূপ ৫০ মাইক্ৰন ঘনত্বৰ কম প্লাষ্টিক কেৰীবেগ, যিকোনো ধৰণৰ ধঁপাত বা ধঁপাতজাতীয় সামগ্ৰী যেনে- গুট্‌খা, শিখৰ আদি বেচা-কিনা সমগ্ৰ শিৱসাগৰ জিলাত নিষিদ্ধ কৰিছে । জিলাখনৰ সীমামূৰীয়া অঞ্চলেদি উগ্ৰপন্থীৰ আহ-যাহ আৰু অসামাজিক কাৰ্যকলাপৰ প্ৰতি লক্ষ্য ৰাখি অসম-নাগালেণ্ড সীমান্তত নৈশ সান্ধ্য আইন প্ৰৱৰ্তন কৰি সীমান্তৰ ৫ কিলোমিটাৰ পৰিধিৰ ভিতৰত সন্ধিয়া ৬-০০ বজাৰ পৰা পুৱা ৬-০০ বজালৈ যিকোনো ব্যক্তি বা গোট আৰু গাড়ী-মটৰৰ চলাচল নিষিদ্ধ কৰা হৈছে । ইয়াৰোপৰি লালিগুড়ৰ পৰা থলুৱা মদ প্ৰস্তুতকৰণেৰে জনস্বাস্থ্য হানি হোৱাৰ আশংকা কৰি সমগ্ৰ জিলাখনত লালিগুড় বেচা-কিনা নিষিদ্ধ কৰা হৈছে । অৱশ্যে পশু খাদ্য হিচাবে ব্যৱহাৰৰ বাবে জিলা দণ্ডাধীশ-অতিৰিক্ত জিলা দণ্ডাধীশ বা পশুপালন বিভাগৰ অনুমতি সাপেক্ষে লালিগুড় বেচা-কিনা কৰিব পাৰিব । এই নিষেধাজ্ঞাসমূহ তৎকালীনভাৱে বলৱৎ হৈছে আৰু পৰৱৰ্তী ৬০ দিনলৈ বা পুনৰ আদেশ নিদিয়া পৰ্যন্ত বাহাল থাকিব । এই আদেশসমূহ অমান্য কৰাসকল ভাৰতীয় দণ্ডবিধি আইনৰ ১৮৮ ধাৰা অনুসৰি দণ্ডণীয় হ'ব বুলি এই নিৰ্দেশসমূহত উল্লেখ কৰিছে।

## স্বাস্থ্য বিভাগৰ লিখিত পৰীক্ষা নিজ জিলাতে দিয়াৰ ব্যৱস্থাৰ দাবী

### মুখ্যমন্ত্ৰীলৈ স্মাৰক-পত্ৰ ডিৱাইএফআইৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, সৰভোগ, ১৪ জুন ঃ** অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ চতুৰ্থ বৰ্গৰ খালী পদ পূৰণৰ বাবে অহা ১৯ জুনত অনুষ্ঠিত হ'বলগীয়া লিখিত পৰীক্ষাত প্ৰতি জিলাৰ প্ৰাৰ্থীক নিজ জিলাতে পৰীক্ষা দিয়াৰ সুবিধা দিবলৈ দাবী জনাইছে ভাৰতৰ গণতান্ত্ৰিক যুৱ ফেডাৰেছন (ডি ৱাই এফ আই)ৰ অসম ৰাজ্যিক কমিটীয়ে । নিজ জিলাত পৰীক্ষাৰ ব্যৱস্থা কৰিব নোৱাৰিলে প্ৰাৰ্থীসকলক পৰিবহণ খৰচ দিবলৈ সংগঠনটোৱে চৰকাৰক দাবী জনাইছে । এই দাবীৰ ভিত্তিত আজি সংগঠনটোৰ পক্ষৰ পৰা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মালৈ মেইল যোগে স্মাৰক-পত্ৰ প্ৰদান কৰা হয়। অসম চৰকাৰে স্বাস্থ্য বিভাগৰ চতুৰ্থ বৰ্গৰ ১১৯২টা খালী পদত নিযুক্তি দিবলৈ প্ৰক্ৰিয়া আৰম্ভ কৰিছে। উক্ত পদৰ বাবে অহা ১৯ জুনত অনুষ্ঠিত হ'বলগীয়া লিখিত পৰীক্ষাত বহু জিলাৰ প্ৰাৰ্থীয়ে নিজ জিলা অথবা কাষৰীয়া জিলাৰ সলনি দূৰৰ জিলাৰ পৰীক্ষা কেন্দ্ৰত অৱতীৰ্ণ হ'ব লাগিব । অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ অবিবেচকী সিদ্ধান্তৰ ফলত নিবনুৱা যুৱক-যুৱতীসকলৰ বহু কষ্টৰ লগতে যথেষ্ট খৰচী হোৱাৰ সম্ভাৱনা প্ৰকট হৈ পৰিছে । বিশেষকৈ যুৱতী প্ৰাৰ্থীসকলে আৰু অধিক সমস্যাত পৰিব । ডি ৱাই এফ আইৰ অসম ৰাজ্যিক কমিটীয়ে গুৰুত্বপূৰ্ণ বিষয়টো মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰি তাৎক্ষণিক হস্তক্ষেপ বিচাৰিছে আৰু নিজৰ জিলাতেই প্ৰতিজন প্ৰাৰ্থীক পৰীক্ষা দিয়াৰ ব্যৱস্থা কৰিবলৈ দাবী জনাইছে। ডি ৱাই এফ আয়ে ক্ষোভ প্ৰকাশ কৰি কয় যে বিভাগৰ আজব সিদ্ধান্তৰ বাবে বৰপেটাকে ধৰি নামনি অসমৰ বিভিন্ন জিলাৰ প্ৰাৰ্থীৰ বাবে ৪০০-৫০০ কিলোমিটাৰ দূৰৰ তিনিচুকীয়া, গোলাঘাট, বিশ্বনাথ আদি জিলাত পৰীক্ষা কেন্দ্ৰ নিৰ্ধাৰণ কৰিছে । ঠিক সেইদৰে নগাঁও জিলাৰ প্ৰাৰ্থীৰ বাবে ডিব্ৰুগড় জিলাত কেন্দ্ৰ নিৰ্ধাৰণ কৰিছে । এয়া অবিবেচকী আৰু আজব কাণ্ড হিচাপেই বিবেচিত হৈছে । ইয়াৰ ফলত এজন নিবনুৱা প্ৰাৰ্থীয়ে ৪০০০-৫০০০ টকা খৰচ কৰিব লাগিব । যুৱতী প্ৰাৰ্থী সকলে অধিক কষ্টৰ সন্মুখীন হ'ব । এনে বহু প্ৰাৰ্থী আছে যিসকলে টকাৰ অভাৱৰ বাবে দূৰণিৰ জিলালৈ গৈ পৰীক্ষাত অৱতীৰ্ণ হ'ব নোৱাৰিব । এজন প্ৰাৰ্থীক নিজৰ জিলাতেই পৰীক্ষা কেন্দ্ৰৰ ব্যৱস্থা কৰিব নোৱাৰাৰ কোনো যুক্তি নাই । সেয়া সম্ভৱ নহ'লেও কাষতে থকা জিলাসমূহত পৰীক্ষা কেন্দ্ৰৰ ব্যৱস্থা কৰিব পাৰে । কিন্তু স্বাস্থ্য বিভাগৰ পৰীক্ষাৰ বাবে সেয়াও কৰা নহ'ল । পৰৱৰ্তী সময়ত ৰাজ্যৰ চাৰি লাখ নিবনুৱাই পিয়ন-চকীদাৰ আদি পদৰ পৰীক্ষাত অৱতীৰ্ণ হ'ব । উল্লেখনীয় যে অসম চৰকাৰে তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদৰ চাকৰিত আবেদন মাচুল হিচাপে ইতিমধ্যে ৪০ কোটিতকৈও অধিক টকা সংগ্ৰহ কৰিছে। আবেদনৰ নামতে প্ৰাৰ্থীসকলে বহু টকা খৰচ কৰিবলগীয়া হৈছে । পুনৰ পৰীক্ষাৰ নামত খৰচ কৰিবলগীয়া হোৱাটো ডাঙৰ বোজা হিচাপে বিবেচিত হৈছে। ডি ৱাই এফ আয়ে এই অবিবেচকী সিদ্ধান্ত বাতিল কৰাৰ বাবে অসম চৰকাৰলৈ আহ্বান জনাইছে।

## টংলাত জিলা লোকশিল্পী সাংস্কৃতিক বিকাশ পৰিষদৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ১৪ জুন ঃ** ওদালগুৰি জিলা লোকশিল্পী সাংস্কৃতিক বিকাশ পৰিষদৰ সাধাৰণ সভাখন ২৫ জুনত দিনজোৰা কাৰ্যসূচীৰে ওদালগুৰি জিলাৰ শৈক্ষিক, বাণিজ্যিক আৰু সাংস্কৃতিক নগৰ টংলাত অনুষ্ঠিত হ'ব বুলি আহ্বায়ক গোপাল দেৱ শৰ্মা আৰু জয়কান্ত শৰ্মাই জানিবলৈ দিছে। ওদালগুৰি জিলাৰ লোকশিল্পীসকলক একত্ৰিত আৰু সু-সংগঠিত কৰি লোককলা, লোকশিল্পী সকলৰ প্ৰচাৰ আৰু প্ৰসাৰ, প্ৰণালীবদ্ধভাৱে উপস্থাপনৰ জৰিয়তে আগুৱাই লৈ যোৱাৰ উদ্দেশ্যে গঠন কৰা লোকশিল্পীসকলৰ উমৈহতীয়া মঞ্চ ওদালগুৰি জিলা লোকশিল্পী সাংস্কৃতিক বিকাশ পৰিষদৰ সাধাৰণ সভাখন অনুষ্ঠিত হ'ব টংলা সাহিত্য সভা ভৱনত। সাধাৰণ সভাৰ কাৰ্যসূচী অনুযায়ী ২৫ জুনত ৰাতিপুৱা ১১ বজাত বন্তি প্ৰজ্বলন কৰি কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব বিশিষ্ট ব্যাসৰ ওজাপালি শিল্পী, ডাইনাপালি জগন্নাথ বড়াই। ১১:১৫ বজাত ওদালগুৰি জিলা লোকশিল্পী সাংস্কৃতিক বিকাশ পৰিষদৰ সভাপতি তথা বিশিষ্ট জ্যোতিষী পুৰোহিত গোপাল দেৱ শৰ্মাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া সাধাৰণ সভাখন উদ্বোধন কৰিব বিশিষ্ট কৌতুক শিল্পী তথা সুকনান্নী ওজাপালিৰ অনাতাঁৰ শিল্পী বাপন শৰ্মাই। সভাত মুখ্য অতিথি ৰূপে আসন গ্ৰহণ কৰিব বিটিআৰৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱাই। ভাৰতীয় জনতা পাৰ্টীৰ ওদালগুৰি জিলা সমিতিৰ সম্পাদক জৌৰশ্ৰাং বড়োৱে বিশিষ্ট অতিথিৰ আসন অলংকৃত কৰিব, লগতে অতিথি হিচাপে উপস্থিত থাকিব বিটিআৰৰ মনোনীত সদস্য অৰ্পণা মেধি, টংলা সাহিত্য সভাৰ সভাপতি গৌৰীশংকৰ দাস, যুৱ সমাজকৰ্মী ৰবীন্দ্ৰ বড়ো আৰু অনাতাঁৰ শিল্পী জোনমণি শইকীয়াৰ লগতে কেইবাগৰাকী বিশিষ্ট শিল্পী, সাহিত্যিক।




## বোকাখাতত সজাগতামূলক অভিযানৰ শুভাৰম্ভ মন্ত্ৰী অতুল বৰাৰ

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, বোকাখাত, ১৪ জুন ঃ** অসম ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ উদ্যোগত আৰু ইউনিচেফৰ সহযোগত জনসাধাৰণক ক'ভিড-১৯ মহামাৰীৰ পৰা ৰক্ষা কৰা আৰু বানপানীৰ প্ৰতি সজাগতা আৰু সচেতনতা বৃদ্ধিৰ লক্ষ্যৰে এক ব্যাপক গণ অভিযান আৰম্ভ কৰিছে। এই অভিযানৰ অংশ হিচাপে আজি অসম চৰকাৰৰ কৃষি, পশুপালন আৰু পশু চিকিৎসা আদি বিভাগৰ মন্ত্ৰী অতুল বৰাই বোকাখাত মহকুমাধিপতিৰ কাৰ্যালয় চৌহদৰ পৰা উলিওৱা সজাগতামূলক অভিযান কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে ফ্লেগ অফ কৰে। এই কাৰ্যসূচীৰ অন্তত মন্ত্ৰীগৰাকীয়ে মহকুমাধিপতিৰ কাৰ্যালয় কক্ষত মহকুমাধিপতি ডাঃ নেহা যাদৱৰ উপস্থিতিত বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াৰ সৈতে এক বৈঠকত মিলিত হয়। আজিৰ বৈঠকখনত মন্ত্ৰীগৰাকীয়ে প্ৰধান মন্ত্ৰী ফচল বীমা যোজনা, প্ৰধানমন্ত্ৰী কৃষি সিঁচাই যোজনা, জল জীৱন মিছন, প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনি, অমৃত সৰোবৰ, প্ৰধানমন্ত্ৰী আৱাস যোজনা (চহৰাঞ্চল আৰু গ্ৰাম্য) আদি আঁচনিসমূহৰ কাম-কাজৰ শেহতীয়া স্থিতিৰ লগতে কৃষকসকলৰ পৰা ধান ক্ৰয় কাৰ্যসূচীৰ বিষয়ে বুজ লয়। মন্ত্ৰীগৰাকীয়ে জনসাধাৰণৰ উন্নতিকল্পে লোৱা প্ৰতিটো আঁচনিৰ কামসমূহ সঠিক আৰু নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ উপস্থিত বিষয়াসকলক নিৰ্দেশ দিয়ে। আজিৰ বৈঠকত চক্ৰ বিষয়া, সহকাৰী আয়ুক্তসকল প্ৰমুখ্যে মহকুমাটোৰ বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে।

## বহিঃৰাজ্যত কাম কৰিবলৈ গৈ ৰে'লৰ পৰা পৰি মৃত্যু ডিব্ৰুগড়ৰ যুৱকৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৪ জুন ঃ** অন্ধ্ৰ প্ৰদেশত কাম কৰিবলৈ যাওঁতে চলন্ত ৰে'লৰ পৰা পৰি দুৰ্ভাগ্যজনকভাৱে মৃত্যুক আঁকোৱালি লয় ডিব্ৰুগড় জিলাৰ জামিৰা চাহ বাগিচাৰ চেঙামাৰি লাইনৰ নিৱাসী গকুল মুণ্ডাৰ পুত্ৰ সঞ্জীৱ মুণ্ডা(২৫)ই । জানিব পৰা মতে যোৱা ১০ তাৰিখে বহিঃৰাজ্য অন্ধ্ৰ প্ৰদেশত কৰ্ম অভিমুখী হৈছিল যুৱকজন। ১৩ জুন তাৰিখে পুৱাৰ ভাগত বেঙ্গালুৰুৰ ৰাজা মাণ্ডাৰী ৰে'লৰে ষ্টেচনৰ ৰে'ল বিভাগৰ তৰফৰ পৰা বৰবৰুৱা আৰক্ষী চকীত ঘটনাৰ সম্পৰ্কে অৱগত কৰে। তাৎক্ষণিকভাৱে আৰক্ষীয়ে পৰিয়ালৰ লোকক অৱগত কৰে সঞ্জীৱ মুণ্ডাৰ মৃত্যুৰ খবৰ। ২৫ বছৰীয়া যুৱক সঞ্জীৱে মৃত্যুৰ সময়ত এগৰাকী ৬ বছৰীয়া কন্যা, এটি ৩ বছৰীয়া পুত্ৰ সন্তানসহ পত্নী আৰু পিতৃ-মাতৃক এৰি থৈ গৈছে।

## মৰিগাঁৱত মন্ত্ৰী ৰঞ্জিত দাস

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৈৰাবাৰী, ১৪ জুন ঃ** আজি অসম চৰকাৰৰ পঞ্চায়ত আৰু গ্ৰামোন্নয়ন, খাদ্য-অসামৰিক যোগান আৰু গ্ৰাহক পৰিক্ৰমা আৰু সাধাৰণ প্ৰশাসন আদি বিভাগৰ মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, বিধায়ক ৰমাকান্ত দেউৰী আৰু অন্যান্য উচ্চ পৰ্যায়ৰ বিষয়াসহ মৰিগাঁও উপায়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত পুৱা এখন পৰ্যালোচনা বৈঠকত উপস্থিত থাকে। সভাত মন্ত্ৰীগৰাকীয়ে এক দেশ এক ৰেচন কাৰ্ড, ৰেচন কাৰ্ডৰ লগত আধাৰ সংযোগ, ধান ক্ৰয় সম্পৰ্কীয় আদি বিভিন্ন দিশৰ পৰ্যালোচনা কৰাৰ লগতে দলবাৰীত থকা ধান ক্ৰয় কেন্দ্ৰও পৰিদৰ্শন কৰে। সভাত উপায়ুক্ত প্ৰকাশ ৰঞ্জন ঘৰফলীয়াৰ উপৰি অতিৰিক্ত উপায়ুক্তসকল, জিলা প্ৰশাসনৰ উচ্চ পৰ্যায়ৰ বিষয়াসকল আৰু বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকলো উপস্থিত থাকে।

**বাৰ্ষিক তত্ত্বাৱধানৰ ঠিকা**

ই-নিবিদা জাননী নং.ঃ আৰএন-এছটি-০৯-২০২২-২৩, তাৰিখঃ ১০-০৬-২০২২। নিম্নলিখিত কামৰ বাবে নিম্নস্বাক্ষৰকাৰীৰ দ্বাৰা ই-নিবিদা আহ্বান কৰা হৈছে। **কামৰ নামঃ** ০৩ (তিনি) বছৰ সময়ৰ বাবে ৰঙিয়াত আইপি পিবিএক্স ডিজিটেল ইলেক্ট্ৰনিক একচেঞ্জৰ বাৰ্ষিক তত্ত্বাৱধানৰ ঠিকাৰ চুক্তি। নিবিদা মূল্যঃ ৭,২৭,৪৩১/- টকা; আমানত ধনঃ ১৪,৬০০/- টকা। **ই-নিবিদা** ২৭-০৬-২০২২ তাৰিখৰ ১৫.০০ ঘন্টাত **বন্ধ কৰা হ'ব** আৰু ১৫.৩০ ঘন্টাত জ্যেষ্ঠ ডিএছটিই/ৰঙিয়াৰ কাৰ্যালয়ত **মুকলি কৰা হ'ব**। উল্লিখিত ই-নিবিদাৰ নিবিদা নথি-পত্ৰৰ সৈতে সম্পূৰ্ণ তথ্য ৱেবছাইট www.ireps.gov.in-ত উপলব্ধ হ'ব।

ডিআৰএম (এছএণ্ডটি)/ৰঙিয়া

উত্তৰ পূব সীমান্ত ৰেলৱে
হাঁহিমুখে গ্ৰাহকলৈ সেৱা

**নাম শুধৰণি**

মোৰ নামটো মোৰ বিভিন্ন পৰিচয় পত্ৰত Sonu Das বুলি আছে। লগতে মোৰ বেংক পাছবুকত Sonu Das বুলি উল্লেখ আছে। গতিকে দুয়োটা নাম মোৰেই। দুয়োটা নামৰ গৰাকী মই যদিও প্ৰকৃত নাম Sonu Das।

Sonu Das
Gohpur, Balijan Napamua

**নাম শুধৰণি**

মোৰ আচল নাম Abu Sharif, পিতা MD Abdul Rezak, গাঁও কুপটিমাৰী, ডাকঘৰ + থানা ঃ ভূৰাগাঁও, জিলা মৰিগাঁও(অসম)। মোৰ অন্যান্য নথি-পত্ৰত, Abu Sharif, পিতা Abdul Rezak হৈ আছে। সেয়েহে মই যোৱা ২৪ মে', ২০২২ তাৰিখে মৰিগাঁও জিলা আদালতত নটাৰীযোগে ভুল নাম Md Abu Sharif ৰ পৰিৱৰ্তে Abu Sharif কৰিলোঁ। এতিয়াৰে পৰা মোৰ নাম Abu Sharif। আৰু মোৰ পিতৃৰ নাম MD Abdul Rezak সলনি কৰি Abdul Rezak কৰিলোঁ।

Regards
Abu Sharif
S/O. Abdul Rezak
Vill- Kupatimari
P.O.- Bhuragaon
P.S.- Bhuragaon
Dist.- Morigaon
Ph. 7994940512

NO. MDJ.55/2022/719

**NOTICE INVITING e-TENDER**

The Superintendent, District Jail, Mangaldai, Darrang, Assam invites e-Tenders in two Bid System (Technical Bid & Financial Bid) affixing Court Fee Stamp of Rs.8.25 from the Supplier/ Firms/Dealer for supply of Non Dietary articles (i.e. Group-E) required for District Jail, Mangaldai, Darrang of Assam for the Financial Year-2022-23 through the e-Tender portal https://assamtenders.gov.in on or before 24-06-2022 up to 2:00 P.M.

The Tender documents/Bid indicating the details of specification of the Group-E articles, term and conditions etc. can be downloaded from the Govt. Website https://assamtenders.gov.in.

The participating bidders should have valid Digital Signature Certificate of Class-lll(Minimum) and have to register in the portal https://assamtenders.gov.in.

Date of Publication of e-tender :-14.06.2022

Last Date & Time for online submission of Tenders :- 24.06.2022 at 2:00 P.M.

Last Date & Time for submission of Hard copy of Technical Bid :- 24.06.2022 at 2:00 P.M.

Date & Time of opening e-Tenders :- 24.06.2022 at 3.00 P.M.

Sd/-
Superintendent
District Jail, Mangaldai

Janasanyog /C/4552/22

বেংক অফ বৰোদা / Bank of Baroda
বিজয়া বেংক | দেনা বেংক

**খগা শাখা**
হীৰা হাউছ, কে বি ৰোড, ৱাৰ্ড নং ১১, নৰ্থ লখিমপুৰ, অসম- ৭৮৭০০১
ফোন -০৩৭৫২-২৩০৯৪৯, ই-মেইল ঃ khoga@bankofbaroda.co.in

[(ৰুল-৮(১)]
**দখলৰ জাননী** (স্থাৱৰ সম্পত্তিৰ বাবে)

যিহেতু ঃ
তলত স্বাক্ষৰদানকাৰী বেংক অব বৰোদা, খগা শাখাৰ কৰ্তৃত্বশীল বিষয়া, চিকিউৰিটাইজেচন এণ্ড ৰিকনষ্ট্ৰাকচন অব ফাইনেনচিয়েল এছেটছ এণ্ড এনফ'ৰ্চমেণ্ট অব ছিকিউৰিটি ইণ্টাৰেষ্ট (ধাৰা) এক্ট-২০০২ আৰু উক্ত আইনৰ ধাৰা-১৩(১২) ক্ষমতা প্ৰয়োগ কৰি, পঢ়ি উঠি ৰুল-৮ আৰু ৯, ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ ৰ জৰিয়তে এখন দাবী জাননী জাৰি কৰা হৈছিল **১৬.১১.২০১৯** তাৰিখে ঋণ লওতা **শ্ৰী ঘনকান্ত দাস**, যাতে উপৰোক্ত জাননীত উল্লেখ থকা আদায় দিবলৈ থকা **ধনৰাশি ৩,৫৭,৬০৮.২৮ টকা (তিনি লাখ সাতাৱন হাজাৰ ছয়শ আঠ টকা আঠাইশ পইচা কেৱল)**, তাৰিখ **০৬.১১.২০১৯** ৰ ভিত্তিত এই জাননী প্ৰাপ্তিৰ ৬০ দিনৰ ভিতৰত পৰিশোধ কৰাৰ বাবে।
ঋণ লওতাই উক্ত অনাদায় ধন পৰিশোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে এই জাননীৰ জৰিয়তে ঋণীক আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যে নিম্ন স্বাক্ষৰকাৰীয়ে তলত উল্লেখ কৰা সম্পদ নিজৰ দখললৈ আনিছে ওপৰোক্ত আইনৰ ধাৰা-১৩ উপ-ধাৰা (৪) ৰ ক্ষমতা প্ৰয়োগ কৰি, লগতে পঢ়ি উঠি বিধি-৮ অনুসৰি ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুল-২০০২ অনুসৰি **১৪ জুন, ২০২২ তাৰিখে।**
ঋণ লওতাক বিশেষভাৱে আৰু ৰাইজক সাধাৰণভাৱে অৱগত কৰা হ'ল যাতে উক্ত সম্পদৰ বিষয়ত কোনো ধৰণৰ লেনদেন কৰা নহয়, অন্যথা বেংক অব বৰোদাক আদায় দিবলৈ বাধ্য হ'ব **৩,৫৭,৬০৮.২৮ টকা (তিনি লাখ সাতাৱন হাজাৰ ছয়শ আঠ টকা আঠাইশ পইচা কেৱল)** তাৰিখ **০৬.১১.২০১৯** ৰ ভিত্তিত আৰু তাৰ ওপৰত অতিৰিক্ত সুত আৰু অন্যান্য মাচুলসমূহ।
উক্ত আইনৰ ধাৰা-১৩ ৰ উপ-ধাৰা (৮)ৰ ব্যৱস্থামতে সুৰক্ষিত সম্পত্তিসমূহ উপলব্ধ সময়ৰ ভিতৰত উদ্ধাৰ কৰাৰ বাবে ঋণীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল।

**ঋণ লওতাৰ বন্ধকীত থকা সম্পদৰ বিৱৰণ**

| আইটেম নং | ভূমিৰ বিৱৰণ | ভূমিৰ বিস্তাৰ/ এৰিয়া | ভূমিৰ অৱস্থান | চাৰিসীমা |
|---|---|---|---|---|
| ১ | ঘনকান্ত দাসৰ নামত পি পি নং ১৭৩ ৰ দাগ নং- ৮৩৪ আৰু ৫৬ৰ অধীনৰ ভূমি সম্পদ | ১ কঠা আৰু ১১ লেচা | ধেনুধৰিয়া কাঠনি, ৰাজহ মানচিত্ৰৰ মৌজা ঃ তেলাহী, জিলা ঃ নৰ্থ লখিমপুৰ | **উত্তৰে ঃ** শ্ৰী অজিত দাসৰ ভূমি **দক্ষিণে ঃ** শ্ৰীমতী সোণমাই দাসৰ ভূমি **পূবে ঃ** বন্ধক দাতাৰ অন্যান্য ভূমি **পশ্চিমে ঃ** বাছাচুক গাঁৱৰ পথ |

তাৰিখ ঃ ১৪.০৬.২০২২
স্থান ঃ খগা

কৰ্তৃত্বশীল বিষয়া
বেংক অব বৰোদা, খগা শাখা

Franklin Templeton Mutual Fund

Cordially invites you for a program under it's
**Investor Education and Awareness Initiative.**

Venue :
Hotel Daaysco Oley Allo, Paltan Bazar, G.S. Road
Guwahati - 781008 (Formerly Kiranshree Portico)

Date: 17th June, 2022
Time: 7.00 p.m.

Contact Person: Krushna Chandra Pattnaik (9755039449)

Due to limited seats, entry will be provided to registered attendees only. Please call on the above number to register by tomorrow.

All Covid protocols will be followed.

We look forward to your participation.

FRANKLIN TEMPLETON

Registered office: One International Centre, Tower 2, 12th & 13th Floor, Senapati Bapat Marg, Elphinstone (West) Mumbai - 400013

**Mutual Fund investments are subject to market risks, read all scheme related documents carefully.**

Affordable Health Mission | GNRC Quality•Value•Trust

EXECUTIVE
HEALTHCARE PACKAGE
GNRC ORTHO CARE



₹ 12,796/-

Heamogram
- BLOOD R/E

Biochemical Properties
- RBS
- VIRAL PROFILE
- TSH
- VITAMIN D
- URIC ACID
- CRP
- ANA
- ANTI-CCP

Liver Function Test
- LFT- PANEL I

Kidney Assessment
- RFT- PANEL I

General Tests
- PT-INR
- HBA1C (IN CASE OF DIABETIC)
- X-RAY: ANY ONE OF (KNEE/HIP/SHOULDER)-BOTH AP & LATERAL VIEWS
- BONE MINERAL DENSITY (BMD)- AVAILABLE IN NORTH GUWAHATI UNIT

(Complimentary Breakfast is Provided)

For Appointments 1800 345 0022
Free Ambulance 1800 345 0011

केनरा बैंक Canara Bank — भारत सरकार का उपक्रम / A Government of India Undertaking
सिंडिकेट Syndicate

**বিক্ৰী জাননী**

**স্পেচিয়েলাইজড এআৰএম ব্ৰাঞ্চ**
ডি বি গ্ৰেণ্ড, দ্বিতীয় মহলা, পাঞ্জাবাৰী ৰোড, ছয়মাইল, ফ্লাইঅভাৰৰ কাষত, গুৱাহাটী-৭৮১০২২, ফোন নং- ০৩৬১-২৩৩৪০০৮

**ই-নিলাম বিক্ৰী জাননী, স্থাৱৰ সম্পত্তিৰ কাৰণে, ছিকিউৰিটাইজেচন এণ্ড ৰি-কনষ্ট্ৰাকচন অব ফাইনেন্সিয়েল এচেটছ এণ্ড এনফ'ৰ্চমেণ্ট অৱ ছিকিউৰিটী ইণ্টাৰেষ্ট এক্ট-২০০২, পঢ়ি উঠি ৰুলছ-৮(৬) ছিকিউৰিটী ইণ্টাৰেষ্ট (এনফ'ৰ্চমেণ্ট) ৰুলছ-২০০২ অনুসৰি।**

জাননীৰ জৰিয়তে সাধাৰণ ৰাইজক আৰু লগতে বিশেষভাৱে ঋণ লওঁতা আৰু গেৰেণ্টাৰক অৱগত কৰা হ'ল যে তলত উল্লেখ কৰা ছিকিয়ৰ্ড ক্ৰেডিটৰৰ ওচৰত বন্ধকীকৃত/নিৰিখিত স্থাৱৰ সম্পত্তি যিটো কানাড়া বেংকৰ কৰ্তৃত্বশীল বিষয়াই কনষ্ট্ৰাকটিভ/শাৰীৰিক অধিগ্ৰহণ কৰে, বিক্ৰী হ'ব **"য'ত আছে"** আৰু **"যি ধৰণে আছে"** ভিত্তিত ৩০.০৬.২০২২ তাৰিখত কানাড়া বেংকৰ তলৰ উল্লেখ কৰা শাখাৰ ঋণ লওঁতা আৰু গাৰেণ্টাৰৰ পৰা অনাদায়সমূহ আদায় কৰাৰ বাবে।
আমানত ধন জমা (ইএমডি) দিব লাগিব **২৯.০৬.২০২২** তাৰিখ বা তাৰ পূৰ্বে বিয়লি ৪.০০ বজাত।
নিলাম হ'ব **"অনলাইন ই-নিলাম"** পদ্ধতিৰে https://indianbankseauction.com মাধ্যমেৰে।
**নিলামৰ তাৰিখ আৰু সময় ঃ** ৩০.০৬.২০২২, **দিনৰ ১১.০০ বজাৰ পৰা ০১.০০ বজালৈ।**
(বিক্ৰী সম্পন্ন নোহোৱালৈকে প্ৰতি ৫ মিনিট ব্যৱধানৰ সীমাহীন সম্প্ৰসাৰণৰ সৈতে)
শাখা, ঋণ লওঁতা/ গেৰেণ্টাৰ, অনাদায় ধনৰ লগতে ইএমডি আৰু সম্পদৰ বিৱৰণ, সংৰক্ষিত মূল্য সম্পৰ্কত সবিশেষ ঃ

| ক্ৰঃ নং | ক) ছিকিয়ৰ্ড ক্ৰেডিটৰ / শাখাৰ নাম আৰু ঠিকনা খ) ঋণ লওঁতা / গেৰেণ্টাৰৰ নাম | স্থাৱৰ সম্পত্তিৰ সংক্ষিপ্ত বিৱৰণ | ক) মুঠ অনাদায় (টকা) খ) সংৰক্ষিত মূল্য (টকা) গ) ইএমডি (টকা) ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট (টকা) |
|---|---|---|---|
| ১। | **ক) কানাড়া বেংক, ফেন্সিবজাৰ শাখা /স্পেচিয়েলাইজড এআৰএম ব্ৰাঞ্চ**, দ্বিতীয় মহলা, ডি বি গ্ৰেণ্ড, ছয়মাইল, পাঞ্জাবাৰী পথ, ফ্লাইঅ'ভাৰৰ কাষত, গুৱাহাটী- ৭৮১০২২ **খ) ঋণ লওঁতা** মেচাৰ্ছ শ্ৰী বালাজী ফৌমিং, স্বত্বাধিকাৰী শ্ৰী বিকাশ তিৱাৰী, পিতা- স্বৰ্গীয় ৰাম নাথ তিৱাৰী। | সম্পদ নং- ১ এখণ্ড ভূমিৰ পৰমাপ হ'ল ২ কঠা-১৩ লেচা, লগতে এটা পুৰণি অসম আৰ্হিৰ ঘৰ আৰু পুৰণি মুকলি শ্বেদ, লগতে পুৰণি মেচিন আৰু যন্ত্ৰাংশ, অৱস্থিত আছে দাগ নং-১০৪, পট্টা নং-১২৪, গাঁও- শিলভৰাল, এনবিআই ব্ৰিক ইণ্ডাষ্ট্ৰিৰ কাষত, ডাকঘৰ আৰু থানা- চাংসাৰি, মৌজা- শিলাসেন্দুৰীঘোপা, জিলা- কমৰূপ (গ্ৰাম্য) অসম। ভূখণ্ডৰ চাৰিসীমা ঃ উত্তৰে অভিজিৎ চৌধুৰী আৰু পেচেছ ৰোড, দক্ষিণে- পদুম নাথ, পূবে- ধৰ্মেধৰ কাইবাৰ্টা, পশ্চিমে- ড্ৰেইন। | **ক) মুঠ অনাদায় ঃ ১৭৬.২৮** লাখ টকা + অতিৰিক্ত সুত আৰু ব্যয়। **খ) সংৰক্ষিত মূল্য ঃ** ১০.৬৬ লাখ টকা। **গ) ইএমডি ঃ** ১.০৭ লাখ টকা। ঘ) ইনক্ৰিমেণ্ট এমাউণ্ট ১.০০ লাখ টকা। |

বিক্ৰীৰ ক্ষেত্ৰত সবিশেষ তথ্য আৰু চৰ্তৰ বাবে কানাড়া বেংকৰ ৱেবছাইট (**www.canarabank.com**)ত দিয়া 'ই-নিলাম' লিংক চাওক বা যোগাযোগ কৰিব পাৰিব শাখা মুৰব্বী, স্পেচিয়েলাইজড এআৰএম ব্ৰাঞ্চ, গুৱাহাটী, দ্বিতীয় মহলা, ডি বি গ্ৰেণ্ড, ছয়মাইল, পাঞ্জাবাৰী ৰোড, গুৱাহাটী-৭৮১০২২ অসম, ফোন নং- ০৩৬১-২৩৩৪০০৮/+৯১ ৮৮৭৬৫৩৪৩০৭ /+৯১ ৯৮৬৪০৬৩৮১৭ কাৰ্যালয় খোলা সময়ত যিকোনো কৰ্মৰ দিনত।

তাৰিখ ঃ ১৪.০৬.২০২২, স্থান ঃ গুৱাহাটী
কৰ্তৃত্বশীল বিষয়া, কানাড়া বেংক

No. MCH/HMS/2022/257/10,

**NOTICE INVITING FOR e-TENDER**

Sealed e-Tenders are invited from the intending Supplier/Manufacturer/Accredited Dealers for Supply of Consumables in the HLA Laboratory, department of Anatomy, HMS, GMCH, Guwahati.
The Tender in Two-Bid System i.e. i.Technical Bid & ii. Price Bid to be submitted with affixing Court Fee Stamp Rs.8.25 (Rupees eight point two five paisa) only (for local bidders) or IPO of Rs. 10/- (Rupees Ten) only (in case of bidders from outside of the State of Assam) in favour of the "Member Secretary, Hospital Management Society, Gauhati Medical College Hospital, Guwahati-781032.

Important dates of the e-Tender

**1. Schedule A**

| Sl. No. | Scheduled | Start Date | Start Time | End Date | End Time |
|---|---|---|---|---|---|
| 1. | e- Tender Publishing | 14/06/2022 | | - | - |
| 2. | e- Tender Download | 14/06/2022 | 4:00 PM | 05/07/2022 | 11:00 AM |
| 3. | Pre-Bid meeting | 20/06/2022 | 3:00 PM | **Office of the Superintendent, Gauhati Medical College Hospital, Guwahati-32** | |
| 4. | Bid Submission | 24/06/2022 | 1:00 PM | 05/07/2022 | 12:00 Noon |
| 5 | Bid Opening | 06/07/2022 | 3:00 PM | | |
| 6 | Sample Verification (as per requirement) | | 07/07/2022 at 2:00 Noon | | |

**2. Schedule B**

| Sl No. | Description (Name of the Tender) | Bid Security (E.M.D.) through online payment mode | Delivery/ Installation schedule/ Completion period | Tender fees in Rs. through online payment mode | Eligibility |
|---|---|---|---|---|---|
| 1. | **Supply of Consumables in the HLA Laboratory, department of Anatomy, HMS, GMCH, Guwahati.** | Rs. 20,000/- (Twenty Thousand only) | **72 hrs.** | Rs. 2,000/- (Two Thousand only) | Intending Supplier/ Manufacturer/Accredited Dealers |

All other relevant information and the detailed Bid Document are available on website www.assamtenders.gov.in and can be viewed from 14/06/2022.

Sd/-
Superintendent cum Member Secretary
HMS, Gauhati Medical College Hospital
Guwahati-32

Janasanyog/C/4605/22

দৈনন্দিন বাৰ্তা

সম্পাদকীয়

১৫ জুন ■ ২০২২ ■ ৩১ জেঠ ■ গুৱাহাটী

# সংকট দূৰ কৰিবলৈ শান্তি-শৃংখলাই মুখ্য

ইতিমধ্যে দুই বিজেপি নেতা-নেত্ৰী নবীন কুমাৰ জিন্দাল আৰু নূপুৰ শৰ্মাৰ মন্তব্যৰ প্ৰতিবাদত বিশ্বৰ বহুসংখ্যক মুছলমান ৰাষ্ট্ৰ আৰৱ তথা উ পসাগৰীয় ৰাষ্ট্ৰই ভাৰত চৰকাৰৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। বহুকেইখন ৰাষ্ট্ৰই বিশ্বৰ ৫০খনৰো অধিক দেশত ভাৰতৰ বিৰুদ্ধে ব্যাপক প্ৰতিক্ৰিয়া হৈছে। আনকি দেশৰ বিভিন্ন নগৰ-মহানগৰত হাজাৰ হাজাৰ লোকৰ প্ৰতিবাদ আৰু ঠায়ে ঠায়ে প্ৰতিবাদকাৰীয়ে হিংসাত্মক কাৰ্যত লিপ্ত হোৱাত দেশত শান্তি বিঘ্নিত হোৱাৰ উপক্ৰম হৈছে বুলি ক'ব পাৰি। দিল্লীকে ধৰি দেশৰ বহু নগৰ-মহানগৰত প্ৰতিবাদ হৈছে আৰু তাৰ ফলত পৰিস্থিতি উত্তপ্ত হৈ পৰা পৰিলক্ষিত হৈছে। একাংশ প্ৰতিবাদকাৰীয়ে হিংসা আৰু অশান্তি সৃষ্টিৰ বাবে অপচেষ্টা চলাইছে বুলি অভিযোগ উত্থাপন কৰিছে। ফলত দেশৰ আইন-শৃংখলাৰ অৱনতি ঘটিব পাৰে। কেন্দ্ৰীয় চৰকাৰে সেয়ে দুষ্কৃতিকাৰীয়ে যাতে সুযোগ গ্ৰহণ কৰিব নোৱাৰে ইয়াৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিবলৈ, কঠোৰ হাতেৰে হিংসা কাৰ্য ৰোধ কৰিবলৈ নিৰ্দেশ দিছে। ইতিমধ্যে আৰক্ষীয়ে এইক্ষেত্ৰত হিংসা তথা উচটনিমূলক কাৰ্যত লিপ্ত হোৱা বহু লোকক গ্ৰেপ্তাৰ কৰিছে। যিহেতু বিষয়টো ধৰ্মীয়, সেয়েহে স্পৰ্শকাতৰ বিষয় আৰু সমাজবিৰোধী লোকে সুবিধা ল'ব পাৰে আৰু একাংশই হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি কৰিব পাৰে। অহিংস প্ৰতিবাদীসকলক বদনাম দিবৰ বাবে আন ধৰ্মৰ লোকেও এই কাৰ্যত লিপ্ত হৈ পৰিস্থিতি জটিল কৰিবলৈ সুযোগ যে নল'ব- এই কথা নুই কৰিব নোৱাৰি। এনে বিভিন্ন সমস্যাৰে পৰিস্থিতি অশান্ত কৰি ল'বলৈ এচাম দুষ্কৃতিকাৰীয়ে সুযোগ ল'বলৈ চেষ্টা কৰা কাৰ্যক আইনসন্মতভাৱে ব্যৱস্থা গ্ৰহণ কৰিবলৈ চৰকাৰ তথা সমাজ সচেতন সকলো লোকে দৃষ্টি নিবন্ধ কৰিব লাগে। এইক্ষেত্ৰত চৰকাৰ পক্ষ বিশেষভাৱে সচেতন হ'ব লাগিব, যাতে শান্তি আৰু আইন-শৃংখলা ৰক্ষা পৰে। লগতে ইয়াৰ প্ৰতিও তীক্ষ্ণ দৃষ্টি ৰাখিব লাগিব যাতে কোনো ক্ষেত্ৰতেই কোনো ধৰণৰ আতিশয্য চলোৱা নহয়। তেনে সজাগতাৰ প্ৰতি লক্ষ্য ৰাখিলে শান্তি-শৃংখলা অটুট থাকিব। ইতিমধ্যে হজৰত মহম্মদৰ বিষয়ে অপমানসূচক মন্তব্য কৰাৰ বাবে জিন্দালক বহিষ্কাৰ আৰু নূপুৰ শৰ্মাক নিলম্বন কৰা হৈছে। অৱশ্যে, তেওঁলোকৰ বিৰুদ্ধে কোনো আইনগত শাস্তিমূলক ব্যৱস্থা লোৱা হোৱা নাই বাবে বহু ঠাইত প্ৰতিবাদ অব্যাহত আছে, আনকি বহু বিদেশী ৰাষ্ট্ৰৰ হেঁচাৰ সন্মুখীন হ'বলগীয়া হৈছে চৰকাৰ। কিন্তু এইটো কথাও ঠিক যে তেওঁলোকৰ মন্তব্যৰ বাবে চৰকাৰৰ কোনো দোষ নাই। তৎসত্ত্বেও দুয়োগৰাকী শাসকীয় দলৰ গুৰুত্বপূৰ্ণ দায়িত্বত অধিষ্ঠিত। সেই বাবে তেওঁলোকে সদায় চৰকাৰৰ নীতিৰ সপক্ষে মাত মাতি আহিছে। সেয়ে তেওঁলোকৰ চিন্তা বা মন্তব্যত চৰকাৰ আৰু দলৰ নীতি-আদৰ্শই প্ৰতিফলিত হয়। সেয়ে চৰকাৰে এইক্ষেত্ৰত কিছু সমস্যাত নপৰা নহয়। তথাপি চৰকাৰে এই সমস্যাটো সুচিন্তিতভাৱেই আগবাঢ়িব লাগিব। কাৰণ বিদেশী ৰাষ্ট্ৰৰ সৈতে সু-সম্পৰ্ক বাহাল ৰাখিব লাগিব, যাতে সম্পৰ্কৰ কোনো অৱনতি নঘটে, কোনো ক্ষতি নহয়। ৰাষ্ট্ৰসংঘতো দেশখনে সমস্যাৰ সন্মুখীন হ'ব পাৰে। সেয়েহে চৰকাৰে সু-চিন্তাৰে খোজ আগবঢ়াব লাগিব যাতে চৰকাৰ আৰু আদৰ্শই (দলৰ) ভাবমূৰ্তিত কোনো বাধাৰ সৃষ্টি কৰিব নোৱাৰে।

## লেখক-লেখিকাৰ প্ৰতি

আপোনালোকক সন্মান সহকাৰে জনাওঁ যে 'দৈনন্দিন বাৰ্তা'ৰ 'সম্পাদকীয় পৃষ্ঠা'ৰ শিতানলৈ চিঠি-পত্ৰ আৰু সম্পাদকীয় পৃষ্ঠাৰ লগত জড়িত লেখা প্ৰেৰণ কৰিব পাৰে। এইখিনিতে এটা বিশেষ অনুৰোধ, লেখাবোৰ যথাসম্ভৱ চুটি হ'লে সম্পাদনা কৰাৰ বাবে সুবিধা হয়। লেখা পঠিওৱা প্ৰতিগৰাকী লেখক-লেখিকাকে জনোৱা হ'ল যে লেখাবোৰ নিৰ্দিষ্ট সময় অনুসৰি প্ৰকাশ পাব। লেখাবোৰ তলৰ ঠিকনাত বা 'দৈনন্দিন বাৰ্তা'ৰ e-mail : editordbarta@gmail.comতো পঠিয়াব পাৰিব।

**লেখা পঠিওৱাৰ ঠিকনা ঃ**

'দৈনন্দিন বাৰ্তা'
জি এন বি ৰোড, চানমাৰি কলনি
গুৱাহাটী, পিন ঃ ৭৮১০০৩

■ কৰিম কিম্বা মৰিম ■

# ১৯৪২ চনৰ গণ-আন্দোলন, এক বিশ্লেষণাত্মক আলোচনা



■ অমল চন্দ্ৰ কোঁৱৰ

গণ-আন্দোলন। আমি সকলোৱে জানো যে ১৯৪২ চনত ভাৰতৰ স্বাধীনতাৰ বাবে ব্ৰিটিছৰ বিৰুদ্ধে এক গণ-আন্দোলন আৰম্ভ হৈছিল। এই আন্দোলনত দেশৰ স্বাধীনতাকামী ৰাইজৰ এটাই পণ আছিল— 'কৰিম কিম্বা মৰিম'। আমাৰ দেশৰ স্বাধীনতা প্ৰাপ্তিৰ বাবে কৰা আন্দোলনৰ লগত জড়িত আছে মুক্তিপ্ৰাপ্তিৰ বাবে চলা এক দীঘলীয়া সংগ্ৰাম। বিট্ৰিছৰ বিৰুদ্ধে চলা এই আন্দোলন ১৯২১ চনত সংগঠিত ৰূপত গঢ় লোৱা এই সংগ্ৰাম ক্ৰমান্বয়ে তীব্ৰতৰ হৈ ১৯৪২ চনত চূড়ান্ত পৰ্যায়ত উপনীত হৈছিল। এই গণ-আন্দোলন অৰ্থাৎ ১৯৪২ চনত গণ-আন্দোলনটো দৰাচলতে আছিল দীৰ্ঘদিনীয়া স্বাধীনতা আন্দোলনৰ ক্ৰমবিকাশৰ ফল। আমি জানো যে ১৯৪২ চনৰ ৮ আগষ্টত এই গণ-আন্দোলনে চৰম পৰ্যায় পায়। সেই দিনা বোম্বাই চহৰত নিখিল ভাৰত কংগ্ৰেছ কমিটীয়ে 'ভাৰত ত্যাগ' আন্দোলনৰ বৈপ্লৱিক প্ৰস্তাৱ গ্ৰহণ কৰি আন্দোলনে বিদেশী শাসনক ওফৰাই বিট্ৰিছ শাসকক চৰম আঘাত দিবলৈ সক্ষম হৈছিল। সেইদিনাৰ পৰাই সমগ্ৰ দেশতে বিট্ৰিছ শাসনৰ বিৰুদ্ধে ৰাইজ একত্ৰিত হৈ যুঁজ দিয়াৰ সংকল্প লৈছিল।

স্বাধীনতা সংগ্ৰামৰ নেতা মহাত্মা গান্ধীয়ে ভাৰতৰ স্বাধীনতা আন্দোলনৰ এয়াই এক সুন্দৰ আৰু শেষ আন্দোলন বুলি বিট্ৰিছক কৈ 'ভাৰত ত্যাগ' বাণীৰে বিট্ৰিছক ভাৰত ত্যাগ কৰিবলৈ সকীয়নি দিলে। ইয়াৰ লগে লগেই দেশৰ সকলো লোকৰ মনত জ্বলি থকা বিট্ৰিছৰ বিৰুদ্ধে থকা জুইকুৰা দাউ-দাউকৈ জ্বলি উঠিল। তেতিয়াৰ পৰাই দেশৰ জনতাই 'কৰিম কিম্বা মৰিম' বাণীয়ে ভাৰত ত্যাগ আন্দোলন জোৰদাৰ কৰিব ধৰিলে। দেশৰ জনতা বিট্ৰিছৰ বিৰুদ্ধে ৰাজপথলৈ ওলাই আহিল। যি আন্দোলনত অসমো পিছপৰি থকা নাছিল।

১৯৪২ চনৰ ৯ আগষ্টৰ পুৱা মহাত্মা গান্ধীৰ লগত জৱাহৰলাল নেহৰু, আব্দুল কালাম আজাদকে প্ৰমুখ্য কৰি বিট্ৰিছ চৰকাৰে কংগ্ৰেছৰ নেতাসকলক বন্দী কৰি জে'ললৈ পঠালে। লগে লগে বিট্ৰিছে নিখিল ভাৰত কংগ্ৰেছ কমিটীক বে-আইনী ঘোষণা কৰিলে। সেইদিনা অৰ্থাৎ ১৯৪২ চনৰ ৯ আগষ্টৰ দিনাই অসমৰ বিষ্ণুৰাম মেধি, দেৱেশ্বৰ শৰ্মা, ফকৰুদ্দিন আলী আহমেদ, মৌলনা তৈয়বুল্লা, সিদ্ধিৰাম শৰ্মা, গোপীনাথ বৰদলৈকে ধৰি আমাৰ স্বাধীনতা আন্দোলনৰ নেতাসকলক ইংৰাজ চৰকাৰে গ্ৰেপ্তাৰ কৰে। অসমৰ এইসকল নেতাক বিট্ৰিছ চৰকাৰে গ্ৰেপ্তাৰ কৰাত অসমৰ নগৰে-চহৰে, গাঁৱে-ভূঞে হাজাৰ হাজাৰ জনতাই জীৱন পণ প্ৰদান কৰি অহিংস, বিক্ষোভ প্ৰদৰ্শনেৰে স্বাধীনতা আন্দোলন তীব্ৰ কৰি তুলিলে। দেশৰ জনতাই তেতিয়া নেতাহীনভাৱে দেশ মাতৃক স্বাধীন কৰাৰ বাবে ৰাজপথত জঁপিয়াই পৰিল। দেশৰ জনতাই বিট্ৰিছৰ বিৰুদ্ধে একত্ৰিতভাৱে আন্দোলন কৰাত বিট্ৰিছ চৰকাৰে দেশৰ জনতাৰ এই আন্দোলনকাৰীক মোহাৰি পেলাবলৈ মুক্তিকামী জনতাৰ ওপৰত অমানুষিক অত্যাচাৰ চলাব ধৰিলে। গাঁৱে গাঁৱে চলিল বিট্ৰিছ পুলিচৰ অত্যাচাৰ। আনহাতে, স্বাধীনচিতীয়া মুক্তিকামী জনতাৰ তেজত মুক্তিৰ ক্ষুধাই দামামা বজাবলৈ আৰম্ভ কৰিলে। লগে লগে ইংৰাজ শাসকে আন্দোলনকাৰীৰ ওপৰত নানান ধৰণে অত্যাচাৰ চলাবলৈ আৰম্ভ কৰিলে। চৰকাৰে হত্যা, গ্ৰেপ্তাৰ আদি যিমানেই কৰিব ধৰিলে সিমানেই দেশৰ জনতাই, মুক্তিকামী জনতাই আন্দোলন তীব্ৰতৰ কৰি তুলিলে।

গান্ধীজীয়ে সেই সময়ত কাৰাগাৰৰ পৰা ওলাই আহি দেশৰ জনতাক পূৰ্ণ স্বাধীনতাৰ দাবীত অহিংসা পদ্ধতিৰে আন্দোলন কৰিবলৈ দেশবাসীক আহ্বান জনালে। মুক্তিকামী জনতা বিট্ৰিছৰ অত্যাচাৰতো কিন্তু থমকি ৰোৱা নাছিল। গান্ধীজীৰ এই অহিংসা নীতিকে দেশৰ জনগণে সাৰোগত কৰি 'কৰিম কিম্বা মৰিম' নীতিকে আগত লৈ আন্দোলনত আগবাঢ়ি গ'ল। আনহাতে, গান্ধীজীৰ আহ্বানৰ প্ৰতি সঁহাৰি জনাই দেশৰ জনতাই 'বন্দে মাতৰম', 'মহাত্মা গান্ধীৰ জয়', 'বিট্ৰিছ ভাৰত ত্যাগ কৰা' আদি শ্ল'গানেৰে দেশৰ ৰাজপথ কঁপাই তুলিলে। বিট্ৰিছ চৰকাৰে বহু আন্দোলনকাৰীক গ্ৰেপ্তাৰ কৰিলে। দেশৰ লগতে অসমৰো বহু স্বাধীনতা সংগ্ৰামী নেতাই আত্মগোপন কৰিব লগা হ'ল। সেই সময়ত সকলো জাতি, ধৰ্মৰ লোকেই এই আন্দোলনত জঁপিয়াই পৰিছিল। এই ভাৰত ত্যাগ আন্দোলনৰ অসমতো ব্যাপক প্ৰভাৱ পৰিল। অসমৰ গোপীনাথ বৰদলৈ, বিমলা প্ৰসাদ চলিহা, ফকৰুদ্দিন আলী আহমেদ, গড়মূৰীয়া ডেকা অধিকাৰ, অমিয় কুমাৰ দাস, পুষ্পলতা দাস, মৌলানা তৈয়বুল্লা, মহেন্দ্ৰ হাজৰিকা, জ্যোতিপ্ৰসাদ আগৰৱালা, লক্ষ্মী গোস্বামী, সিদ্ধিনাথ শৰ্মা, হলধৰ ভূঞা, ৰবীন শৰ্মা, লক্ষ্যধৰ চৌধুৰী, প্ৰভাত শৰ্মা, ব্ৰজ শৰ্মাকে প্ৰমুখ্য কৰি আৰু বহুটো নেতাই ত্যাগ, বীৰত্ব আৰু আত্মবলি দানেৰে ভাৰতৰ স্বাধীনতা আন্দোলনত অসমৰ এক সুকীয়া গৌৰৱপূৰ্ণ স্থান দখল কৰিবলৈ সক্ষম হৈছিল। এওঁলোকৰ লগতে ৰাজ্যৰ আৰু বহু হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ শিক্ষা জীৱনকো আওকাণ কৰি, নিজৰ জীৱনকো আওকাণ কৰি দেশৰ মুক্তি আন্দোলনত অংশগ্ৰহণ কৰিছিল। লগতে এই ভাৰত ত্যাগ আন্দোলনত অসমৰ যুৱক-যুৱতী, কৃষক-বনুৱা সকলোৱেই আছিল এক বৃহৎ অৰিহণা। সেই সময়ত দেশৰ সকলো শ্ৰেণীৰ জনগণই ব্যক্তিগত জীৱনৰ হাবিয়াস ত্যাগ কৰি নিজকে উৰ্চগা কৰিলে।

১৯৪২ চনৰ ভাৰত ত্যাগ আন্দোলনত ছাত্ৰ সমাজৰ নেতৃত্ব দিছিল সেই সময়ৰ ছাত্ৰ নেতা চন্দ্ৰনাথ শৰ্মাই। বিট্ৰিছে ভাৰতক কৰি থকা শোষণৰ বাবে দেশৰ জনসাধাৰণে বহু বছৰৰ পৰাই বিট্ৰিছ চৰকাৰৰ বিৰুদ্ধে আন্দোলন কৰিছিল যদিও মহাত্মা গান্ধীৰ 'ভাৰত ত্যাগ' আন্দোলনে অসমত ব্যাপক খলকনি তুলিছিল। এই আন্দোলন অসম ইতিহাসৰ এক উল্লেখযোগ্য বৰঙণি হিচাপে চিহ্নিত হ'ল। এই আন্দোলনত অসমৰ জনগণে পাশৱিক অত্যাচাৰৰ সন্মুখীন হ'ব লগা হৈছিল। আন্দোলনকাৰীক বিট্ৰিছ চৰকাৰে গুলীয়াই হত্যা কৰিছিল, ফাঁচী আদি দিব ধৰিছিল। সেই সময়তে ১৯৪২ চনৰ ২০ ছেপ্টেম্বৰত ভাৰতীয় জাতীয় কংগ্ৰেছৰ অসম শাখাই সিদ্ধান্ত ল'লে যে প্ৰত্যেকখন থানাতেই ভাৰতীয় জাতীয় পতাকা উত্তোলন কৰিব। তাৰ বাবে জাতীয় কংগ্ৰেছৰ অসম শাখাই সাজু কৰিছিল 'মৃত্যু বাহিনী'। সেই আঁচনি কাৰ্যকৰীকৰণ কৰিবলৈ যাওঁতে অসমৰ পাটগাভৰু কনকলতা আৰু তেওঁৰ এগৰাকী সতীৰ্থ মুকুন্দ কাকতি পুলিচৰ গুলীত নিজৰ জীৱন উচৰ্গা দিব লগা হৈছিল। সেইদিনা গহপুৰ থানাত ত্ৰিৰংগ পতাকা তুলিবলৈ যাওঁতে পুলিচে তেওঁলোকক গুলীয়াই হত্যা কৰে। এই আন্দোলনত কেৱল মাত্ৰ কনকলতা বা মুকুন্দ কাকতিয়েই নহয়, আমাৰ বহু আন্দোলনকাৰী মদন ৰাভা, ঠগীৰাম সুদ, ভোগেশ্বৰী ফুকননী, নিধুৰাম ৰাজবংশী, বলোৰাম সুদ, হেমোৰাম পাতৰ, ৰতন কছাৰী, লক্ষ্মী হাজৰিকা, মনবৰ নাথ আদি বহু বীৰ-বীৰাংগনা শ্বহীদ হৈছিল। যাক আমি আজিও অতি শ্ৰদ্ধাৰে স্মৰণ কৰি আহিছো। যাৰ ত্যাগৰ বিনিময়তহে আজি আমি স্বাধীনতা লাভ কৰিছো। তদুপৰি সৰুপথাৰ ৰে'ল দুৰ্ঘটনাৰ বাবে কুশল কোঁৱৰক ইংৰাজ চৰকাৰে ফাঁচী দিছিল। আনহাতে, ইংৰাজ চৰকাৰৰ নানান অত্যাচাৰৰ বাবে কাৰাগাৰতে দেহত্যাগ কৰে কমলা মিৰিয়ে।

এই ভাৰত ত্যাগ আন্দোলনত হাজাৰ হাজাৰ লোকে কাৰাবাস খাতিব লগা হৈছিল। বহু লোকে দুৰ্বিষহ জীৱন কটাব লগা হৈছিল। বহু লোকে ভাৰত মাতৃৰ মুক্তিৰ বাবে কলিজাৰ কেঁচা তেজ দান কৰি হাঁহি মুখে অকথ্য নিৰ্যাতনৰ বলি হৈয়ো এই নিৰ্যাতন সহ্য কৰি দেশ মাতৃক স্বাধীন কৰি থৈ গৈছিল। এই মহান বীৰ-বীৰাংগনাসকলক আমি শ্ৰদ্ধাৰে স্মৰণ কৰা দৰকাৰ। দেশৰ জনসাধাৰণৰ এই ১৯৪২ চনৰ ঐতিহাসিক আগষ্টৰ গণ-বিপ্লৱত ভাৰতৰ জনসাধাৰণৰ স্বতঃস্ফূৰ্ত সঁহাৰি দেখি বিট্ৰিছ চৰকাৰৰ বুকু কঁপি উঠিছিল। দেশৰ জণগণৰ স্বাধীনতা আন্দোলনৰ ৰূদ্ৰমূৰ্তি দেখি ইংৰাজ চৰকাৰৰ মেৰুদণ্ড কঁপি উঠিছিল। এই আন্দোলনত লোকমান্য বাল গংগাধৰ তিলকৰ 'স্বৰাজ আমাৰ জন্মগত স্বত্ব' কথাষাৰ প্ৰতিজন ভাৰতীয় এই মুক্তিকামীৰ অন্তৰত সোমাই পৰিছিল। ১৯৪২ চনৰ গণ-বিপ্লৱত ভাৰতৰ জনসাধাৰণৰ স্বতঃস্ফূৰ্ত সঁহাৰি দেখি বিট্ৰিছ চৰকাৰে অৱশেষত ভাৰত এৰি যাবলৈ সিদ্ধান্ত ল'লে। অৱশেষত ১৯৪৭ চনৰ ১৫ আগষ্ট তাৰিখে বহু আকাংক্ষিত স্বাধীনতা লাভ কৰিলে। সেইদিনাৰ পৰাই ভাৰত এখন সাৰ্বভৌম, গণতান্ত্ৰিক, ধৰ্মনিৰপেক্ষ স্বাধীন ৰাষ্ট্ৰ গঠন হ'ল। যি দেশত থাকিল এখন নিজা পতাকা, নিজা সংবিধান, নিজা শাসন কৰিব পৰা ক্ষমতা। দেশৰ লগতে অসমৰ সেই সময়ৰ মহান ব্যক্তিসকলে মহান ভাৰতীয় জাতিৰ অবিচ্ছেদ্য অংগ হিচাপে অসমবাসী ৰাইজে স্বাধীনতা ৰণত অৱতীৰ্ণ হৈ দেশপ্ৰেম আৰু ঐক্য-সংহতিৰ যাউতিযুগীয়া নিদৰ্শন দেখুৱাই থৈ গ'ল। যি আদৰ্শ আমি কোনো কালেই পাহৰিব নোৱাৰো। যাৰ আদৰ্শ আমি সাৰোগত কৰি এখন স্বাধীন দেশত নিজৰ স্বাধীনতা উপভোগ কৰিবলৈ পাইছো। দেশৰ জনসাধাৰণে সেই সময়ত অহিংস আৰু নৈতিক শক্তিক প্ৰাধান্য দি অহাৰ বাবেই আমি দেশ স্বাধীন পালো। নহ'লে হয়তো আৰু বহু বছৰ আমি বিট্ৰিছৰ তলত বহতীয়া হৈ থাকিব লগা হ'লহেঁতেন। আমাৰ স্বাধীনতা দিৱসৰ দিনা আমি সকলোৱে নিজা জীৱনকো উচৰ্গা কৰি দেশৰ বাবে জীৱন দিয়াসকলক শ্ৰদ্ধাৰে স্মৰণ কৰো আহক। এই মুক্তিকামী স্বাধীনতা সংগ্ৰামীসকলৰ ওচৰতআমি চিৰকৃতজ্ঞ।


*ফোন ঃ ৭০০২৯-২৬০৭০*

# বৰ্তমান সময়ত মানুহৰ মাজত দুঃশ্চিন্তা, হতাশা আদি সমস্যাবোৰ কিয় বৃদ্ধি পাইছে?

■ নন্দেশ্বৰ মিলি

বৰ্তমান সময়ত মানুহৰ মাজত হতাশা, দুঃশ্চিন্তা আদিৰ দৰে সমস্যাই আগুৰি ধৰিছে। সেই সমস্যাত ভোগা মানুহৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে। পৃথিৱীৰ সকলো দেশৰ মানুহৰ মাজতে সেই ধৰণৰ সমস্যাবোৰ গা কৰি উঠিছে। আধুনিক প্ৰতিযোগিতামুখী জীৱন আৰু যান্ত্ৰিক জীৱনবোধে মানুহক আমুৰাইছে। প্ৰতিটো মুহূৰ্তে মানুহবোৰে অসুস্থ প্ৰতিযোগিতাত লিপ্ত হৈছে। সেই প্ৰতিযোগিতাত নামি মানুহৰ মাজত জীৱনৰ প্ৰতি থকা আশাবোৰো হেৰুৱাই পেলাইছে। তদুপৰি বৰ্তমান সময়ৰ যান্ত্ৰিকতাৰ জীৱনে মানুহৰ মাজত থকা সুন্দৰ সামাজিক আৰু পাৰিবাৰিক সম্পৰ্কবোৰৰ মাজত জটিলতাৰ সৃষ্টি কৰিছে। অৰ্থনৈতিক দুৰৱস্থা, উপাৰ্জনহীনতা, নিবনুৱা সমস্যা, নিয়োগহীনতা আদিয়ে মানুহৰ মাজত এক নেতিবাচক প্ৰভাৱ পেলাইছে। জীৱন জীয়াবৰ বাবে প্ৰতিটো মুহূৰ্ততে টকা-পইচাৰ দৰকাৰ হয়। কিন্তু মানুহৰ মাজত টকা-পইচাৰ অভাৱে এক জটিল সংকটৰ সৃষ্টি কৰিছে। সামাজিক সম্পৰ্কসমূহৰ মাজত থকা আত্মীয়তা আৰু গাঢ়তাসমূহ বৰ্তমান সমাজ ব্যৱস্থাত অভাৱ থকা পৰিলক্ষিত হয়। মানুহৰ মাজত যিবোৰ সম্পৰ্কই কটকটীয়া বান্ধোনৰ সৃষ্টি কৰিছিল, সেইবোৰৰ দিশত বৰ্তমান সময়ত নাইকিয়া হৈ গৈছে। ফলত মানুহৰ সুখ-দুখৰ সময়ত ওচৰত কোনোবাই থিয় দিব পৰা মানুহৰ অভাৱ ঘটিছে। ক্ৰমে ক্ৰমে মানুহবোৰৰ ব্যস্ততা বঢ়াৰ ফলত কাকো সময় দিব পৰা নাই। ফলত মানুহবোৰে নিঃসংগতাত ভুগিছে আৰু দুঃশ্চিন্তাত পৰিব লগা হৈছে। বৰ্তমান সময়ত মানুহৰ সংখ্যা দিনক দিনে বৃদ্ধি পাই আহিছে। তাৰ তুলনাত মানুহৰ জীৱন-জীৱিকাসমূহ পাব পৰা নাই। অত্যধিক জনসংখ্যা বৃদ্ধিৰ ফলত সুযোগসমূহ বা সা-সুবিধাসমূহ দিবলৈ সক্ষম হোৱা নাই। তাৰ ফলত মানুহৰ মাজত দৰিদ্ৰতাৰ সমস্যাবোৰ গা কৰি উঠিছে। দুবেলা-দুমুঠি পাব পৰাকৈও সৌভাগ্য মিলা নাই। তাৰ ফলত মানুহৰ মাজত দুঃশ্চিন্তা বাঢ়িছে।

বৰ্তমান সময়ত বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ আৱিষ্কাৰৰ বলত মানুহে তাৰ ওপৰতে নিৰ্ভৰ কৰি চলিছে। সকলো ক্ষেত্ৰতে সেই বিজ্ঞানৰ ওপৰতে নিৰ্ভৰ কৰি মানুহে নিজৰ দক্ষতা, কৌশলবোৰ ব্যৱহাৰ কৰিবলৈ সুবিধা পোৱা নাই। ফলত মানুহৰ নিয়োগহীনতাৰ লগতে যান্ত্ৰিকতাৰ মানসিকতা গা কৰি উঠিছে। তাৰ ফলত মানুহৰ মাজত একঘেয়ামী, আত্মবিশ্বাসহীনতা আৰু কৃত্ৰিম জীৱনবোধ গঢ় লৈ উঠিছে। শেষত মানুহে নিজৰ জীৱনৰ প্ৰতিও



আস্থাহীনতা গঢ়ি উঠি দুঃশ্চিন্তাত ভুগিছে। মানুহৰ মাজত বৰ্তমান সময়ত বিভিন্ন বেমাৰ-আজাৰ, দুৰাৰোগ্য ৰোগত আক্ৰান্তৰ হাৰ বৃদ্ধি পাই আহিছে। চিকিৎসা বিজ্ঞানৰ অভূতপূৰ্ব উন্নতি আৰু ঔষধ, সা-সুবিধা আদি আগতকৈ সুচল হোৱা সত্ত্বেও চিকিৎসাৰ ক্ষেত্ৰত থকা ব্যয়বহুল খৰচক মধ্যবিত্ত আৰু নিম্ন-মধ্যবিত্ত লোকসকলে বহন কৰাত অপাৰগতা প্ৰকাশ কৰে। ইফালে আধুনিক জীৱনবোধে বিভিন্ন দুৰাৰোগ্য বিস্তাৰিত হোৱাৰ ক্ষেত্ৰত সাৰ-পানী যোগাইছে। তেনে বেমাৰত আক্ৰান্ত হোৱাৰ ফলত মানুহে নিজৰ ঘৰ, মাটি-বাৰী তথা সমস্ত উপাৰ্জন পানীৰ দৰে খৰচ কৰি জীৱন-নিৰ্বাহৰ সৰ্বস্বান্ত হেৰুৱাই দেউলীয়া হ'বলগীয়া হয়। লগতে বিভিন্ন বেংকৰ ধাৰ বা অন্য প্ৰতিষ্ঠান বা ব্যক্তিৰ পৰা গ্ৰহণ কৰা লোণৰ সুতত হায়ৰান হ'বলগীয়া হয়। তাৰ ফলতো মানুহে দুঃশ্চিন্তা আদি সমস্যাত ভোগে। জোৰ যাৰ মুলুক তাৰ... সেই আপ্তবাক্য শাৰী বৰ্তমান সময়ত খাটে। সেই সময়ত যাৰ হাতত টকা-পইচা, সা-সম্পত্তি বেছি আছে তাৰ হাততে সকলোবোৰ ক্ষমতা, সন্মান, নাম আদি আছে। তেওঁলোকে যি ক'ব, যি কৰিব সেইটোৱে শুদ্ধ হয়। আনহাতে, দৰিদ্ৰ মানুহৰ কোনো কথা বা কামতে গুৰুত্ব নাথাকে। গণতান্ত্ৰিক, কল্যাণকামী ৰাষ্ট্ৰ, সংবিধান, আইন আদিৰ দৃষ্টিত সকলো সমান আৰু তাকে দেশখনত মনা হয় বুলি কয় কিন্তু বাস্তৱ ক্ষেত্ৰত কামে-কাজে তাৰ ওলোটাতো হোৱা দেখা যায়। যাৰ ফলত নিম্ন মধ্যবিত্ত সাধাৰণ লোকসকলে সকলো ক্ষেত্ৰত বলিৰ পঠা হ'বলগীয়া হয়। সেইবোৰ দিশেও মানুহক হতাশা আদিৰ সমস্যাৰ সৃষ্টি কৰে। বৰ্তমান সময়ত মানুহৰ মাজত ধৈৰ্য, বিশ্বাস, ত্যাগ-স্বীকাৰ, উদাৰ, কষ্টসহিষ্ণু মনোভাব, মানৱতাবোধ, সমাজবোধ আদিৰ অভাৱ ঘটা পৰিলক্ষিত হয়। লগতে বিভিন্ন নৈতিকতা, প্ৰমূল্যবোধ, আধ্যাত্মিকতা আদি গুণবোৰৰো আকাল হৈছে। তাৰ সলনি মানুহৰ মাজত অস্থিৰ, ধৈৰ্যহীনতা, ভোগবাদী চৰিত্ৰ, হিংসা, আত্মকেন্দ্ৰিকতা, বিদ্বেষ, হত্যা, মৰামৰি, ধৰ্ষণ, ব্লেক মেইলিং আদিৰ দৰে অপশক্তিসমূহৰ প্ৰাদুৰ্ভাৱ বৃদ্ধি পাইছে। ফলত লাহে লাহে মানুহৰ জীৱনৰ প্ৰতি থকা সদিচ্ছাবোধবোৰ কমি আহে আৰু নেতিবাচক দিশবোৰে ক্ৰিয়া কৰে। বৰ্তমান সময়ত মানুহক জীৱন-যাত্ৰাৰ ক্ষেত্ৰত ভাল পৰামৰ্শ, উপদেশ দিয়া লোকৰ অভাৱ ঘটিছে। মানুহৰ মাজত ভাতৃত্ববোধ, একতা, সহযোগিতাৰ দৰে গুণসমূহ নাইকিয়া হৈছে, ফলত মানুহৰ জীৱনত সন্মুখীন হোৱা সমস্যাসমূহক মোকাবিলা কৰিব পৰাকৈ যি প্ৰস্তুতি কৰা দৰকাৰ তাৰো অভাৱ ঘটিছে। এনেবোৰ কাৰণত বিভিন্ন সমস্যা জীৱনত সন্মুখীন হ'লেই মানুহে ভাগি পৰা দেখা যায়। তাৰ ফলত মানুহক দুঃশ্চিন্তাসমূহে আগুৰি ধৰে।

মুঠতে, বৰ্তমান সময়ত মানুহৰ দুঃশ্চিন্তা, হতাশা আদিৰ দৰে সমস্যাই গা কৰি উঠি ভয়াৱহ ৰূপ ধাৰণ কৰিছে। আধুনিক অস্বাস্থ্যকৰ আৰু যান্ত্ৰিক জীৱনবোধে মানুহক তেনে সমস্যা সৃষ্টিত অৰিহণা যোগাইছে। শেষত তেনেবোৰ লোকে আত্মহত্যাৰ দৰে চৰম পন্থা অৱলম্বন কৰি সমস্যাৰ সৃষ্টি কৰিব পাৰে। সেয়ে সময় থাকোতেই সকলোৱে একে লগ হৈ তেনেবোৰ মানুহক চিনাক্ত কৰি সজাগ-সচেতন আৰু জীৱনৰ প্ৰতি ইতিবাচক মনোভাব পোষণ কৰি সমস্যা সমাধানত গুৰুত্ব প্ৰদান কৰিব লাগিব।

*ফোন ঃ ৮৬৩৮৮-৮১৯৫৩*

## সম্পাদকলৈ চিঠি

*মতামতৰ বাবে সম্পাদক দায়ী নহয়*

# তোলপাৰ বিশ্ব অগ্নিগৰ্ভা ভাৰত

■ জুলহাছ আলী আহমেদ

ইছলাম ধৰ্মৰ ধৰ্মগুৰু হজৰত মহম্মদ (ছঃ)ক অপমান কৰাক লৈ সমগ্ৰ বিশ্বতে তোলপাৰ লাগিছে। সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মহামানৱ হজৰত মহম্মদ (ছঃ)ৰ প্ৰতি শাসনাধিষ্ঠিত বিজেপি দলৰ মুখপাত্ৰ নূপুৰ শৰ্মাই অপমানসূচক, কটূক্তিপূৰ্ণ মন্তব্য কৰাৰ বাবে আজি বিশ্বব্যাপী তোলপাৰ লাগিছে। বিজেপি দল আৰু ইয়াৰ ভাতৃ সংগঠনসমূহৰ ফালৰ পৰা প্ৰায়েই মুছলমানবিদ্বেষী মাত-কথা শুনিবলৈ পোৱা যায়। ভাৰতৰ ক্ষমতালৈ আহাৰ পিছৰ পৰাই এটা বিশেষ সম্প্ৰদায়ক হায়ৰাণ কৰাটো যেন নিত্য-নৈমিত্তিক ঘটনাত পৰিণত হৈ পৰিছে। আৱহমান কালৰ পৰা সাম্প্ৰদায়িক সম্প্ৰীতি অটুট ৰাখি বসবাস কৰি অহা হিন্দু-মুছলমানৰ সাতামপুৰুষীয়া ভাতৃত্ববোধৰ ইতিহাসক বুঢ়া আঙুলি দেখুৱাই সংখ্যালঘু মুছলমান লোকক টাৰ্গেট কৰি লোৱাটো ভাৰতীয় সভ্যতা-সংস্কৃতি পৰিপন্থী। ত্যাগ, তপ, সাধনা আৰু আধ্যাত্মিকতাৰ ধৰ্ম হিন্দু ধৰ্মশাস্ত্ৰৰ জ্ঞান নথকা দুই-চাৰিজন অতি ধৰ্মান্ধ ব্যক্তিৰ কাৰণে আজি বিশ্বদৰবাৰত ভাৰত লজ্জিত। তেওঁলোকৰ কৰ্ম-কাণ্ডই সনাতনী উদাৰতা আৰু প্ৰেৰণাক প্ৰশ্নবোধক কৰি তুলিছে। উল্লেখ্য যে, সৌ সিদিনা বিজেপি দলৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ নূপুৰ শৰ্মা আৰু নবীন জিন্দালৰ ইছলাম ধৰ্মৰ সৰ্বোচ্চ সন্মানৰ প্ৰতীক পয়গম্বৰ হজৰত মহম্মদ (ছঃ)ৰ বিৰুদ্ধে মন্তব্য কৰি জনমানসত কেৱল হিন্দুত্বকেই হেয় প্ৰতিপন্ন কৰা নাই, বৰং গোটেই ভাৰতবৰ্ষৰ সাম্প্ৰদায়িক সম্প্ৰীতি আৰু সৰ্বধৰ্ম সমন্বয়ৰ ইতিহাসো কালিমালিপ্ত কৰিলে। পিছে দুই-চাৰিজন কট্টৰ হিন্দুত্ববাদী নেতা-নেত্ৰীৰ কাৰণে গোটেই হিন্দু সমাজ বা ভাৰতবৰ্ষক দোষাৰোপ কৰা সমীচীন নহ'ব। এইখন ভাৰতবৰ্ষতেই এনে অজস্ৰ হিন্দু পণ্ডিত, ৰাজনৈতিক নেতা তথা সাধাৰণ পৰিয়াল আছে, যিসকলে 'ইছলাম, ক্বোৰআন আৰু পয়গম্বৰ হজৰত মহম্মদ (ছঃ)'ৰ পক্ষে মাত মাতি আছে। মুছলমানক নিজৰ আত্মীয় জ্ঞান কৰা অসংখ্য হিন্দু পৰিয়াল আছে যিসকলে পৰস্পৰৰ কাৰণে সৰ্বস্ব বিলীন কৰিবলৈও প্ৰস্তুত। এনে অৱস্থাত মুষ্টিমেয় কেইজনমান ব্যক্তিৰ কাৰণে আমি হিন্দু-মুছলমানৰ মাজত থকা জাউতিযুগীয়া সম্পৰ্কত ফাট মেলিবলৈ দিব নোৱাৰোঁ। গতিকে মুছলমান নেতৃস্থানীয় ব্যক্তিৰ লগতে আলিম-উলামাসকলে দেশত উমি উমি জ্বলি থকা জুইকুৰাত ঘিউ ঢলাৰ পৰিৱৰ্তে শান্তি-শৃংখলাৰ পৰিৱেশ সৃষ্টিত মনোনিৱেশ কৰা উচিত। অৱশ্যে একাংশ আলিম-উলামাই দেশত শান্তিৰ বাতাৱৰণ সৃষ্টিৰ প্ৰয়াস কৰি থকাৰ সময়তে অসমৰ অতি হিন্দুত্ববাদী নেতা সত্যৰঞ্জন বৰায়ো ইদানিং সুযোগ বুজি কঠীয়া তোলা দি ইছলাম, ক্বোৰআন আৰু পয়গম্বৰ হজৰত মহম্মদ (ছঃ)ৰ বিৰুদ্ধে আকৌ অপমানসূচক, আপত্তিজনক তথা আক্ৰমণাত্মক মন্তব্যৰে ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ আস্থা-বিশ্বাস আৰু অনুভূতিত আঘাত দিয়া আৰম্ভ কৰিছে। সত্যৰঞ্জন বৰাহঁতৰ দৰে সাম্প্ৰদায়িক মতাদৰ্শৰ ব্যক্তিৰ কাৰণেই আজি উত্তপ্ত ভাৰতবৰ্ষ। সৰ্বকালৰ সৰ্বশ্ৰেষ্ঠ মহামানৱ হজৰত মহম্মদ (ছঃ)ৰ বিৰুদ্ধে অশোভনীয় আৰু তীৰ্যক বাক্যবাণ নিক্ষেপ কৰাক লৈ ইতিমধ্যে বিশ্বৰ চুকে-কোণে তোলপাৰ সৃষ্টি হৈছেই, বাদ পৰি ৰোৱা নাই ৰাম-ৰহিমৰ বাৰেৰহণীয়া ফুলনি বাগিচা সুদৃশ্য বৈচিত্ৰ্যময় ভাৰতবৰ্ষও। দেশৰ বিভিন্ন ৰাজ্যত এতিয়া অগ্নিগৰ্ভা পৰিস্থিতিয়ে বিৰাজ কৰিছে। কেতিয়া, ক'ত, কোনমুহূৰ্তত কি ঘটি যায় তাৰ কোনো নিশ্চয়তা নাই। ইয়াকে লৈ চিন্তিত হৈ পৰিছে কেন্দ্ৰীয় চৰকাৰ। কেইবাখনো ৰাজ্যত জাৰি কৰা হৈছে হাই এলাৰ্ট। ইতিমধ্যে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে প্ৰতিখন ৰাজ্য চৰকাৰক সতৰ্ক হৈ থাকিবলৈ নিৰ্দেশনা প্ৰেৰণ কৰিছে। অসম চৰকাৰেও ৰাজ্যৰ পৰিৱেশ-পৰিস্থিতিৰ ওপৰত চোকা দৃষ্টি ৰাখিছে, সতৰ্ক হৈ আছে জিলা আৰু আৰক্ষী প্ৰশাসন। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সকলোকে শান্তি-শৃংখলা বজাই ৰাখিবলৈ আহ্বান জনাইছে। মুঠতে সম্প্ৰতি সমগ্ৰ বিশ্বৰ লগতে গোটেই দেশজুৰি আতংকময় পৰিস্থিতিয়ে বিৰাজ কৰিছে। এনেহেন অৱস্থাত আমিও সকলো স্তৰৰ নাগৰিকক শান্তি-শৃংখলা অটুট ৰাখিবলৈ অনুৰোধ জনালো। হজৰত মহম্মদ (ছঃ)ক অপমান কৰাক লৈ যাতে আৱেগৰ বশৱৰ্তী হৈ কোনোৱে আইন-শৃংখলাজনিত পৰিস্থিতি উদ্ভৱ নকৰে। ইতিমধ্যে পয়গম্বৰ হজৰত মহম্মদ (ছঃ)ক অপমান কৰাৰ সন্দৰ্ভত ভাৰত চৰকাৰৰ তৰফৰ পৰা স্পষ্টীকৰণ দিয়া হৈছে যে, নূপুৰ শৰ্মা আৰু নবীন জিন্দালৰ বক্তব্য, বিজেপি কিম্বা ভাৰত চৰকাৰৰ বক্তব্য নহয়। তদুপৰি পয়গম্বৰৰ বিৰুদ্ধে কৰা আপত্তিজনক মন্তব্যৰ বাবে দুয়োগৰাকী বিজেপি নেতা-নেত্ৰীক দলৰ পৰা ৬ বছৰৰ বাবে নিলম্বন কৰা হৈছে। ইফালে কেইবাজনৰ বিৰুদ্ধে দিল্লী আৰক্ষীয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰি তদন্ত অব্যাহত ৰাখিছে। গতিকে মুছলমান সমাজে দেশৰ ন্যায় ব্যৱস্থাৰ ওপৰত বিশ্বাস ৰাখি মাতৃভূমিৰ একতা, শান্তি আৰু স্থিতাৱস্থাৰ বাবে আন্দোলন, প্ৰতিবাদৰ কাৰ্যসূচী স্থগিত ৰখা উচিত। লগতে যিসমূহ দল-সংগঠন বা যিসকল ব্যক্তিয়ে কাৰোবাৰ আস্থা, বিশ্বাস আৰু ধৰ্মীয় অনুভূতিত আঘাত দি কথা কয়, তেনে দল-সংগঠন বা ব্যক্তিবিশেষক চৰকাৰ-প্ৰশাসনৰ লগতে দেশৰ বিচাৰ ব্যৱস্থাই দৃষ্টান্তমূলক শাস্তি বিহিব লাগে, যাতে কোনেও অশান্তিৰ বিষবাষ্প বিয়পাই দি সৰ্বধৰ্ম সমন্বয়ৰ দেশ ভাৰতবৰ্ষত সাম্প্ৰদায়িক সংঘৰ্ষ সৃষ্টি কৰাৰ দুঃসাহস কৰিব নোৱাৰে।

*ফোন ঃ ৯৭০৬৬-৬৬১৯২*

# কাৰ্বি পাহাৰত বিজেপিৰ হোৱাইটৱাচ

■ ৰাতুল শৰ্মা

কাৰ্বি পাহাৰত বিজেপিয়ে পুনৰ এবাৰ বিজয়ৰ নিচান উৰুৱালে। কাৰ্বি আংলং স্বায়ত্তশাসিত পৰিষদৰ ২৬টা সমষ্টিৰ আটাইকেইটাতে জয়লাভ কৰি বিজেপিয়ে বিৰোধীক এক প্ৰকাৰৰ হোৱাইটৱাচ কৰিবলৈ সক্ষম হ'ল। ৰাজ্যৰ প্ৰধান বিৰোধী দল কংগ্ৰেছ কাৰ্বি পাহাৰতো অস্তিত্বহীন হৈ গ'ল। এই বিজয়ে পুনৰ এবাৰ ভাৰতীয় জনতা পাৰ্টীৰ ওপৰত থকা ৰাইজৰ গভীৰ আস্থাকে প্ৰতীয়মান কৰিলে। বিৰোধীয়ে যিমানে টেঁটুফালি ৰাইজক বিভ্ৰান্ত কৰিবলৈ চেষ্টা কৰিলেও কিন্তু ৰাইজ বিভ্ৰান্ত হোৱা নাই। মূল্যবৃদ্ধি, নিবনুৱা আদি জ্বলন্ত সমস্যাসমূহক ঢাল হিচাপে লৈ ৰণত নমা বিৰোধী আজি সম্পূৰ্ণৰূপে ধূলিসাৎ হৈ গ'ল। বেলট পেপাৰত অনুষ্ঠিত হোৱা পৰিষদীয় নিৰ্বাচনে বিজেপিৰ অপ্ৰতিৰোধ্য জয়যাত্ৰাক অন্য এক মাত্ৰা প্ৰদান কৰিলে। বিৰোধীয়ে এই নিৰ্বাচনত ইভিএমৰ ওপৰত দোষ জাপি দিয়াৰ কোনো সুযোগো নাপালে। এই বিজয়ে ৰাজ্যৰ মুখ্যমন্ত্ৰীগৰাকীৰ নেতৃত্বত আৰম্ভ হোৱা বিকাশৰ যাত্ৰাক আৰু অধিক ত্বৰান্বিত কৰাত সহায় কৰিব।

*ফোন ঃ ৭০০২১-৭২৯১৮*

# মেৰাপানীত বিপাঙত পৰিছে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ হিতাধিকাৰী

## কৃষি ঋণৰ বাবদ আঁচনিৰ ধন কৰ্তন অসম গ্ৰামীণ বিকাশ বেংক মক্ৰং শাখাৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মেৰাপানী, ১৪ জুন ঃ** পিএমএৱাই আঁচনিৰ হিতাধিকাৰীয়ে প্ৰধানমন্ত্ৰী আবাস যোজনা (গ্ৰামীণ) আঁচনিৰ আৱাসগৃহ নিৰ্মাণ কৰিবই লাগিব, ইয়াৰ অন্যথা হিতাধিকাৰীৰ বিৰুদ্ধে গোচৰ লোৱা হ'ব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰাৰ পাছত দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ পৰিয়ালসমূহে নিজৰ সপোনৰ ঘৰটো নিৰ্মাণ কৰিবলৈ গৈও পিছুৱাই আহিব লগা অৱস্থা হৈছে। চৰকাৰৰ পৰা লাভ কৰা প্ৰধানমন্ত্ৰী আবাস যোজনাৰ ধন লাভ কৰিও আৱাসগৃহ নিৰ্মাণৰ বাবে ধন উলিয়াব নোৱৰা হৈছে হিতাধিকাৰীয়ে। এইসকল হিতাধিকাৰীৰ প্ৰথম কিস্তিৰ সমগ্ৰ ধন কিষাণ ক্ৰেডিট কাৰ্ডৰ ঋণ পৰিশোধৰ নামত বেংকেত কৰ্তন কৰি থোৱাৰ ফলত হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে হিতাধিকাৰীসকলৰ মাজত। তথ্য অনুসৰি, গোলাঘাট সমষ্টিৰ গমাৰিগুৰি উন্নয়ন খণ্ডৰ অন্তৰ্গত অঞ্চলাচল পঞ্চায়তৰ ৪নং তথাপি নিবাসী গুণাৰাম শইকীয়া আৰু কমল শইকীয়া নামৰ হিতাধিকাৰী দুজনে প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত এটিকৈ আবাসগৃহ অনুমোদন পাই ছিল। নীতিগতভাৱে তেওঁলোকৰ আৱাসগৃহৰ অনুদানৰ প্ৰথম কিস্তিৰ ধন ৩২ হাজাৰ টকাকৈ অসম গ্ৰামীণ বিকাশ বেংক মক্ৰং শাখাত সোমাইছিল বুলি জানিব পাৰি দৰিদ্ৰ পৰিয়ালকেইটাই গৃহ নিৰ্মাণৰ বাবে পূৰ্ণ উদ্যমেৰে প্ৰস্তুতি চলাই অনুমোদিত ধন আনিবলৈ বেংকলৈ গৈ জানিব পাৰিলে যে, ইতিমধ্যে বেংকৰ মেনেজাৰে হিতাধিকাৰী দুজনে পূৰ্বে লোৱা 'কৃষক ঋণৰ কাগজ'ৰ (KCC) ঋণ পৰিশোধৰ বাবদ সেইসকলৰ প্ৰথম কিস্তিৰ সম্পূৰ্ণ ধনৰাশি কৰ্তন কৰি ৰাখিছে। যাৰ ফলত শূন্য হাততে উভতিব লগা হয় দুয়োজন হিতাধিকাৰী। ইফালে, মুখ্যমন্ত্ৰীৰ নিৰ্দেশ অনুসৰি পঞ্চায়তৰ গাঁও সদস্য আৰু সংশ্লিষ্ট কৰ্তৃপক্ষই হিতাধিকাৰীসকলক একপ্ৰকাৰৰ ভাবুকি দিছে যে, ঋণ লৈ হ'লেও সময় মতে 'প্ৰধানমন্ত্ৰী আবাস যোজনাৰ (গ্ৰামীণ)' আৱাসগৃহ নিৰ্মাণ কৰিব লাগিবই। এনে পৰিস্থিতিত পিএমএৱাই আৰু কে চি চি দুখন সুকীয়া সুকীয়া দুখন আঁচনিৰ ধনক বেংকৰ মেনেজাৰে সনা-পিটিকা কৰাৰ ফলত বিমোৰত পৰিছে এইসকল দৰিদ্ৰ হিতাধিকাৰী। কিষাণ ক্ৰেডিট ঋণ পৰিশোধৰ বাবদ প্ৰধানমন্ত্ৰী আবাস যোজনাৰ (গ্ৰামীণ) আঁচনিৰ সমগ্ৰ ধনৰাশি কৰ্তন কৰাৰ ফলত এইসকল দৰিদ্ৰ পৰিয়ালৰ সপোনৰ ঘৰখন নিৰ্মাণ হৈ নুঠাৰ আশংকাই দেখা দিছে। এইক্ষেত্ৰত গাঁও পঞ্চায়ত, গমাৰিগুৰি উন্নয়ন খণ্ড আৰু জিলা প্ৰশাসনে বিশেষ নিৰ্দেশনা প্ৰদানৰ আহ্বান জনোৱাৰ লগতে হিতাধিকাৰীসকলে পঞ্চায়তৰ আৰু গ্ৰামোন্নয়ন বিভাগৰ কৃপাদৃষ্টি কামনা কৰিছে। ইয়াৰ অন্যথা কেচিচি ঋণগ্ৰস্ত আন বহু কৃষিজীৱী হিতাধিকাৰীৰ একেই অৱস্থা হ'ব বুলি আশংকা বিৰাজ কৰিছে পঞ্চায়তসমূহত।




## গুৰুজনাৰ অপূৰ্ব সৃষ্টিৰ অমৃত সিন্ধু ভাওনা

### মাজুলীৰ বালিচাপৰি নাথগাঁৱত ভাওনা সবাহ সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, মাজুলী, ১৪ জুন ঃ** মাজুলীৰ উল্লেখনীয় অঞ্চল হিচাপে পৰিচিত বালিচাপৰি নাথগাঁৱত ১২ জুন তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে নামঘৰত দিনত বৰসবাহ আৰু ৰাতিলৈ ভাওনা অনুষ্ঠিত হয়। পুৱা ৯ বজাৰে পৰা নাম-প্ৰসংগৰে শুভাৰম্ভণী হোৱা বৰসবাহত অঞ্চলবাসী ৰাইজৰ লগতে মাজুলীৰ বিভিন্ন প্ৰান্তৰ ধৰ্মপ্ৰাণ ৰাইজৰ বিপুল সমাগম ঘটে। আনহাতে, ৰাতিৰ কাৰ্যসূচী অনুসৰি গুৰুজনাৰ অপূৰ্ব নিদৰ্শন শিৰত লৈ ভগৱান শ্ৰীকৃষ্ণৰ আৰাধনাৰে নাথগাঁৱৰ ডেকাসকলে সুদৰ্শন নাট্যগোষ্ঠীৰ উদ্যোগত পৰিৱেশন কৰে গণেশ গগৈৰ 'শকুনিৰ প্ৰতিশোধ' নাটৰ আধাৰত সংযোজিত ভাওনা 'গান্ধাৰীৰ অভিশাপ'। নাট্যকাৰ ৰামসাগৰ নাথৰ নিৰ্দেশনা আৰু ডাঃ বিমান সাগৰ নাথৰ পৰিচালনাত সম্পন্ন হোৱা ভাওনাখন উদ্বোধন কৰে মাজুলীৰ যুৱ লেখক তথা অভিনেতা শংকুসিদ্ধ নাথে। তেওঁ কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে তেওঁৰ অপূৰ্ব সৃষ্টি অমৃত সিন্ধুসম ভাওনাৰ মাধ্যমেৰে ধৰ্ম আৰু জ্ঞানৰ পোহৰ বিলাই অসমীয়া জাতিক গঢ়ি তুলিছিল।



## জামুগুৰিহাটৰ কুসুমটোলাত 'ৰাৰিৱৰ্ছ'ৰ মুখ্য কাৰ্যালয় উদ্বোধন

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৪ জুন ঃ** ৰাজ্যখনত নতুনকৈ ঠন ধৰি উঠা সমাজসেৱী অনুষ্ঠান মহিলা সজাগতা আৰু গ্ৰামোন্নয়ন সংস্থা তথা জ্যোতিৰ্ময় সমাজ অসম, চমুকৈ 'ৰাৰিৱৰ্ছ'ৰ মুখ্য কাৰ্যালয়টি কালি জামুগুৰিহাটৰ কুসুমটোলাত শুভ উদ্বোধন কৰা হয়।এই উপলক্ষে পুৱা পতাকা উত্তোলন কৰে ৰাজ্যিক সম্পাদিকা সুস্বপ্না হাজৰিকাই। অসম সংগীতৰে আৰম্ভ হোৱা অনুষ্ঠানটিৰ উদ্বোধনী অনুষ্ঠানত কাৰ্যালয়টোৰ শুভ উদ্বোধন কৰে শোণিতপুৰ জিলাৰ সম্পাদিকা বিৰতি বৰঠাকুৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি এখন মহিলা সজাগতা সভাৰো আয়োজন কৰা হয়। অনুষ্ঠানত উপস্থিত থাকে ৰাৰিৱৰ্ছৰ অধ্যক্ষ উৎপল শিৰম, ৰাজ্যিক সম্পাদিকা সুস্বপ্না হাজৰিকা,ৰাজ্যিক সমন্বয়ক তথা বিশ্বনাথ জিলাৰ সম্পাদক অৰ্জুন চেত্ৰী, বিশ্বনাথ জিলাৰ উপদেষ্টা চামচুল হক, সভানেত্ৰী অঞ্জলি বৰুৱা, শোণিতপুৰ জিলাৰ সভাপতি সুনীল আগৰৱালা, সম্পাদিকা বিৰতি বৰঠাকুৰ, বিত্ত সম্পাদিকা স্মৃতি হাজৰিকা, ৰক্ত প্ৰশাসক পূজা আচাৰ্য, আইনী প্ৰশাসক ৰীমা হাজৰিকাকে আদি কৰি ভালেসংখ্যক বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। ইফালে ৰাৰিৱৰ্ছৰ বিষয়ববীয়াসকলে সাংবাদিকক জানিবলৈ দিয়ে যে অসমৰ ৫০ সহস্ৰাধিক লোক জড়িত থকা এই সংগঠনৰ শাখা কাৰ্যালয় অসমৰ প্ৰতি জিলাতেই আছে। এই সংগঠনে সমগ্ৰ অসমতে নিপীড়িতজনৰ বাবে কাম কৰি অহাৰ লগতে নাৰী সুৰক্ষা আৰু অধিকাৰৰ বাবে ব্ৰতী হৈ আছে। বিনামূলীয়া ৰক্তদান, শিশু তথা বালিকা শিক্ষাৰ বাবে নানা কাৰ্য, ৰুগ্ন লোকক চিকিৎসা, বান সাহায্য, ক'ভিডকালীন সাহায্য প্ৰদান, বিনামূলীয়া স্বাস্থ্য শিবিৰ, নিৰ্যাতিত লোকক ন্যায় প্ৰদান আদি অনেক কামৰ জৰিয়তে এই সংগঠন বৰ্তমান অসমৰ সৰ্ববৃহৎ সমাজসেৱী সংগঠনলৈ পৰিৱৰ্তন হৈছে।

## বৰপেটাত প্ৰশাসনৰ উদ্যোগত জিলা ভিত্তিত যোগ প্ৰতিযোগিতা



**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰপেটা, ১৪ জুন ঃ** ৰাষ্ট্ৰীয় আয়ুস অভিযান, অসমৰ সৌজন্যত বৰপেটা জিলা প্ৰশাসনৰ উদ্যোগত আৰু সেৱা ভাৰতী, পূৰ্বাঞ্চলৰ সহযোগত জিলাভিত্তিক যোগাসন প্ৰতিযোগিতাখন জিলা গ্ৰামোন্নয়ন অভিকৰণ প্ৰকল্প সঞ্চালকৰ কাৰ্যালয় প্ৰেক্ষাগৃহত আয়োজন কৰা হয়। এই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি পুৰস্কৃত হোৱা প্ৰতিযোগীয়ে ৰাজ্যিক ভিত্তিত আয়ুস মন্ত্ৰণালয়ে আয়োজন কৰা প্ৰতিযোগিতাত অংশগ্ৰহণৰ সুবিধা লাভ কৰাৰ লগতে অন্যান্য সুবিধা লাভ কৰিব। এই উদ্দেশ্য আগত ৰাখি প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। জিলা প্ৰশাসনৰ পৰা উপস্থিত থাকে অতিৰিক্ত উপায়ুক্ত লাচিত দাস, জিলা ক্ৰীড়া বিষয়া। এই প্ৰতিযোগিতাত মুঠ ৪০গৰাকী প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে আৰু চাৰিটা পৰ্যায়ত অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক আৰু শাৰীৰিক উৎকৰ্ষ সাধনৰ লগতে বৰ্তমান যুৱ-প্ৰজন্মৰ ড্ৰাগ্‌ছ আসক্তিৰ পৰা দূৰত ৰখাৰ উদ্দেশ্যে আয়ুস মন্ত্ৰণালয়ে এনেকুৱা প্ৰতিযোগিতা আয়োজন কৰি আহিছে।

## কছাৰীগাঁও বৰ নামঘৰত বাৰ্ষিক পালনাম

### গছপুলি ৰোপণ উদ্বোধন কৰে বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই

**দৈনন্দিন বাৰ্তাৰ সেৱা, তিতাবৰ, ১৪ জুন ঃ** তিতাবৰ সমষ্টিৰ অন্তৰ্গত মেলামাটি গাঁও পঞ্চায়তৰ মেলামাটি ৰে'ল ক্ৰছিঙৰ সমীপত কছাৰীগাঁও বৰ নামঘৰত কালি বাৰ্ষিক পালনাম মহা পয়োভৰেৰে সম্পন্ন হয়। কছাৰীগাঁও বৰ নামঘৰ পৰিচালনা সমিতিৰ সভাপতি, বিশিষ্ট ব্যৱসায়ী তথা সমাজকৰ্মী ৰাজু খনিকৰ আৰু সমিতিৰ সম্পাদক ধীৰেন দত্তৰ পৰিচালনাত অনুষ্ঠিত পালনামত দুই শতাধিক ভকত- বৈষ্ণৱে সহযোগ কৰে। গাঁওখনৰ সমূহ ৰাইজৰ আন্তৰিক সহযোগিতাৰ মাজেদি বাৰ্ষিক কৰ্ম সফল হয়। পালনাম উপলক্ষে পৰিচালনা সমিতিয়ে নামঘৰ চৌহদত গছপুলি ৰোপণ কাৰ্যসূচীৰ লগতে উন্নয়নমূলক আঁচনি ৰূপায়ণ কৰে। সেই মৰ্মে তিতাবৰ সমষ্টিৰ বিধায়ক ভাস্কৰজ্যোতি বৰুৱা, বিশিষ্ট ব্যৱসায়ী বিৰিজ ৰতন গট্টানী, তিতাবৰ প্ৰেছ ক্লাবৰ সভাপতি বিমান শইকীয়া, নামঘৰৰ ভূমিদাতা ভোগেশ্বৰ শইকীয়াই একোটাকৈ সাঁচি গছৰ পুলি ৰোপণ কৰি গছপুলি ৰোপণ কাৰ্যসূচীৰ শুভাৰম্ভ কৰে। উদ্বোধনী ভাষণত বিধায়ক ভাস্কৰজ্যোতি বৰুৱাই ভকত-বৈষ্ণৱসকলৰ সন্মুখত নামঘৰৰ মজিয়াত সমুদায় টাইলছ লগাই দিয়াৰ কথা ৰাজহুৱাকৈ ঘোষণা কৰে। তদুপৰি নমঘৰৰ চৌহদ বেৰা দিবলৈ এটা আঁচনি গ্ৰহণ কৰিব বুলিও ৰাইজক জনায়। গছপুলি ৰোপণ কাৰ্যসূচীৰ আঁত ধৰে সমাজকৰ্মী দিলীপ দত্তই। এই কাৰ্যসূচীতে মেলামাটিবাসী ৰাইজৰ শুভাকাংক্ষী তথা সমাজকৰ্মী বিৰিজ ৰতন গট্টানীয়ে নামঘৰত বিশুদ্ধ খোৱাপানী যোগানৰ ব্যৱস্থা কৰি দিয়াৰ কথা ৰাজহুৱাভাৱে ঘোষণা কৰে। উল্লেখ্য যে বিশিষ্ট ব্যৱসায়ী বিৰিজ ৰতন গট্টানীয়ে এই বছৰত ১৫টা স্থানত নামঘৰ আৰু শিক্ষানুষ্ঠানত পানী যোগান ব্যৱস্থা কৰি ৰাইজক উপকৃত কৰিছে। ৰাইজে তেওঁৰ সমাজৰ উন্নতিৰ কাৰণে গ্ৰহণ কৰা পদক্ষেপ আদৰণীয় বুলি অভিহিত কৰে। পালনামৰ লগত সংগতি ৰাখি নিশা স্থানীয় যুৱকসকলে ভাওনা প্ৰদৰ্শন কৰে।

## মহুৰামুখৰ বাসুদেৱ প্ৰাথমিক শাখাৰ নামঘৰত বাৰ্ষিক বৰসভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৪ জুন ঃ** বোকাখাত মহকুমাৰ মহুৰামুখত শ্ৰীমন্ত শংকৰদেৱ সঙঘৰ বোকাখাত জিলা শাখাৰ অন্তৰ্গত বাসুদেৱ প্ৰাথমিক শাখাৰ নামঘৰত দেওবাৰে ঐতিহ্য পৰম্পৰা ৰক্ষা কৰি বাৰ্ষিক বৰসভা অনুষ্ঠিত হয়। দেওবাৰে সহস্ৰাধিক ভকত-বৈষ্ণৱৰ উপস্থিতিত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত মহুৰামুখৰ বাসুদেৱ প্ৰাথমিক শাখাৰ নামঘৰৰ বাৰ্ষিক বৰসবাহ উপলক্ষে পুৱা প্ৰাতঃ প্ৰসংগ, খোল প্ৰসংগ, নাম-প্ৰসংগ, দিনৰ ২ বজাত কীৰ্তন পাঠ আৰু দিহানাম পৰিৱেশন কৰা হয় ।ইফালে এই বৰসভা কাৰ্যসূচীৰ লগত সংগতি ৰাখি অঞ্চলটোৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ ১৭গৰাকী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা-পত্ৰ, গামোচা আৰু শিক্ষণ সামগ্ৰীৰে সম্বৰ্ধনা জনায় বাসুদেৱ প্ৰাথমিক শাখাই। আনহাতে, বৰসভাৰ লগত সংগতি ৰাখি বৰদৈচিলা বিহু দলৰ শিল্পীসকলৰ সহযোগত যুৱ-প্ৰজন্মক আধ্যাত্মিক দিশত প্ৰভাৱান্বিত কৰিবৰ বাবে নিশালৈ শিল্পী মাধুৰ্য শইকীয়াৰ পৰিচালনাত মহাপুৰুষীয়া মাতৃভাষা নাট 'মুৰাৰী কৃষ্ণ বৰ্বৰিকৰ শিৰ দান' মঞ্চস্থ কৰে অঞ্চলটোৰ যুৱকসকলে। আনহাতে, মহাপুৰুষীয়া নাট ভাগ উদ্বোধন কৰে সমাজকৰ্মী আকাশ ফুকনে।

## ভূৰাগাঁৱত ছাত্ৰ নিৰুদ্দেশ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৪ জুন ঃ** মৰিগাঁও জিলাৰ ভূৰাগাঁও থানাৰ অন্তৰ্গত ভকুৱামাৰী পামত এজন ছাত্ৰ নিৰুদ্দেশ হোৱা ঘটনাই সমগ্ৰ অঞ্চলটোতে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। এসপ্তাহ ধৰি নিৰুদ্দেশ হৈ থকা ছাত্ৰজনৰ নাম লিটন বিশ্বাস। জানিব পৰা মতে, ভকুৱামাৰী পামৰ আনন্দ বিশ্বাস আৰু কাজল বিশ্বাসৰ ১১বছৰীয়া পুত্ৰ তথা ভকুৱামাৰী মধ্য ইংৰাজী বিদ্যালয়ৰ ষষ্ঠ মানৰ ছাত্ৰ লিটন বিশ্বাসে অন্য দিনাৰ দৰেই যোৱা ৬ জুনৰ দিনাও পুৱা বিদ্যালয়লৈ গৈছিল। পিছত আবেলি বিদ্যালয় ছুটী দিয়াত সকলো ছাত্ৰ-ছাত্ৰীয়ে ঘৰা ঘৰি গৈছিল যদিও লিটন বিশ্বাস ঘৰলৈ ঘূৰি যোৱা নাছিল। পিছত পৰিয়ালৰ লোকে বিভিন্ন ঠাইত বিচাৰি ফুৰিছে যদিও বৰ্তমানলৈকে ছাত্ৰজনৰ কোনো সন্ধান পোৱা নাই। ইফালে এই সন্দৰ্ভত ইতিমধ্যে ছাত্ৰজনৰ পিতৃয়ে ভূৰাগাঁও থানাত এখন এজাহাৰ দাখিল কৰিছে বুলি জানিব পৰা গৈছে। বিদ্যালয়লৈ যোৱা পিছৰে পৰা এসপ্তাহ ধৰি ছাত্ৰজন সন্ধানহীন হৈ থকাত এতিয়া পিতৃ-মাতৃৰ লগতে পৰিয়ালটোৰ লোক সকল চিন্তিত হৈ পৰিছে। সেয়েহে কোনো সদাশয় লোকে বিদ্যালয়ৰ সাজত থকা ছাত্ৰজনৰ সন্ধেদ পালে ৮৮২২৫১৬৯৬১ ম'বাইল নম্বৰত যোগাযোগ কৰিবলৈ পিতৃ-মাতৃয়ে অনুৰোধ জনাইছে।

### চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত জিপিচিয়ে কিয় বদলি হ'ব খুজিছে

## কাৰোবাৰ হেঁচা নে আন কিবা, ব্যাপক প্ৰতিক্ৰিয়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, পশ্চিম দৰং, ১৪ জুন ঃ** দৰঙৰ ছিপাঝাৰ উন্নয়ন খণ্ডৰ চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তত আজি মাত্ৰ কেইমাহমান আগতে নিকটৱৰ্তী গাঁও পঞ্চায়ত এখনৰ পৰা যোগদান কৰা জিপিচিগৰাকীয়ে পি এম গৃহ আঁচনিৰ কাম চলি থকাৰ মাজতে যেনে-তেনে চেঙেলীয়াঝাৰ গাঁও পঞ্চায়তৰ পৰা বদলি হৈ যোৱাৰ বাবে লৰা-ঢাপৰা আৰম্ভ কৰাত পঞ্চায়তৰ সচেতন লোকসকলৰ মাজত ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। জানিব পৰা মতে এগৰাকী নিকা আৰু সৎ কৰ্মচাৰী হিচাপে পৰিচিত অখিল শৰ্মা নামৰ জিপিচিগৰাকীয়ে পঞ্চায়তখনত নিজৰ দায়িত্ব, চৰকাৰী নীতি-নিয়ম বৰ্তাই কাম কৰি যোৱাত সচেতন লোকসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হয়। কোনো কাৰণতে কাৰো মুখৰ কথাত কাম নকৰি চৰকাৰী আঁচনিৰ নীতি-নিয়ম বৰ্তাই নিয়ম-নীতি অনুসৰি নিজৰ দায়িত্বৰ কামসমূহ কৰিবলৈ লোৱাত কোনো লোকৰ ভয়-ভাবুকি অথবা অন্য কিবা কাৰকে প্ৰভাৱিত কৰিছে নেকি? যাৰ বাবে নিকা ভাবমূৰ্তিসম্পন্ন কৰ্মচাৰীগৰাকীয়ে বদলি হৈ যাব বিচাৰিছে। বিষয়টো বিধায়কৰ কাণত কোবাইছে বুলি প্ৰকাশ। সচেতন লোকসকলে বিষয়টো গভীৰভাৱে গ্ৰহণ কৰি কৰ্মচাৰীগৰাকীক নিজৰ মতে চৰকাৰী কাম-কাজ কৰি যাবলৈ আহ্বান জনায় আৰু এইসকল লোক কৰ্মচাৰীগৰাকীৰ লগত সদায়ে থাকিব বুলি স্পষ্টভাৱে কৈছে। আনহাতে, সচিবগৰাকীয়েও পঞ্চায়তখনৰ পৰা যোৱাৰ ইচ্ছা প্ৰকাশ কৰা বুলি জানিব পৰা গৈছে যদিও সভানেত্ৰীগৰাকীৰ অনুৰোধত যাব পৰা নাই বুলি প্ৰকাশ। ইফালে কোনো লোকে অনিয়মেৰে পি এম গৃহ লাভ কৰিলেই চৰকাৰী ফোন নম্বৰ আৰু উপায়ুক্তক অভিযোগ দিবলৈ সাজু হৈ থকা বুলি প্ৰকাশ।

## অৰুণোদয় সাহিত্য চ'ৰাৰ সাহিত্য বৈঠক সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৪ জুন ঃ** সাহিত্যই এটা জাতিৰ ঐতিহ্য, সংস্কৃতি, পৰম্পৰা আৰু ভাষাক সঠিক ৰূপত তুলি ধৰিব পাৰে। প্ৰতিটো ভাষাৰ মাধ্যমেৰে যি সাহিত্য সৃষ্টি হয় সেই সাহিত্যৰ জৰিয়তে এটা জাতিৰ জাতীয় তথা পৰম্পৰাৰ লগত অতি সহজেই চিনাকি হ'ব পাৰি। সাহিত্য হ'ব লাগে এটা জাতিৰ দাপোণস্বৰূপ। কিন্তু দুৰ্ভাগ্যজনক কথা, বিগত এটা দশকত একাংশ নতুন লেখকে অসমীয়া সাহিত্যৰ গৌৰৱময় ঐতিহ্যক ধৰি ৰাখিব পৰা নাই। এইসকল নতুন লেখকৰ সাহিত্যৰ পৰা ক্ৰমান্বয়ে যেন হেৰাই যাবলৈ ধৰিছে নিভাঁজ অসমীয়া শব্দবোৰ। এইদৰে কয় ভাষা, সাহিত্য, সংস্কৃতিৰ চৰ্চা আৰু অনুশীলনৰ মুকলি মঞ্চ নগাঁৱৰ অৰুণোদয় সাহিত্য চ'ৰাৰ নিয়মীয়া সাহিত্য বৈঠকত সভাপতিত্ব কৰি মুৰুলী বৰুৱাই। কালি অসম হোমিঅ'পেথিক চিকিৎসা মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সাহিত্য বৈঠকখনত তেওঁ লগতে কয়— ৰাতিটোৰ ভিতৰতে সাহিত্যিক হ'ব বিচৰা একাংশ লোকে এতিয়া অসমীয়া সাহিত্যৰ মান বহু তললৈ লৈ গৈছে। সেইসকলৰ মাজত আকৌ একাংশই আনৰ লেখা চুৰি কৰিও বিখ্যাত হোৱাৰ প্ৰতিযোগিতাত নামি পৰা পৰিলক্ষিত হৈছে। বিশেষকৈ কবিতাৰ ক্ষেত্ৰখনত এই প্ৰৱণতা অধিক দেখিবলৈ পোৱা যায়। নিজস্ব ধাৰাৰে সৃষ্টিশীল সাহিত্য ৰচনা কৰিব পাৰিলেহে অসমীয়া সাহিত্যৰ ঐতিহ্য সদায় সজীৱ হৈ থাকিব। এইক্ষেত্ৰত নতুন লেখক-লেখিকাসকলে যথেষ্ট অধ্যয়ন কৰিব লাগিব। সম্পাদক আবুল হুছেইনে বিগত বৈঠকৰ প্ৰতিবেদন আৰু উদ্দেশ্য ব্যাখ্যা কৰাৰ পাছতেই কবি-সাহিত্যিক ৰিণি নেওগ বৰাই বিগত দুটা মাহৰ সাহিত্য পাঠৰ সমীক্ষা আগবঢ়ায়। বৈঠকত সাহিত্যিক মৃদু পৱন বৰা, জোনাকী বৰ্মন বৰা, মহেন্দ্ৰ হাজৰিকা, ডিম্বেশ্বৰ শইকীয়া, ৰিণি নেওগ বৰাকে লৈ কেইবাগৰাকী ন-পুৰণি লেখকে সাহিত্য পাঠ কৰে। সমীক্ষকৰ আসন অলংকৃত কৰে ৰাহুল দেৱ বৰদলৈয়ে।

## জামুগুৰিহাটত গাড়ী চুৰি

**দৈনন্দিন বাৰ্তাৰ সেৱা, জামুগুৰিহাট, ১৪ জুন ঃ** জামুগুৰিহাটত পুনৰ সক্ৰিয় হৈ পৰিছে গাড়ী চুৰি চক্ৰ। ৰবিবাৰে পুৱতি নিশা জামুগুৰিহাটৰ মাধৱ গাঁৱৰ ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰে অপৰাজিত বৰাৰ বাসগৃহৰ পৰা এখন স্কৰপিঅ' বাহন চুৰি কৰি নিয়ে। পুৱতি নিশা বৰষুণ দিয়াৰ সুযোগ গ্ৰহণ কৰিয়েই চোৰৰ দলটোৱে বগা ৰঙৰ এ এছ-12 এছ-2200 নম্বৰৰ এই চাৰিচকীয়া স্কৰপিঅ' গাড়ীখন চুৰি কৰি নিবলৈ সক্ষম হয়। গাড়ীখনতেই গাড়ীৰ নথি-পত্ৰৰ লগতে অন্যান্য প্ৰয়োজনীয় নথি-পত্ৰও আছিল। ইতিমধ্যে পৰিয়ালৰ লোকে চুৰিকাণ্ড সন্দৰ্ভত জামুগুৰি থানাত এজাহাৰ দাখিল কৰিছে। উল্লেখ্য যে পূৰ্বেও মাধৱগাঁৱৰে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষৰ এগৰাকী লোকৰ বাসগৃহৰ চোতালৰ পৰা গাড়ী চুৰি চক্ৰই এখন ট্ৰেভেলাৰ গাড়ী চুৰি কৰি নিছিল।

## শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ লিপিৰ কৰ্মশালা

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৪ জুন ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ আৰু চৰাইবাহী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ যৌথ উদ্যোগত 'মধ্যযুগীয় অসমীয়া লিপি : ঐতিহাসিক পটভূমি আৰু প্ৰয়োগিক দিশ' শীৰ্ষক ৰাজ্যিক পৰ্যায়ৰ এখন এদিনীয়া কৰ্মশালা অনুষ্ঠিত হয়। অনুষ্ঠানৰ মূল কাৰ্যসূচীৰ শুভাৰম্ভ কৰে চৰাইবাহী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমল চন্দ্ৰ নাথে। ইয়াৰ পাছতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ড° শ্যামলী দলৈয়ে বিশ্ববিদ্যালয় তথা অসমীয়া বিভাগৰ বিষয়ে এটি পৰিচয়মূলক বক্তব্য দাঙি ধৰে। মহাবিদ্যালয়খনৰ বিভিন্ন বিভাগৰ অধ্যাপকসকলৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া লিপি কৰ্মশালাখনত অংশগ্ৰহণ কৰে। উক্ত কৰ্মশালাখনত সমল ব্যক্তি হিচাপে উপস্থিত থাকে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ক্ৰমে ড° পাৰ্থপ্ৰতিম ফুকন আৰু ড° চন্দ্ৰ কমল চেতিয়া। ড° ফুকনে অসমীয়া লিপিগত ঐতিহ্যৰ লগতে অসমীয়া লিপিৰ স্বকীয়তাৰ বিষয়ে এটি তথ্যসমৃদ্ধ আলোচনা দাঙি ধৰাৰ লগতে ড° চেতিয়াই মধ্যযুগীয় অসমীয়া লিপিৰ লিপিগত বৈশিষ্ট্যৰ ভিত্তিত মধ্যযুগীয় অসমীয়া লিপিৰ লিখন পদ্ধতিৰ প্ৰায়োগিক দিশ তথা মধ্যযুগীয় অসমীয়া লিপিৰ পাঠোদ্ধাৰৰ দিশত প্ৰায়োগিকভাৱে অংশগ্ৰহণকাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে।




## নগাঁৱত মধ্যাহ্ন ভোজন কৰ্মচাৰীৰ অৱস্থান ধৰ্মঘট

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৪ জুন ঃ** আজি মধ্যাহ্ন ভোজন আঁচনিৰ কৰ্মচাৰীসকলে নগাঁৱত উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। সদৌ অসম মধ্যাহ্ন ভোজন কৰ্মচাৰী ইউনিয়নৰ নগাঁও জিলা সমিতিৰ উদ্যোগত জিলাখনৰ মধ্যাহ্ন ভোজন আঁচনিৰ কৰ্মচাৰীসকলে এই প্ৰতিবাদ সাব্যস্ত কৰে। মধ্যাহ্ন ভোজন আঁচনি ব্যক্তিগতকৰণৰ বিৰুদ্ধে আৰু পাঁচ মাহৰ বকেয়া মাননি আদায়ৰ দাবীত কৰ্মচাৰীসকলে এই কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে মধ্যাহ্ন ভোজন আঁচনি ব্যক্তিগতকৰণ বাতিল কৰক, প্ৰাপ্য বকেয়া আদায় দিয়ক, মধ্যাহ্ন ভোজন আঁচনিৰ কৰ্মচাৰীৰ চাকৰি নিয়মীয়া কৰক আদি বিভিন্ন ধ্বনি দি উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। প্ৰতিবাদকাৰীসকলে নগাঁও চহৰৰ মতিৰাম বৰা উদ্যানৰ সন্মুখত অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰাৰ অন্তত সমদল কৰি আহি উপায়ুক্তৰ কাৰ্যালয়লৰ সন্মুখত ধৰ্ণা দিয়ে। ইয়াতো প্ৰতিবাদকাৰীসকলে বিভিন্ন ধ্বনি দি উত্তাল পৰিৱেশৰ সৃষ্টি কৰে।

## নগাঁৱত যুৱ-ছাত্ৰ পৰিষদৰ দ্বি-বাৰ্ষিক অধিৱেশনৰ প্ৰস্তুতি

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৪ জুন ঃ** অসমৰ অৰাজনৈতিক সংগঠন অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ নগাঁও জিলা সমিতিৰ একবিশতিতম্ দ্বি-বাৰ্ষিক অধিৱেশনখন পুৰণিগুদাম আঞ্চলিক সমিতিৰ আমন্ত্ৰণ মৰ্মে ২৬ জুন তাৰিখে পুৰণিগুদামস্থিত ঐতিহ্যমণ্ডিত বাপুজী ভৱন আৰু পুথিভঁৰালৰ খেলপথাৰত এদিনীয়াকৈ আয়োজন কৰা হৈছে বুলি পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি দীপমণি বড়া আৰু সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বণিয়াই এক বিবৃতিযোগে জনায়। নগাঁও জিলা সমিতিৰ একবিশতিতম্ দ্বি-বাৰ্ষিক অধিৱেশনখন সফল আয়োজনৰ হেতুকে পুৰণিগুদামৰ সৰবৰহী ব্যক্তি ফণীন্দ্ৰ নাথ গায়নক সভাপতি আৰু কাৰ্যকৰী সভাপতি হিচাপে ওৱাচিফ আলমৰ লগতে প্ৰাণকৃষ্ণ ডেকাক সাধাৰণ সম্পাদক হিচাপে লৈ এখন আদৰণী সমিতি গঠন কৰা হয়। এদিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজিত অধিৱেশনৰ কাৰ্যসূচী অনুযায়ী পুৱা অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পতাকা উত্তোলন, শ্বহীদ তৰ্পণ আৰু সতীৰ্থ স্মৰণ কাৰ্যসূচী সমাপন কৰিব কেন্দ্ৰীয় সমিতিৰ উপ-সভাপতি প্ৰদীপ শইকীয়াই। লগতে পুৰণিগুদামত জন্মগ্ৰহণ কৰা অসমৰ পুৰোধা ব্যক্তিসকলৰ কৰ্মৰাজি তথা অৱদানক সুঁৱৰিব কেন্দ্ৰীয় সমিতিৰ প্ৰচাৰ সম্পাদক প্ৰবীণ চন্দ্ৰ দাসে।পৰিৱেশৰ লগত সংগতি ৰাখি অধিৱেশনখনৰ স্মৃতিচিহ্ন স্বৰূপে বাপুজী ভৱন চৌহদত গছপুলি ৰোপণ কৰিব বাপুজী ভৱন আৰু পুথিভঁৰাল পৰিচালনা সমিতিৰ সভাপতি পুলিন হাজৰিকাই। নগাঁৱৰ বিভিন্ন প্ৰান্তত অৱস্থিত আঞ্চলিক সমিতিসমূহৰ হাজাৰৰো অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিবলগীয়া প্ৰতিনিধি সভাখন উদ্বোধন কৰিব পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি ৰাণাপ্ৰতাপ বৰুৱাই। অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ উপদেষ্টা পৰিষদৰ পৰা বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকিব পুলক বৰা। দুখনকৈ বৈঠকেৰে সমাপন হ'বলগীয়া প্ৰতিনিধি সভাৰ অন্তত ২০২২-২০২৪ বৰ্ষৰ নতুন নগাঁও জিলা সমিতি গঠনৰ উদ্দেশ্যে বিষয়-বাছনি সভা অনুষ্ঠিত হ'ব। সন্ধিয়া কাৰ্যসূচী অনুসৰি বন্তি প্ৰজ্বলন কৰা হ'ব। প্ৰজ্বলন কৰিব পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ কাৰ্যনিৰ্বাহক মুকুট চন্দ্ৰ বৰাই। নিশা আমন্ত্ৰিত শিল্পীৰ দ্বাৰা সংগীতানুষ্ঠান অনুষ্ঠিত কৰা হৈছে বুলি বিবৃতিটোত জানিবলৈ দিছে। সংগীতানুষ্ঠানত উপস্থিত থাকিব অসমৰ যুৱ-প্ৰজন্মৰ জনপ্ৰিয় কণ্ঠশিল্পী দীক্ষু শৰ্মাৰ লগতে নগাঁৱৰ উদীয়মান কণ্ঠশিল্পী সপ্তৰ্ষী বৰা, পাৰ্থজ্যোতি শইকীয়া আৰু শ্ৰীমন্ত শংকৰ মিছন অন্ধ বিদ্যালয়ৰ ছাত্ৰ দিগন্ত নাথ। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ সাধাৰণ সম্পাদক পলাশ চাংমায়ে। অনুষ্ঠানটি সফল ৰূপায়ণৰ বাবে সমূহ ৰাইজৰ সহায়-সহযোগিতা কামনা কৰিছে পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি দীপমণি বড়া, সাধাৰণ সম্পাদক প্ৰাগজ্যোতিষ বণিয়া আৰু অভ্যৰ্থনা সমিতিৰ সভাপতি ফণীন্দ্ৰ নাথ গায়ন, কাৰ্যকৰী সভাপতি ওৱাছিফ আলম, সাধাৰণ সম্পাদক প্ৰাণকৃষ্ণ ডেকাই।

# এটি অংগনৱাড়ী কেন্দ্ৰই উদঙাইছে সমাজ কল্যাণ বিভাগৰ প্ৰকৃত ছবি

## ■ ভাড়াঘৰত চলিছে অংগনৱাড়ী কেন্দ্ৰ
## ■ কৰ্মীয়ে মাননিৰ পৰা দি আহিছে ভাড়া

**দৈনন্দিন বাৰ্তাৰ সেৱা, টীয়ক, ১৪ জুন ঃ** নিতৌ ন ন আঁচনি গ্ৰহণ কৰা মন্ত্ৰী অজন্তা নেওগৰ সমাজ কল্যাণ বিভাগত এতিয়া চলিছে চৰম অৰাজকতা। টীয়কৰ এটি অংগনৱাড়ী কেন্দ্ৰই উদঙাইছে বিভাগটোৰ প্ৰকৃত ছবি। শিশুৰ শাৰীৰিক, বৌদ্ধিক আৰু মানসিক বিকাশৰ লগতে গৰ্ভৱতী, প্ৰসূতি মাতৃ, শাৰীৰিকভাৱে সক্ষম লোকৰ লগতে বিভিন্ন সেৱাত জড়িত বিভাগটোৰ এই অংগনৱাড়ী কেন্দ্ৰটোৰ ছবি দেখিলেই আপুনি অনুভৱ কৰিব পাৰিব চৰকাৰখনৰ কথা আৰু কামৰ কিমান প্ৰভেদ। শেহতীয়াকৈ চৰকাৰে প্ৰতিখন জিলাতে আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ বাবে আঁচনি গ্ৰহণ কৰিছে। এটি আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ বাবে ২৫ লাখকৈ টকা আবণ্টন দিছে। ইতিমধ্যে যোৰহাট জিলাৰ কলিয়াপানী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অধীনত কেইবাটাও আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিছে স্থানীয় বিধায়িকাগৰাকীয়ে। ইয়াৰ মাজতে কলিয়াপানী সংহত শিশু উন্নয়ন প্ৰকল্পৰ অন্তৰ্গত মাহাৰা মুছলিম গাঁও অংগনৱাড়ী কেন্দ্ৰৰ কদৰ্য পৰিৱেশে সকলোৰে চকু কপালত তুলিছে। বৃহত্তৰ অঞ্চলটোৰ শিশুৱে প্ৰাক্-প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিবলগীয়া এই কেন্দ্ৰটোত নাই শিক্ষাৰ পৰিৱেশ। পৰিতাপৰ কথা যে কেন্দ্ৰটো প্ৰতিষ্ঠা কালৰে পৰা এটি ভাড়াঘৰত চলি আহিছে আৰু সেই ভাড়া বহন কৰি আহিছে কেন্দ্ৰটোৰ কৰ্মী-সহায়িকাই । কিন্তু আজি পৰ্যন্ত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই বিভাগটোৱে। লক্ষণীয় যে কৰ্মী-সহায়িকাই মাহেকত লাভ কৰা নামমাত্ৰ মাননিৰ পৰা ঘৰটোৰ ভাড়া হিচাপে দি আহিছে ৭০০ টকাকৈ। শেহতীয়াকৈ সহায়িকাগৰাকীয়ে অব্যাহতি লোৱাত এতিয়া কৰ্মীগৰাকীয়ে অকলে দিব লগা হৈছে ঘৰটোৰ ভাড়া। ফলত মাহেকত মাত্ৰ ৬,৫০০ টকাকৈ লাভ কৰা



মাননিৰ পৰা ৭০০ টকা কেন্দ্ৰৰ ভাড়া দিবলৈ অপাৰগ হৈছে কৰ্মীগৰাকী। ইফালে এই অংগনৱাড়ী কেন্দ্ৰটোৰ কাষতেই আছে ৩৫ নং মুদৈজান নিম্ন বুনিয়াদী বিদ্যালয়। বিভিন্ন সময়ত বহু আবেদন-নিবেদন কৰাৰ পিছতো উক্ত বিদ্যালয়খনলৈ কেন্দ্ৰটো স্থানান্তৰ কৰিবলৈ দিয়া নাই একাংশ লোকে। বিদ্যালয়খনত যথেষ্ট স্থান থকাৰ পিছতো কিয় অংগনৱাড়ী কেন্দ্ৰটো নিবলৈ দিয়া নাই সেয়াও ৰহস্যৰ বিষয়। এই ক্ষেত্ৰত বিহিত ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে স্থানীয় ৰাইজে।



## অনিন্দিতা লইঙলৈ বিনীতা বড়ি সোঁৱৰণী শৈক্ষিক বঁটা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৪ জুন ঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাত বোকাখাত বিধানসভা সমষ্টিৰ ৰঙামাটি মৌজাৰ বানাক্ৰান্ত নামটেমেৰা গাঁৱৰ ভিতৰত সৰ্বাধিক নম্বৰ পাওঁতা পৰীক্ষাৰ্থী গৰাকীক নামটেমেৰা গাঁৱৰ সন্তান, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক সুৰেন বড়িয়ে তেওঁৰ মাতৃৰ স্মৃতিত বিনীতা বড়ি সোঁৱৰণী শৈক্ষিক বঁটা প্ৰদান কৰি আহিছে । এই বছৰ উক্ত বঁটাৰ বাবে লীলাধৰ লইং আৰু ৰূপাঞ্জলী লইঙৰ কন্যা অনিন্দিতা লইং নিৰ্বাচিত হৈছে । সদ্য ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত অনিন্দিতাই অসমীয়াত ৮৯, ইংৰাজীত ৮২, সাধাৰণ গণিতত ৯৪, সাধাৰণ বিজ্ঞানত ৮৭, সমাজ বিজ্ঞানত ৮৫ আৰু ঐচ্ছিক গণিতত ৮৪ নম্বৰেৰে ছয়টা বিষয়ত লেটাৰ নম্বৰ লৈ মুঠ ৫২১ নম্বৰ লাভ কৰি মেলেং প্ৰাদেশীকৃত হাইস্কুলৰ পৰা ডিষ্টিংশ্যন লৈ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে।

## কানৈ মহাবিদ্যালয়ক অসম পৰিষ্কাৰ মহাবিদ্যালয়ৰ সন্মান ডিব্ৰুগড় নাগৰিক মঞ্চৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মৰাণ, ১৪ জুন ঃ** কেন্দ্ৰীয় চৰকাৰৰ খোৱাপানী আৰু স্বচ্ছতা মন্ত্ৰালয়ৰ তৰফৰ পৰা দেশৰ ভিতৰতে স্বচ্ছতাৰ দ্বিতীয় ৰাষ্ট্ৰীয় স্বচ্ছ ভাৰত পুৰস্কাৰ-২০১৭, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ যুৱ মহোৎসৱত দুবাৰকৈ শ্ৰেষ্ঠ শৃংখলাবদ্ধ মহাবিদ্যালয়ৰ সন্মান, ডিব্ৰুগড় জিলা প্ৰশাসনে ২০১৮ চনত ডিব্ৰুগড় স্বচ্ছতা পুৰস্কাৰকে ধৰি বিভিন্ন দল-সংগঠনে ডি এইচ এছ কানৈ মহাবিদ্যালয়ক সন্মানিত কৰাৰ পাছত ঐতিহ্যপূৰ্ণ ডিব্ৰুগড় নাগৰিক মঞ্চই অসমৰ পৰিষ্কাৰ মহাবিদ্যালয় সন্মানেৰে সন্মানীত প্ৰদান কৰিব। ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস ১৫ জুনত অনুষ্ঠিত হ'বলগীয়া সভাত এই সন্মান প্ৰদান কৰিব। উল্লেখ্য যে প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি ডিব্ৰুগড় হনুমানবক্স সূৰজমল কানৈ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক উপাধ্যক্ষ ডঃ লক্ষ্মী প্ৰসাদ দত্তৰ সোঁৱৰণত এক বক্তৃতানুষ্ঠানৰ আয়োজন কৰিছে। বক্তৃতানুষ্ঠানটিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য, শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ বৰ্তমানৰ উপাচাৰ্য ডঞ্জ মুকুল হাজৰিকাই ''The future of Innovation and Need of Redefining Higher Education শীৰ্ষক বিষয়ৰ ওপৰত বক্তৃতা প্ৰদান কৰিব । অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ডঃ লীলাকান্ত নাথ আৰু বক্তৃতানুষ্ঠানটি উদ্বোধন কৰিব গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাণী বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক, স্নেহবন্ধনৰ কাৰ্যকৰী সভাপতি ডঃ যোগেন চন্দ্ৰ কলিতাই। অনুষ্ঠানৰ লগত সংগতি ৰাখি বিগত বৰ্ষৰ দৰে এই বছৰো মহাবিদ্যালয়খনৰ কলা শাখাৰ স্নাতক চূড়ান্ত পৰীক্ষাত সৰ্বোচ্চ নম্বৰ লাভ কৰা দুগৰাকী ছাত্ৰী ক্ৰমে ২০১৯-২০ বৰ্ষৰ পৰিস্মৃতা গগৈ (ভূগোল বিভাগ) আৰু ২০২০-২১ বৰ্ষৰ এনিশা দত্ত (ভূগোল বিভাগ)ক ডঃ লক্ষ্মী প্ৰসাদ দত্ত সোঁৱৰণী স্মাৰক বঁটা প্ৰদান কৰিব। উল্লেখ্য যে ৭৮ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন সমিতিৰ সমূহ বিষয়ববীয়াই উক্ত প্ৰতিষ্ঠা দিৱসৰ সমূহ কাৰ্যসূচীত মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীৰ লগতে মহাবিদ্যালয়ৰ সমূহ শুভাকাংক্ষী ৰাইজৰ উপস্থিতি কামনা কৰিছে।

### প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ নামত ধন সংগ্ৰহ

## খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত অভিযোগ

**দৈনন্দিন বাৰ্তাৰ সেৱা, খাৰুপেটীয়া, ১৪ জুন ঃ** মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে দুৰ্নীতিৰ বিৰুদ্ধে তৎপৰ হ'লেও কাকো কেৰেপ নকৰি কল্যাণ গাঁও পঞ্চায়তত প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ নামত চলাই আছে ব্যাপক লুণ্ঠন। দৰিদ্ৰ হিতাধিকাৰীৰ পৰা প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ গৃহৰ নামত সংগ্ৰহ কৰিছে ধন। গাঁও পঞ্চায়তখনৰ অন্তৰ্গত কছাৰীপাৰা জঙ্গল গাঁৱৰ ৱাৰ্ড সদস্য নুৰ আমিনে সংগ্ৰহ কৰিছে ধন। স্থানীয় ৰাইজৰ অভিযোগ মতে কছাৰীপাৰা জঙ্গল গাঁৱৰ ৱাৰ্ড সদস্য নুৰ আমিনে প্ৰধানমন্ত্ৰী আৱাস যোজনা আঁচনিৰ গৃহৰ নামত দৰিদ্ৰ হিতাধিকাৰীৰ পৰা পাছ হাজাৰকৈ টকা দাবী কৰাৰ অভিযোগ উত্থাপিত হৈছে। আনহাতে পঞ্চায়ত সদস্য জনে ঘৰৰ জিঅ'টেগ কৰা আৰু অনলাইন খৰচৰ বাবত প্ৰতিটো পৰিয়ালৰ পৰা ৫০০ টকা আৰু ১০০কৈ টকা সংগ্ৰহ কৰাৰ অভিযোগ। তাৎপৰ্যপূৰ্ণ কথা হ'ল, গাঁওখনত থকা ৪০টা অসমীয়া পৰিয়ালৰ এটায়ো নাপালে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ। সিহঁতে অসমীয়া হিন্দু সম্প্ৰদায়ৰ হোৱাৰ লগতে টকা দিব নোৱাৰাৰ বাবেই হিংসামূলকভাৱেই প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ আঁচনিৰ বাছনি তালিকাৰ পৰা বঞ্চিত কৰিছে ৱাৰ্ড সদস্য নুৰ আমিনে । আনহাতে দুৰ্নীতিগ্ৰস্থ ৱাৰ্ড সদস্য নুৰ আমিনে মোটা অংকৰ ধনৰ বিনিময়ত পকা ঘৰ-বাৰী, গাড়ী-মটৰ থকা লোকৰ লগতে ধনবান ব্যক্তিৰ নাম বাচনি কৰি প্ৰথম পৰ্যায়ৰ তালিকাত অন্তৰ্ভুক্ত কৰাত বঞ্চিত হিতাধিকাৰীয়ে দলগাঁও শিয়ালমাৰী খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয়ত এখন লিখিত অভিযোগ দাখিল কৰে। মোটা অংকৰ ধনৰ বিনিময়ত দৰিদ্ৰ হিতাধিকাৰীক বঞ্চিত কৰি ধনী শ্ৰেণীৰ লোকৰ নামত আবণ্টন দিয়া পঞ্চায়ত সদস্য নুৰ আমিনৰ এনে নিকৃষ্ট মানসিকতাৰ বাবেই ধিক্কাৰ জনাইছে সচেতন মহলে। এতিয়া প্ৰশ্ন হয়— প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ নামত ধন সংগ্ৰহ কৰা দুৰ্নীতিগ্ৰস্ত ৱাৰ্ড সদস্যজনৰ বিৰুদ্ধে জিলা প্ৰশাসনে কি ব্যৱস্থা গ্ৰহণ কৰে সেয়া হ'ব লক্ষ্ণীয়।

## চিন্ময় ডেকা'লৈ 'পাহি' সাহিত্য অনুৰাগ বঁটা-২০২২

**দৈনন্দিন বাৰ্তাৰ সেৱা, টংলা, ১৪ জুন ঃ** দৰং জিলাৰ প্ৰিমিয়াৰ একাডেমীৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীৰ যৌথ প্ৰচেষ্টাত অসমীয়া সাহিত্যজগতৰ ভঁৰাল চহকী কৰাৰ প্ৰতিজ্ঞাৰে যুৱসমাজত নতুন কবি-সাহিত্যিক সৃষ্টিৰ লক্ষ্যৰে ২০২১ বৰ্ষৰ ৭ জুনত প্ৰতিষ্ঠা লাভ কৰা 'পাহি' অসমীয়া ই-আলোচনীৰ প্ৰথম বৰ্ষপূৰ্তি অনুষ্ঠানটি মঙলদৈস্থিত প্ৰিমিয়াৰ একাডেমী, মঙ্গলদৈত উলহ-মালহেৰে উদ্‌যাপন কৰা হয়। উক্ত সভাত সমাজকৰ্মী তথা প্ৰিমিয়াৰ একাডেমী পৰিচালনা সমিতিৰ সম্পাদক মদন কুমাৰ দেৱে সভাপতিত্ব কৰা অনুষ্ঠানৰ আঁত ধৰে পাহিৰ সহযোগী সম্পাদক জিন্টু দলৈয়ে। উক্ত অনুষ্ঠানত টংলাৰ যুৱ লেখক তথা সাংবাদিক চিন্ময় ডেকাক 'পাহি সাহিত্য অনুৰাগ বঁটা-২০২২' প্ৰদান কৰে। উক্ত বঁটাত একোটি জাপি, অসমীয়াৰ আৱেগ এখনি ফুলাম গামোচা, বস্ত্ৰ, মানপত্ৰসহ ডঃ কমলেশ্বৰ নাথদেৱৰ গ্ৰন্থৰে সম্বৰ্ধনা প্ৰদান কৰে। অন্যহাতে ছিপাঝাৰ নিবাসী তথা যুৱ লেখিকা দীপশিখা দেৱীলৈ 'পাহি সাহিত্য সুৰভি বঁটা-২০২২', ডাঁহী নগাঁৱৰ যুৱ কবি মানসজ্যোতি ডেকাক 'পাহি সাহিত্য সৌৰভ বঁটা-২০২২', লখিমপুৰ জিলাৰ যুৱ লেখক জিন্টু নাথক 'পাহি যুৱ সাহিত্যিক বঁটা-২০২২' প্ৰদান কৰে। উপস্থিত থাকে প্ৰিমিয়াৰ একাডেমীৰ সঞ্চালক ভূপেন ডেকা, ডাঁহী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী বন্তি দেৱী, সদৌ অসম ছাত্ৰ সন্থাৰ মংগলদৈৰ উপসভাপতি অজয় শইকীয়া, ভাৰপ্ৰাপ্ত সাধাৰণ সম্পাদক চাহিল চুফী আলম, লগতে প্ৰিমিয়াৰ একাডেমীৰ শিক্ষয়িত্ৰী উদ্দীপ্তা শৰ্মা, দুলুমণি দেৱী, মণিময় শৰ্মা, বন্দনা নাথ, পাহিৰ সহযোগী সম্পাদক আমিনা বেগম, ববিতা দলৈকে প্ৰমুখ্য কৰি আলোচনীখনৰ মুখ্য সম্পাদক হৃষীকেশ ডেকাই পাহিৰ সফলতাৰ আঁৰৰ ব্যক্তিসকলক কৃতজ্ঞতা জনায়।



## লাহৰীঘাটৰ কছাৰীবড়ী কনিষ্ঠ মহাবিদ্যালয়ত কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ভূৰাগাঁও, ১৪ জুন ঃ** আজি মৰিগাঁও জিলাৰ লাহৰীঘাটৰ কছাৰীবড়ীত ছানৰাইজ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুল তথা কনিষ্ঠ মহাবিদ্যালয়ত সদ্যঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ৪খন বিদ্যালয়ৰ কৃতী ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে এখন এখনকৈ ফুলাম গামোচাৰে সম্বৰ্ধনা জনোৱা হয়। সম্বৰ্ধনা অনুষ্ঠানটি সঞ্চালন কৰে দাতিয়ালবড়ী বানাত মাদ্ৰাছা পৰিচালনা সমিতিৰ সভাপতি ক্বাৰী নুৰ মোহাম্মদে। সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে অধ্যক্ষ তাগবিনুল হুছেইনে। সম্বৰ্ধনা অনুষ্ঠানৰ আঁত ধৰে বিষয় শিক্ষক গুলজাৰ হুছেইনে। সম্বৰ্ধনা অনুষ্ঠানত আমন্ত্ৰিত অতিথি হিচাপে লেংড়ীবৰি মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক নুৰ হুছেইন, দেৱাগুৰি উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহ-শিক্ষক আব্দুল গনি, সমাজসেৱক গুলজাৰ হুছেইন, লোচনাবৰী প্ৰি ছিনিয়ৰ মাদ্ৰাছাৰ সহ-শিক্ষক বদৰুল ইছলামে উপস্থিত থাকি মূল্যৱান বক্তব্য ৰাখে। উল্লেখ্য যে ২০১৭ চনত স্থাপিত হোৱা কছাৰীবড়ী কনিষ্ঠ মহাবিদ্যালয়খনত সম্প্ৰতি অধ্যক্ষসহ মুঠ ১২ জন বিষয় শিক্ষক গোটে পাঠদান সম্পন্ন কৰি আছে। লক্ষণীয় বিষয় হ'ল এই যে কনিষ্ঠ মহাবিদ্যালয়খন স্থাপন হোৱাৰ ফলত স্থানীয় ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিশেষ সুবিধা হোৱা পৰিলক্ষিত হয়। শৈক্ষিক সুখবৰ এইটো যে এই বছৰৰ পৰা কছাৰীবড়ী ছানৰাইজ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলত উচ্চতৰ মাধ্যমিক শ্ৰেণীৰ বাবে বাণিজ্য শাখাও অন্তৰ্ভুক্ত কৰা হ'ব বুলি পৰিচালনা সমিতিয়ে জনাইছে।

## মধ্যযুগীয় অসমীয়া লিপি সম্পৰ্কীয় কৰ্মশালা সম্পন্ন

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগাঁও, ১৪ জুন ঃ** মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগ আৰু মৰিগাঁৱৰ চৰাইবাহী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ যৌথ উদ্যোগত 'মধ্যযুগীয় অসমীয়া লিপি : ঐতিহাসিক পটভূমি আৰু প্ৰায়োগিক দিশ' শীৰ্ষক ৰাজ্যিক পৰ্যায়ৰ এখনি এদিনীয়া কৰ্মশালা কালি সফলতাৰে সমাপন হৈ যায়। সাৱলীল বক্তব্যৰে অনুষ্ঠানটিৰ মূল কাৰ্যসূচীৰ শুভাৰম্ভ কৰে চৰাইবাহী মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ ডঃ কমল চন্দ্ৰ নাথে । ইয়াৰ পাছতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপিকা ডঃ শ্যামলী দলৈয়ে বিশ্ববিদ্যালয় তথা অসমীয়া বিভাগৰ বিষয়ে এটি পৰিচয়মূলক বক্তব্য দাঙি ধৰে। মহাবিদ্যালয়খনৰ বিভিন্ন বিভাগৰ সন্মানীয় অধ্যাপকসকলৰ লগতে শতাধিক ছাত্ৰ-ছাত্ৰীয়ে অসমীয়া লিপি সম্পৰ্কীয় কৰ্মশালাখনিত অংশগ্ৰহণ কৰে। উক্ত কৰ্মশালাখনিত সমল ব্যক্তি হিচাপে উপস্থিত থাকে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহকাৰী অধ্যাপকদ্বয় ক্ৰমে ডঃ পাৰ্থপ্ৰতিম ফুকন আৰু ডঃ চন্দ্ৰ কমল চেতিয়াই । ডঃ ফুকনে অসমীয়া লিপিগত ঐতিহ্যৰ লগতে অসমীয়া লিপিৰ স্বকীয়তাৰ বিষয়ে এটি তথ্যসমৃদ্ধ আলোচনা দাঙি ধৰাৰ লগতে ডঃ চেতিয়াই মধ্যযুগীয় অসমীয়া লিপিৰ লিপিগত বৈশিষ্ট্যৰ ভিত্তিত মধ্যযুগীয় অসমীয়া লিপিৰ লিখন পদ্ধতিৰ প্ৰায়োগিক দিশ তথা মধ্যযুগীয় অসমীয়া লিপিৰ পাঠোদ্ধাৰৰ দিশত প্ৰায়োগিকভাৱে অংশগ্ৰহণকাৰীসকলক প্ৰশিক্ষণ প্ৰদান কৰে। উক্ত কৰ্মশালাখনিৰ সমন্বয়কৰ দায়িত্ব পালন কৰে ক্ৰমে ডঃ শ্যামলী দলৈ, জয়দেৱ শৰ্মা, ডঃ বন্দনা বৰুৱা, গীতাঞ্জলি খাটনিয়াৰ আৰু ডঃ জুমি বৰুৱাই।

## দেৰগাঁৱত খগেন মহন্তৰ মৃত্যু তিথি পালন

**দৈনন্দিন বাৰ্তাৰ সেৱা, দেৰগাঁও, ১৪ জুন ঃ** দেৰগাঁৱৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান বহ্নিমান সাংস্কৃতিক মঞ্চৰ উদ্যোগত দেৰগাঁৱৰ লোক নিৰ্মাণ কাৰ্যালয়ৰ বাকৰিত ১২ জুনত স্বনামধন্য শিল্পী খগেন মহন্তৰ মৃত্যু তিথি পালন কৰা হয়। এই উপলক্ষে বহ্নিমান সাংস্কৃতিক মঞ্চৰ সভাপতি ৰাজু গগৈৰ সভাপতিত্বত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আৰম্ভণিত শিল্পীগৰাকীৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে প্ৰবীণ শিল্পী বাসৱ বৰবৰাই। ইয়াৰ পাছতেই সংগীত শিল্পী জীৱন দাস আৰু সংগীসকলে পৰিৱেশন কৰে সমৱেত সংগীত। মঞ্চৰ সম্পাদিকা গায়ত্ৰী দেৱীয়ে আঁত ধৰা অনুষ্ঠানটিত শিল্পীগৰাকীৰ জীৱনৰ ওপৰত আলোকপাত কৰি বক্তব্য আগবঢ়ায় মঞ্চৰ প্ৰচাৰ সম্পাদিকা প্ৰিয়ংকা বৰাই। জ্যোৎস্না শৰ্মা, ৰূপা দত্ত, নিৰ্মালি হাজৰিকা, আইচেংফা গগৈ, প্ৰিয়ংকা বৰা প্ৰমুখ্যে কেইবাগৰাকীও শিল্পীয়ে স্বনামধন্য শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই অনুষ্ঠানত গীত পৰিৱেশন কৰে। অনুষ্ঠানটিৰ শলাগৰ শৰাই আগবঢ়ায় ৰিঞ্জু হাজৰিকাই।



## ধুবুৰীত ৰন্ধন কৰ্মচাৰীসকলৰ বিক্ষোভ কাৰ্যসূচী

**দৈনন্দিন বাৰ্তাৰ সেৱা, ধুবুৰী, ১৪ জুন ঃ** অসমৰ বিভিন্ন প্ৰান্তৰ লগতে ধুবুৰীত ১৩ জুন, সোমবাৰ, ২০২২ত ধুবুৰীতো ডি আই অফিচৰ সন্মুখত বিক্ষোভ কাৰ্যসূচী পালন কৰা হয়। ৰাইজৰ সহযোগিতা আৰু ৰন্ধন কৰ্মচাৰীসকলৰ উপস্থিতিত সমগ্ৰ ৰাজ্যৰ লগতে ধুবুৰীতো বেয়া বতৰকো উপেক্ষা কৰি শতাধিক ৰন্ধন কৰ্মচাৰীয়ে ডি আই অফিচৰ সন্মুখত বিক্ষোভ কাৰ্যসূচী পালন কৰি স্মাৰক-পত্ৰ দিয়ে। ২০২২ চনৰ পাঁচ মাহ উকলি যোৱাৰ পিছতো ৰন্ধন কৰ্মীৰ মাননি দিয়া নাই। স্মাৰক-পত্ৰত জুন মাহৰ ভিতৰত সম্পূৰ্ণ বকেয়া মাননিৰ ধন আদায় দিবলৈ, নিয়মীয়াকৈ মাননি দিবলৈ আৰু নিম্নতম মজুৰি আইনমতে মাননি বৃদ্ধিৰ দাবী জনোৱা হয়। তাৰ লগতে স্মাৰক-পত্ৰত আঁচনি ব্যক্তিগতকৰণৰ সিদ্ধান্ত বাতিলৰ দাবীও উত্থাপন কৰা হয়।

## ধুবুৰীৰ মাটিফাটা কৃত্ৰিম বানৰ কবলত ক্ষতিগ্ৰস্ত অঞ্চলটোৰ বহু পৰিয়াল

**দৈনন্দিন বাৰ্তাৰ বিশেষ সেৱা, ধুবুৰী, ১৪ জুন ঃ** ধুবুৰী জিলাৰ মাটিফাটা অঞ্চলত কেইবা দিন ধৰি ধাৰাসাৰ বৰষুণৰ ফলত বিভিন্ন ঠাইত সৃষ্টি হৈছে কৃত্ৰিম বানৰ । বৰষুণৰ ফলত বুৰ গৈছে বহু লোকৰ কৃষিভূমি । বহু লোকৰ ঘৰৰ চোতালত সোমাইছে পানী । সৃষ্টি হৈছে কৃত্ৰিম বানৰ। পানীয়ে ঘৰৰ চোতাল বুৰাই পেলোৱাত বিপৰ্যস্ত হৈ পৰিছে জনজীৱন। বৰষুণৰ ফলত বহু শিক্ষানুষ্ঠান প্লাৱিত হোৱাত একাঁঠু পানী গচকি কৰিব লগা হৈছে অহা-যোৱা । বাউশকাটা প্ৰজাবন্ধু হাই স্কুলৰ চৌহদত কৃত্ৰিম বানৰ সৃষ্টি হোৱাত সৃষ্টি হৈছে সমস্যাৰ। ব্ৰহ্মপুত্ৰৰ গৰাখহনীয়াত জুৰুলা বিদ্যালয়খনৰ আন্তঃগাঁথনিৰ অভাৱত জটিল সমস্যাৰ সৃষ্টি হৈছে।

## মহুৰামুখত চৰকাৰী এনপিএছ কৰ্মচাৰী সংস্থাৰ সভা

**দৈনন্দিন বাৰ্তাৰ সেৱা, মহুৰামুখ, ১৪ জুন ঃ** সদৌ অসম চৰকাৰী এন পি এছ কৰ্মচাৰী সংস্থাৰ বোকাখাত আঞ্চলিক সমিতিৰ এখনি সজাগতা সভা অলপতে মহুৰামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। সভাপতি ডঃ দিলীপ বৰাৰ পৌৰোহিত্যত অনুষ্ঠিত সভাত বিশিষ্ট অতিথি হিচাবে অংশগ্ৰহণ কৰে মহুৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ভাৰপ্ৰাপ্ত অধ্যক্ষ পৰাগজ্যোতি ফুকন, এন পি এছ কৰ্মচাৰী সংস্থা গোলাঘাট জিলা সমিতিৰ সম্পাদক জিছান জঙ্গম বৰা, উপসভাপতি দিলীপ ফুকন, দেৱ কুমাৰ লইং আৰু শেৱালি বৰাই। আঞ্চলিক সমিতিৰ সম্পাদক দিলীপ বড়াই উদ্দেশ্য ব্যাখ্যা কৰা সভাত মহুৰামুখ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ পৰাগজ্যোতি ফুকনে এন পি এছ কৰ্মচাৰীসকলে ন্যায্য প্ৰাপ্যৰ বাবে কৰা আন্দোলনলৈ সকলো শিক্ষক-সমাজৰ সমৰ্থন থকাৰ লগতে ভৱিষ্যতে হ'ব লগা এন পি এছ কৰ্মচাৰী সমস্যাসমূহৰ কথা উল্লেখ কৰি চৰকাৰক পুৰণি পেঞ্চন পুনৰ প্ৰবৰ্তন কৰিবলৈ অনুৰোধ জনায়। জিলা সম্পাদক জিছান জঙ্গম বৰাই নতুন পেঞ্চন আঁচনিৰ পৰিৱৰ্তে কিয় পুৰণি পেঞ্চন পুন: প্ৰতিষ্ঠাৰ দাবীত আন্দোলন কৰিবলৈ কৰ্মচাৰীসকল বাধ্য হৈছে বুলি বিশদভাৱে ব্যাখ্যা কৰে। সভাত দেৱ কুমাৰ লইং, ৰূপজ্যোতি ভৰালী, শেৱালি বৰা, নিৰঞ্জন দাস, ধীৰেন শৰ্মাই বৰ্তমান অৱসৰ গ্ৰহণ কৰা বিষয়া, শিক্ষক, কৰ্মচাৰী সকলে ডিচিআৰজি, পেঞ্চনৰ পৰিৱৰ্তে চৰকাৰৰ পৰা লাভ কৰা ধনৰ কথা উল্লেখ কৰি সকলোকে সজাগ কৰিবলৈ সভাত অংশগ্ৰহণ কৰাকলক অনুৰোধ জনায় । আঞ্চলিক সম্পাদক দিলীপ বড়াই কেন্দ্ৰীয় সমিতিয়ে ঘোষণা কৰা অহা ১৫ জুনত এবেলা কৰ্মবিৰতি কৰি উপায়ুক্ত মহোদয়ক স্মাৰকপত্ৰ প্ৰদান আৰু ধৰ্ণা কাৰ্যসূচী, উপায়ুক্ত কাৰ্যালয়লৈ নোযোৱাসকলে দিনৰ ১২ বজাৰ পাছত কৰ্মবিৰতি পালন কৰি নিজা কৰ্মস্থলীৰ মুৰব্বীৰ জৰিয়তে স্মাৰক-পত্ৰ প্ৰদান কৰা, ২ জুলাইত পুৰণি পেঞ্চন পুন: প্ৰতিষ্ঠাৰ দাবীত 'দিশপুৰলৈ পদযাত্ৰা' কাৰ্যসূচীত সদলবলে অংশগ্ৰহণ কৰিবলৈ অনুৰোধ জনায়। সভাত বোকাখাত আঞ্চলিক সমিতিখন চাৰিটা জিলা পৰিষদ সমষ্টিৰে পৰিষদ বহল হোৱা হেতু আঞ্চলিকখনৰ সাংগঠনিক দিশ সবল কৰাৰ স্বাৰ্থত স্থানীয়ভাৱে চাৰিখন শাখা সমিতি গঠনৰ সিদ্ধান্ত গ্ৰহণ কৰি পৰাণ মৰাঙক সভাপতি, নয়নজ্যোতি বাৰুকিয়ালক সম্পাদক হিচাবে লৈ মহুৰা শাখা আৰু শিৱপ্ৰসাদ গোৱালাক সভাপতি, ৰণজিত বড়িক সম্পাদক হিচাবে লৈ ৰঙামাটি শাখা সমিতি গঠন কৰা হয়। পৰৱৰ্তী কাজিৰঙা শাখা সমিতি অহা ২১ জুনত গঠন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ কথা আঞ্চলিক সমিতিৰ সম্পাদকে প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে জানিবলৈ দিছে।




## হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ ধৰ্মীষ্ঠা ৰাণী দাসক সম্বৰ্ধনা

**দৈনন্দিন বাৰ্তাৰ সেৱা, ১৪ জুন ঃ** উত্তৰ-পূবৰ দুৱাৰমুখ গুৱাহাটী মহানগৰীত ভালেসংখ্যক ব্যক্তিয়ে পৰিয়ালৰ বাবে বিভিন্ন কাম-কাজৰ মাজেৰে ঘৰখন পৰিপাটিকৈ ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰে। তাৰ মাজতে ল'ৰা-ছোৱালীসকলক ডাঙৰ-দীঘল কৰি বিদ্যালয়ত পঢ়া-শুনা কৰা আদি। তাৰে এক উদাহৰণ বামুণীমৈদানত বাতৰিকাকত, বহী, কিতাপ, কলম, ৰবৰ আদি দোকানখনৰে মানুহৰ মাজত পৰিচিত হৈ পৰা ৰঞ্জিত দাস। দাসে মহানগৰীত ঘৰভাড়া কৰি থাকে আৰু ধৰ্মীষ্ঠা, ভাইটী আৰু মাক, গাঁওত থাকে। মুখত মিচিকিয়া হাঁহি। কাৰণ কন্যা এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত ষ্টাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে । উল্লেখযোগ্য যে বৰপেটা জিলাৰ শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ পৰা ধৰ্মীষ্ঠা ৰাণী দাস উত্তীৰ্ণ হৈছে । শিলা গাঁওবাসীৰ লগতে বিদ্যালয়ৰ প্ৰধানাচাৰ্য যতীন মেধিয়ে পৰিয়ালবৰ্গক ভাল ফলাফল কৰিব বুলি কৰা কথাৰ প্ৰমাণ হ'ল বুলি তেওঁলোকৰ লগতে শুভকাংক্ষী বাসগৃহত আহি শুভেচ্ছা জ্ঞাপন কৰে। ইপিনে বিদ্যালয়খনে ধৰ্মীষ্ঠাৰ লগতে উত্তীৰ্ণ ছাত্ৰীসকলক সভাকক্ষত সম্বৰ্ধনা অনুষ্ঠানেৰে সম্বৰ্ধিত কৰে। ধৰ্মীষ্ঠা ৰাণী দাসৰ পিতৃ ৰঞ্জিত দাস আৰু মাতৃ ৰীমা দাসে কয় যে ধৰ্মীষ্ঠাই পঢ়াৰ ক্ষেত্ৰত বহুত কষ্ট কৰিছিল। ইয়াৰ বাবে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী ধন্যবাদৰ পাত্ৰ। শুভকাংক্ষীসকলৰ প্ৰেৰণা, সহায়-সহযোগিতা কেতিয়াও পাহৰিব নোৱাৰিম বুলি আহিবলগীয়া দিনবোৰত দিহা-পৰামৰ্শ দিব বুলি আশা প্ৰকাশ কৰিছে।

## দৰঙৰ দুই কীৰ্তিমানক সম্বৰ্ধনা দৰং গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ১৪ জুন ঃ** সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদ, দৰং জিলা সমিতিৰ এটা সঁজাতী দলে সোমবাৰে সদ্য ঘোষিত উচ্চ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত দৰং জিলালৈ সুনাম কঢ়িয়াই অনা নগাঁও আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা পঞ্চম স্থানপ্ৰাপক ছাত্ৰ প্ৰাণজিৎ বৰদলৈ আৰু ছিপাঝাৰ হেপী চাইল্ড স্কুলৰ পৰা নৱম স্থানপ্ৰাপক আকাশদীপ ভূঞাৰ বাসগৃহলৈ গৈ জাতীয় গামোচা আৰু অভিনন্দন পত্ৰৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূঞা, জিলা কাৰ্যকৰী সভাপতি আবু আয়ুব আনছাৰী আৰু জিলা সাধাৰণ সম্পাদক



চাহাবুদ্দিন আহমেদৰ নেতৃত্বত যোৱা প্ৰতিনিধি দলটিৰে সুকীয়া সুকীয়াকৈ দুয়োগৰাকী কীৰ্তিমানৰ বাসগৃহলৈ গৈ পিতৃ-মাতৃ সমন্বিতে পৰিয়ালৰ অইন অইন সদস্য, ওচৰ-চুবুৰীয়া আৰু শুভাকাংক্ষীৰ উপস্থিতিত দুয়োকে আন্তৰিক অভিনন্দন আৰু সম্বৰ্ধনা জনায়। সঁজাতী দলত জিলা সমিতিৰ আইন কোষৰ আহবায়ক হাফিজুল হক, বৰমপুৰ আঞ্চলিকৰ সভাপতি তৰাজুল হক আৰু ছিপাঝাৰ (দোকানপাৰ) আঞ্চলিক সমিতিৰ সম্পাদক মোবাৰক হুছেইনে অংশগ্ৰহণ কৰাৰ উপৰি সদৌ দৰং জিলা ছাত্ৰ সন্থাৰ সভাপতি পৰাগ চহৰীয়াই কাৰ্যসূচী ৰূপায়ণত দলটিক সৌজন্যমূলক সংগ দিয়ে। ইপিনে জাঁপমাৰাবড়ী হাইস্কুলৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ইংৰাজীত সৰ্বাধিক ১০০ নম্বৰসহ ৫টা বিষয়ত লেটাৰ নম্বৰেৰে ডিষ্টিংচন লাভ কৰা ৰাজশ্ৰী বৰুৱাই পৰীক্ষাৰ সময়ত অত্যধিক শাৰীৰিক অসুস্থতাৰ সত্ত্বেও অশেষ কষ্ট আৰু শ্ৰমৰ বিনিময়ত যি ফলাফল কৰিলে তাৰ বাবে আদৰ্শ পিতৃ জ্ঞানজোতি মধ্য ইংৰাজী বিদ্যালয়ৰ প্ৰধান শিক্ষক মাননীয় হিতেশ বৰুৱা, আদৰ্শ মাতৃ মাননীয় সবিতা বৰুৱাক ধন্যবাদ জ্ঞাপন কৰিলে সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ কেন্দ্ৰীয় উপদেষ্টা চহিৰ ভূঞা আৰু দৰং জিলা সমিতিৰ সাধাৰণ সম্পাদক চাহাবুদ্দিন আহমেদে। তেওঁলোকৰ গৃহলৈ গৈ ৰাজশ্ৰীক সম্বৰ্ধনা দিয়াৰ উপৰি অনাগত দিনৰ বাবে শুভেচ্ছা জ্ঞাপন কৰে।

## ৰঙাপৰা মহাবিদ্যালয়ৰ উদ্ভিদ বিভাগৰ মুৰব্বী অধ্যাপক ৰতন চৌধুৰীৰ ভাৰত চৰকাৰৰ বৌদ্ধিক সম্পদ বিভাগৰ পৰা পেটেন্ট লাভ

**দৈনন্দিন বাৰ্তাৰ সেৱা, ৰঙাপৰা, ১৪ জুন ঃ** ৭৪নং ৰঙাপৰা সমষ্টিৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান ৰঙাপৰা মহাবিদ্যালয়ৰ লগতে শোণিতপুৰ জিলাখনলৈ মহাবিদ্যালয়খনৰ উদ্ভিদ বিভাগৰ মুৰব্বী অধ্যাপক ৰতন চৌধুৰীয়ে এক আনন্দৰ বতৰা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। প্ৰাপ্ত খবৰ অনুসৰি ৰঙাপৰা মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ মাত্ৰ ডেৰ বছৰীয়া শৈক্ষিক যাত্ৰাত উদ্ভিদ বিদ্যা বিভাগৰ মুৰব্বী অধ্যাপক ৰতন চৌধুৰী আৰু তেখেতৰ সহযোগী গৱেষক দলে ভাৰত চৰকাৰৰ বৌদ্ধিক সম্পদ (IP) বিভাগৰ পৰা এটা পেটেণ্ট লাভ কৰিবলৈ সক্ষম হৈছে। চৌধুৰীৰ লগত দেশৰ কেইবাখনো বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়ৰ এটা তেৰজনীয়া বিজ্ঞানীৰ দলে Insulin Dispensing Device with Glucose Monitoring নামৰ নতুন ৰূপাংকণ আৱিষ্কাৰ কৰি পেটেণ্ট লাভ কৰিবলৈ সক্ষম হৈছে। এই উদ্ভাৱনৰ বাবে ৰঙাপৰা মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ ৰঞ্জন কলিতা প্ৰমুখ্যে সকলো অধ্যাপক, অধ্যাপিকা, আৰু স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে। নতুনকৈ উদ্ভাৱন কৰা সঁজুলিবিধে মধুমেহ (ডায়েবেটিছ) ৰোগীৰ যথেষ্ট উপকাৰ সাধন কৰিব বুলি জানিব পৰা গৈছে।

## এআইউইডিএফক সমালোচনা বিধায়িনী দলৰ দলপতি দেৱব্ৰত শইকীয়াৰ

**দৈনন্দিন বাৰ্তা সেৱা, ভূৰাগাঁও, ১৪ জুন ঃ** বৰ্তমান সময়ত বিজেপি আৰু এ আই ইউ ডি এফ হৈছে একেটা মুদ্ৰাৰে ইপিঠি-সিপিঠি। বিজেপিৰ বোকোচাত উঠি এ আই ইউ ডি এফৰ লীডাৰে চলাইছে আগৰৰ ব্যৱসায়। এ আই ইউ ডি এফে মুছলমান ৰাইজক নজৰবন্দী কৰি নিজে মোটা হৈ পৰিছে আৰু সংখ্যালঘু এলেকাৰ বহু লোক আৰ্থিকভাৱে পিছ পৰি গৈছে বুলি কটাক্ষ কৰে কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামীয়ে। আনহাতে এই আই ইউ ডি এফে বিজেপিৰ কথা কয় যদিও তেওঁলোকৰ লীডাৰ ছিৰাজুদ্দিন মুখ্যমন্ত্ৰীক লৈ পঞ্চমুখ হৈ পৰে আৰু কংগ্ৰেছ এতিয়াও শেষ হৈ নোযোৱাৰ কথা খোদ মুখ্যমন্ত্ৰীয়েই কৰা বুলি গোস্বামীয়ে কয়। একেদৰে মৰিগাঁও কংগ্ৰেছৰ উদ্যোগত মঙ্গলবাৰে লাহৰীঘাট ব্লক কাৰ্যালয়ৰ সভাগৃহত অনুষ্ঠিত নৱ সংকল্প শিবিৰত অংশগ্ৰহণ কৰা বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই কয় যে কংগ্ৰেছৰ ইতিহাস আছে, কংগ্ৰেছ ঐতিহাসিক দল, আগন্তুকত কংগ্ৰেছে নতুন ইতিহাস ৰচনা কৰিব বুলিও মন্তব্য কৰে। আনহাতে কংগ্ৰেছে বিৰোধী ঐক্য গঠনৰ কথা সদায় কৈ আহিছে আৰু আজিও সহমত আছে।


গুৱাহাটী মহানগৰীৰ কৃত্ৰিম বানত আক্ৰান্ত লোকৰ উদ্ধাৰ অভিযানত ব্যস্ত এনডিআৰএফ জোৱান, মঙলবাৰে

**বৰমপুৰৰ এখন প্ৰাথমিক বিদ্যালয়ৰ কাহিনী**

## বিদ্যালয় স্থানান্তৰকৰণৰ চৰকাৰী সিদ্ধান্তত ভাগি পৰিছে ৰাইজ

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰমপুৰ, ১৪ জুন ঃ** অতিশীঘ্ৰেই হয়তো এখন গাঁৱৰ পৰা নোহোৱা হ'ব এখনি ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠান। শিক্ষানুষ্ঠানখনৰ পৰা বহু শিক্ষাৰ্থী ইতিমধ্যে উত্তীৰ্ণ হৈ বিভিন্ন কৰ্মৰ সৈতে নিয়োজিত হৈ আহিছে, অৰ্থাৎ সেইসকল প্ৰাক্তন ছাত্ৰৰ বহু স্মৃতি জড়িত হৈ আছে। এতিয়া সেইখন শিক্ষানুষ্ঠানেই যেন লাহে লাহে নিঃচিহ্ন হোৱাৰ পথত। এই বিষয়ক লৈ এতিয়া দুশ্চিন্তাত ভুগিছে গাঁওখনৰ বাসিন্দাসকল। গাঁওখন হৈছে নগাঁও জিলাৰ বৰমপুৰ সমষ্টিৰ অন্তৰ্গত চাপানালাৰ নিকটৱৰ্তী ৭নং বালিজুৰি গ্ৰাণ্ট। বৰ্তমান উক্ত গ্ৰামাঞ্চলৰ প্ৰায় ৩০ টিকৈ শিশুৱে অধ্যয়ন কৰি থকা এই বিদ্যালয়খন হৈছে 'বালিজুৰি গ্ৰাণ্ট প্ৰাথমিক বিদ্যালয়'। জানিব পৰা মতে শিক্ষা বিভাগৰ নিৰ্দেশ অনুসৰি শীঘ্ৰেই চামিল হ'ব লাগিব সেই স্থানৰ পৰা কিছু দূৰৈৰ এখন উচ্চ মাধ্যমিক বিদ্যালয়ত। যাৰ বাবে এতিয়া চিন্তাত পাৰ নোপোৱা হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ অভিভাৱক তথা গঞা ৰাইজ। কিয়নো, প্ৰাথমিক বিদ্যালয়খন গাঁওখনৰ পৰা উঠাই নিয়াৰ পিছত দূৰৈৰ বিদ্যালয়খনলৈ ছাত্ৰ-ছাত্ৰীসকলক অনা-নিয়া কৰিবৰ বাবে অভিভাৱকসকলৰ বাবে হ'ব সময়ৰ অভাৱ। কাৰণ গাঁওখনৰ অধিকাংশ লোকেই পুৱাতে ওলাই গৈ দিনটো হাজিৰা কৰি পোহপাল দিয়ে নিজৰ পৰিয়ালটোক। তেনেস্থলত এতিয়া কিছু দূৰৈত থকা বিদ্যালয়লৈ ছাত্ৰ-ছাত্ৰীসকলক নিতৌ অনা-নিয়া কৰিব নে দিন-হাজিৰাকে কৰিব তাকে লৈ বিপাঙত পৰিছে অভিভাৱকসকল। ইফালে গাঁওখনৰ একমাত্ৰ শিক্ষানুষ্ঠানখন শিক্ষা বিভাগে আঁতৰাই নিয়াৰ সিদ্ধান্তৰ বিষয়ে শেহতীয়াকৈ গঞা ৰাইজে জানিব পাৰি দুখত ভাগি পৰিছে। সেয়ে 'বালিজুৰি গ্ৰাণ্ট প্ৰাথমিক বিদ্যালয়'খন আন বিদ্যালয়ৰ সৈতে চামিল নকৰিবলৈ সংশ্লিষ্ট বিভাগ তথা ডঃ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰলৈ কাতৰ আহ্বান জনাইছে স্থানীয় ৰাইজে।

## নলবাৰীত সুলভ মূল্যৰ দোকানীৰ বিৰুদ্ধে প্ৰতিবাদ

**প্ৰতিকূল বতৰকো নেওচি দৰিদ্ৰ লোকৰ লগত হেতালি খেলা দোকানীৰ বিৰুদ্ধে প্ৰতিবাদ সাব্যস্ত**

**দৈনন্দিন বাৰ্তাৰ সেৱা, নলবাৰী, ১৪ জুন ঃ** নলবাৰী জিলাৰ পূব প্ৰান্তস্থিত পয়লা গাঁৱত কালি, অৰ্থাৎ ১৩ জুনৰ সন্ধিয়া স্থানীয় ৰাইজে এখন অবৈধ চাউল ভৰ্তি বাহন জব্দ কৰি নলবাৰী আৰক্ষীক গতাই দিয়ে। অভিযোগ অনুসৰি ৩নং খাটা গাঁও পঞ্চায়তৰ অন্তৰ্গত সুলভ মূল্যৰ দোকানৰ স্বত্বাধিকাৰী ফুলন কলিতাৰ নিৰ্দেশ মতেই উক্ত চাউলখিনি বিক্ৰীৰ ষড়যন্ত্ৰ কৰিছিল। গাঁৱৰ সাধাৰণ জনতাক ঠগ-প্ৰৱঞ্চনা কৰি নিজ মুনাফাৰ বাবে চাউল বিক্ৰী কৰিবলৈ ওলোৱা ঘটনাত তীব্ৰ ক্ষোভ প্ৰকাশ কৰে স্থানীয় ৰাইজে। সাধাৰণ জনতাৰ লগত হেতালি খেলা এনেকুৱা দোকানীৰ বিৰুদ্ধে উচিত তদন্ত আৰু শাস্তি হ'ব লাগে বুলি দাবীৰে আজি উক্ত সুলভ মূল্যৰ দোকানৰ সন্মুখত প্ৰতিবাদ সাব্যস্ত কৰে স্থানীয় ৰাইজে। লগতে দোকানখনৰ স্বত্বাধিকাৰী ফুলেন কলিতাৰ বিৰুদ্ধে বহুতো অভিযোগ উত্থাপন কৰে স্থানীয় ৰাইজৰ লগতে সুলভ মূল্যৰ দোকানৰ হিতাধিকাৰীসকলে। আনহাতে এজাহাৰৰ ভিত্তিত নলবাৰী সদৰ থানাৰ আৰক্ষী উপস্থিত হৈ সুলভ মূল্যৰ দোকানৰ এজেণ্ট ফুলেন কলিতাক সোধা-পোছাৰ বাবে আৰক্ষীয়ে নলবাৰী থানাত লৈ যায়। কি হ'ব এনেকুৱা ব্যক্তিগত মুনাফা লাভৰ বাবে সাধাৰণ ৰাইজক মাধমাৰ শোধোৱা দোকানীৰ? নে কোনোবা উচ্চ পদস্থ বিষয়াৰ আশীৰ্বাদপুষ্ট হৈ হাত সাৰি যাব ? লক্ষণীয় হ'ব বিভাগীয় কৰ্তৃপক্ষৰ পদক্ষেপৰ ওপৰতহে।


গুৱাহাটীত মঙলবাৰে কৃত্ৰিম বানৰ মাজতে খোৱাপানী সংগ্ৰহত ব্যস্ত এজন লোক

## বাঘমাৰাত জলমগ্ন ৰাজপথত জালেৰে মাছ মাৰি ৰাইজৰ প্ৰতিবাদ

**দৈনন্দিন বাৰ্তাৰ সেৱা, নগৰবেৰা, ১৪ জুন ঃ** বাঘবৰ সমষ্টিৰ বাঘমাৰাত সদ্যব্যস্ত জলমগ্ন ৰাজপথত ৰাইজে জালেৰে মাছ মাৰি সাব্যস্ত কৰিলে অভিনৱ প্ৰতিবাদ। বাঘবৰ সমষ্টিৰ অন্তৰ্গত ৪নং বাঘমাৰাৰ লুইতপৰীয়া বজাৰৰ পৰা ভাতনাপাইতি সংযোগী পথৰ দুৰৱস্থাই জলা-কলা খুৱাইছে অঞ্চলবাসী ৰাইজক। এজাক কিনকিনীয়া বৰষুণতেই জলমগ্ন হৈ পৰে পথছোৱা, যাৰ ফলত বিচ্ছিন্ন হৈ পৰে ৰাইজৰ যাতায়াত। উক্ত পথছোৱাৰে নিতৌ আহ-যাহ কৰে অঞ্চলটোৰ শ শ কণ কণ স্কুলীয়া ছাত্ৰ-ছাত্ৰী লগতে কেইবাখন গাঁৱৰ ৰাইজে। এজাক বৰষুণ আহিলেই যাতায়াতৰ নামত নৰক যন্ত্ৰণা ভুগিবলগীয়া হয় অঞ্চলটোৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ লগতে ৰাইজে। স্থানীয় ৰাইজে জনপ্ৰতিনিধিক বাৰম্বাৰ আবেদন-নিবেদন কৰাৰ পিছতো নাপালে কোনো সুফল। সেয়ে উপায়বিহীন হৈ সদ্যব্যস্ত ৰাজপথটো মেৰামতিৰ দাবীত জলমগ্ন ৰাজপথত অঞ্চলটোৰ ৰাইজে একত্ৰিত হৈ জালেৰে মাছ মাৰি সাব্যস্ত কৰিলে অভিনৱ প্ৰতিবাদ। শীঘ্ৰে চৰকাৰ, স্থানীয় বিধায়ক শ্বেৰমান আলী আহমেদৰ লগতে বাঘমাৰাচৰ গাঁও পঞ্চায়তৰ সভানেত্ৰী আকলিমা খাতুনক পথছোৱা মেৰামতি কৰি দিয়াৰ দাবী জনাইছে অঞ্চলবাসী ৰাইজে। এতিয়া প্ৰশ্ন হয়— ৰাইজৰ এনে প্ৰতিবাদে টোপনি ভাঙিবনে নিদ্ৰামগন বিভাগীয় কৰ্তৃপক্ষ তথা জনপ্ৰতিনিধিৰ? মেৰামতিৰ দিহা কৰিবনে পথছোৱাৰ? সেয়া সময়তহে হ'ব লক্ষণীয়।

## লখিমপুৰত সৌন্দৰ্য প্ৰতিযোগিতা

**দৈনন্দিন বাৰ্তাৰ সেৱা, লখিমপুৰ, ১৪ জুন ঃ** বেচৰকাৰী সংস্থা উৎখাৰৰ উদ্যোগত আৰু উত্তৰ-পূৰ্বাঞ্চলৰ এক অন্যতম সৌন্দৰ্য চৰ্চাৰ আৰু মডেলিঙৰ সৈতে জড়িত প্ৰতিষ্ঠান স্পাৰ্কৰ সহযোগত ২০২২ প্ৰথম বৰ্ষ শীৰ্ষক প্ৰতিযোগিতাখনি উত্তৰ লখিমপুৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আয়োজন কৰে। লখিমপুৰত পোনপ্ৰথমবাৰৰ বৰে অনুষ্ঠিত প্ৰতিযোগিতাখনিত সৰ্বমুঠ পাঁচটা শাখা ক্ৰমে কিড্ছ, টিন, মিছ, মিষ্টাৰ আৰু মিছেছত অসমৰ লগতে উত্তৰ-পূৰ্বাঞ্চলৰ ৮০ৰো অধিক প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাখনিত শিলচৰকে ধৰি পূব বদৰপুৰ, হাফলং, তিনিচুকীয়া, অৰুণাচল প্ৰদেশ, আগৰতলা, শিলচৰ আদিকে ধৰি বিভিন্ন স্থানৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে। অসমীয়া চলচ্চিত্ৰৰ ফেশ্বন ডিজাইনাৰ ডিপ্লু হাজৰিকা, মিষ্টাৰ অসম-২০২১ মানস কেৰাট আৰু মিছ অসম-২০১৭ কৰীণা ভূঞাই বিচাৰক হিচাপে অংশগ্ৰহণ কৰে। মডেল তৃষ্ণা কাকতিয়ে আঁত ধৰা অনুষ্ঠানটো উদ্বোধন কৰে লখিমপুৰৰ জ্যেষ্ঠ নাগৰিক ভানু বুঢ়াগোহাঁয়ে। আজি উত্তৰ লখিমপুৰ চহৰৰ হোটেল এ-এণ্ড এ-২ত সংবাদ মাধ্যমৰ সৈতে হোৱা এক বাৰ্তালাপত পাৰস্পৰিক ক্ৰিয়া-কলাপত মডেল তথা অনুষ্ঠানৰ আহ্বায়ক তৃষ্ণা কাকতিয়ে কয় যে প্ৰতিযোগিতাখনৰ বিজয়ীসকলে প্ৰত্যক্ষভাৱে আগন্তুক দিনত হ'বলগীয়া উত্তৰ-পূব মডেল পৰীক্ষাত অৱতীৰ্ণ হ'ব পাৰিব। স্পাৰ্কৰ পৰিচালন সঞ্চালক ৰিজু মিলাৰ, আয়োজক মোজবিন আৰা ৰছুল আৰু মৰিগাঁৱৰ সহ-আয়োজক বিষ্ণু কোচেও সংবাদ মাধ্যমৰ সৈতে প্ৰতিযোগিতাখনিৰ সন্দৰ্ভত মন্তব্য প্ৰকাশ কৰে।


## কিংবদন্তি, ইতিহাস আৰু লোকসংস্কৃতিৰে সমৃদ্ধ দৰং ঃ উপায়ুক্ত

**দৈনন্দিন বাৰ্তাৰ সেৱা, মঙলদৈ, ১৪ জুন ঃ** এক বৰ্ণাঢ্য কাৰ্যসূচীৰে দৰং জিলা প্ৰশাসনৰ দ্বাৰা প্ৰথমবাৰৰ বাবে দৰং জিলা দিৱস মঙলদৈ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত উদ্‌যাপন কৰা হয়। মাননীয় মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন ৰাজ্য চৰকাৰৰ এক নিৰ্দেশমৰ্মে সকলো জিলাতে এইবাৰ জিলা ঘোষণা হোৱা দিনটোক জিলা দিৱস হিচাপে উদ্‌যাপন কৰা হৈছে। আজিৰ অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰি দৰং জিলাৰ উপায়ুক্ত প্ৰণৱ কুমাৰ শৰ্মাই কয় যে কিংবদন্তি, ইতিহাস আৰু লোকসংস্কৃতিৰে সমৃদ্ধ দৰং জিলা। মধ্য যুগতে কোচসকলে শাসন প্ৰতিষ্ঠা কৰা দৰং জিলা এসময়ত সাহিত্য, কলা-সংস্কৃতি চৰ্চাৰ প্ৰাণকেন্দ্ৰ হৈ পৰিছিল। বৃটিছ সাম্ৰাজ্যবাদীৰ বিৰুদ্ধে বিদ্ৰোহ ঘোষণা কৰি পথৰুঘাটত প্ৰাণ আহুতি দিয়া কৃষকবীৰৰ কথা উল্লেখ কৰি উপায়ুক্তগৰাকীয়ে দেশৰ স্বাধীনতা সংগ্ৰামত দৰঙৰ সংগ্ৰামীসকলৰ উল্লেখযোগ্য অৱদান আছিল বুলি কয়। পূৰ্বৰ গৰিমা ওভতাই আনি দৰঙক দেশৰ ভিতৰতে এখন উন্নত জিলা হিচাপে গঢ়িবলৈ কেন্দ্ৰীয় চৰকাৰৰ আকাংক্ষিত জিলা প্ৰকল্পৰ অধীনত লোৱা পদক্ষেপসমূহৰ বিষয়ে উপায়ুক্তগৰাকীয়ে তেওঁৰ ভাষণৰ জৰিয়তে অৱগত কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত চলি থকা গৰুখুঁটি কৃষি প্ৰকল্পৰ কথা উল্লেখ কৰি তেওঁ কয় যে অসমৰ নৱপ্ৰজন্মক কৃষিকৰ্মৰ প্ৰতি আকৰ্ষিত কৰাৰ ক্ষেত্ৰত এই প্ৰকল্পই গুৰুত্বপূৰ্ণ ভূমিকা লৈছে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিশিষ্ট সাংবাদিক তথা সমাজকৰ্মী ভাৰ্গৱ কুমাৰ দাসে দৰঙৰ ইতিহাস সঠিকভাৱে সংৰক্ষণ কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে, যাতে নৱপ্ৰজন্মক ইয়াৰ দ্বাৰা অনুপ্ৰাণিত কৰিব পৰা যায়। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত দৰঙৰ নাম উজলোৱা জিলাখনৰ সুসন্তানসকলৰ বিষয়ে সকলোৰে জনাটো প্ৰয়োজন বুলি তেওঁ উল্লেখ কৰে। জিলা দিৱস উদ্‌যাপনৰ প্ৰচেষ্টাৰ বাবে তেওঁ জিলা প্ৰশাসনক ধন্যবাদ জনায়। দৰঙৰ আৰ্থ-সামাজিক জীৱনলৈ উল্লেখযোগ্য বৰঙনি আগবঢ়োৱা কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক দৰং জিলা প্ৰশাসনৰ দ্বাৰা আজিৰ অনুষ্ঠানত সম্বৰ্ধনা জনোৱা হয়। আজিৰ অনুষ্ঠানত দৰঙৰ বাৰেৰহনীয়া কৃষ্টি-সংস্কৃতিৰ বিবিধ প্ৰদৰ্শনীৰে সাংস্কৃতিক গোষ্ঠীসমূহে সৌষ্ঠৱ বৃদ্ধি কৰে। অতিৰিক্ত উপায়ুক্ত পল্লৱী কছাৰী, জোনটি ডেকা, সহকাৰী আয়ুক্ত ৰিণি হাজৰিকা প্ৰমুখ্যে বিষয়া-কৰ্মচাৰীসকলে এটি বিহুনৃত্য অনুষ্ঠানো পৰিৱেশন কৰে। দৰঙৰ কলা-সংস্কৃতি, ইতিহাস তথা সামাজিক জীৱন সামৰি প্ৰকাশ কৰা 'মেঘমল্লাৰ' নামৰ এখন স্মৃতিগ্ৰন্থ উন্মোচন আৰু এখন চুটি তথ্যচিত্ৰ আজিৰ অনুষ্ঠানত প্ৰদৰ্শন কৰা হয়। তদুপৰি আলোকচিত্ৰ প্ৰদৰ্শন আৰু আত্মসহায়ক গোটসমূহে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহ প্ৰদৰ্শন কৰে।

## কঠীয়াতলীত অঙ্গনৱাড়ী কৰ্মী-সহায়িকাৰ স্মাৰক-পত্ৰ প্ৰদান

**দৈনন্দিন বাৰ্তাৰ সেৱা, বৰমপুৰ, ১৪ জুন ঃ** সমগ্ৰ ৰাজ্যৰ লগতে কঠীয়াতলী শিশু উন্নয়ন প্ৰকল্প আৰু সমাজ কল্যাণ বিষয়া কাৰ্যালয়ৰ সন্মুখত কৰ্মী-সহায়িকাসকলে তেওঁলোকৰ দাবীৰ সমৰ্থনত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে বিষয়াগৰাকীৰ জৰিয়তে সঞ্চালকলৈ এখন স্মাৰক-পত্ৰ প্ৰেৰণ কৰে। কালি সমগ্ৰ ৰাজ্যৰ লগতে কঠীয়াতলী শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়ৰ পৰা ৫৫ গৰাকীকৈ কৰ্মী-সহায়িকাক দায়িত্বৰ পৰা বাধ্যতামূলক অৱসৰ দিয়া বুলি প্ৰতিবাদ জনাই এনে কাৰ্যসূচী গ্ৰহণ কৰে। কঠীয়াতলী অঙ্গনৱাড়ী কৰ্মী-সহায়িকা সন্থাৰ সভাপতি ৰীতা বৰা আৰু সম্পাদিকা চণ্ডিকা ভূঞাই জনায় যে চৰকাৰে উচ্চ ন্যায়ালয়ে দিয়া ৰায়ক উপেক্ষা কৰি বয়সৰ দোহাই দি এটকাও নিদিয়াকৈ তেওঁলোকক কৰ্মৰ পৰা আঁতৰাই দিয়া কাৰ্যক তীব্ৰ সমালোচনা কৰে। আজি কঠীয়াতলী সংহত শিশু উন্নয়ন প্ৰকল্প আৰু সমাজ কল্যাণ বিষয়া কাৰ্যালয়ৰ সন্মুখত কৰ্মী-সহায়িকাসকলে 'আমাৰ দাবী মানিবই লাগিব', 'আমাৰ দাবী ন্যায্য দাবী', 'অৱসৰৰ বয়সৰ সীমা ৬৫ বছৰ কৰিবই লাগিব', 'উচ্চতম ন্যায়ালয়ৰ ৰায় মৰ্মে গ্ৰেচুইটী প্ৰদান কৰিবই লাগিব', '৪ লাখ আৰু ২ লাখ টকা এককালীনভাৱে প্ৰদান কৰিবই লাগিব' আদি শ্ল'গানেৰে উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। শিশু উন্নয়ন প্ৰকল্প বিষয়া ৰূপা হাজৰিকাই স্মাৰক-পত্ৰ গ্ৰহণ কৰি সঞ্চালকলৈ প্ৰেৰণ কৰিব বুলি প্ৰতিবাদকাৰীসকলক আশ্বাস দিয়ে। সভানেত্ৰী ৰীতা বৰাই দৃঢ়তাৰে জনায় যে আমাৰ দাবী পূৰণ নহ'লে পৰৱৰ্তী সময়ত আন্দোলন তীব্ৰতৰ কৰা হ'ব। এই আন্দোলন কাৰ্যসূচীত শতাধিক কৰ্মী-সহায়িকাৰ লগতে ভাৰতৰ মাৰ্ক্সবাদী পাৰ্টীৰ নগাঁও জিলা সম্পাদক মদন বৰা আৰু উপদেষ্টা বাছেদ আলীয়েও সহযোগিতা আগবঢ়ায়।





জামিন আৱেদন নাকচ

## ১৮ জুনলৈ ৰঙাঘৰত সত্যেন্দৰ জৈন

**নতুন দিল্লী, ১৪ জুন ঃ** দিল্লীৰ স্বাস্থ্য মন্ত্ৰী সত্যেন্দৰ জৈনৰ জামিন আবেদন নাকচ কৰিলে মঙলবাৰে। ফলত অহা ১৮ জুন পৰ্যন্ত কাৰাগাৰতে থাকিব লাগিব আম আদমি পাৰ্টীৰ প্ৰভাৱশালী নেতাজন। উল্লেখ্য যে যোৱা ৩০ মে' তাৰিখে ধনৰ অবৈধ লেনদেন আৰু হাৱালাৰে জড়িত থকাৰ অভিযোগত এনফৰ্চমেণ্ট বিভাগে তেওঁক গ্ৰেপ্তাৰ কৰিছিল। সম্প্ৰতি ন্যায়িক জিম্মাত থকা মন্ত্ৰী জৈনৰ জামিন আৱেদন মঙলবাৰে দাখিল কৰা হৈছিল যদিও এই আৱেদনৰ সিদ্ধান্ত স্থগিত ৰখা হৈছে ১৮ জুনলৈকে। ন্যায়াধীশ গীতাঞ্জলি গোৱেলৰ আদালতে এইক্ষেত্ৰত তদন্তকাৰী সংস্থাৰ নথি-পত্ৰ দাখিলৰ নিৰ্দেশ দিছে। এনফৰ্চমেণ্ট বিভাগে তেওঁক পুনৰ পাঁচ দিনৰ জিম্মাত বিচাৰিও আদালতত আবেদন জনোৱা দেখা গৈছে। উল্লেখ্য যে জিম্মাত থকাৰ সময়ছোৱাত মন্ত্ৰী জৈনৰ এখন ফটো ভাইৰেল হৈছে আৰু ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে ইয়াৰ পিছতে। মন্ত্ৰীজনৰ মুখাৱয়ব তেজেৰে লুতুৰি-পুতুৰি হৈ থকা দেখা গৈছে। অনুসন্ধান কালত এনফৰ্চমেণ্ট বিভাগে মন্ত্ৰী জৈনক শাৰীৰিকভাৱে নিৰ্যাতন চলোৱাৰ অভিযোগ উঠিছে। আম আদমিৰ জ্যেষ্ঠ নেতা সঞ্জয় সিঙে টুইটাৰৰ জৰিয়তে কয় যে প্ৰধানমন্ত্ৰী মোদীৰ ষড়যন্ত্ৰৰ বলি হৈছে আম আদমিৰ নেতা-মন্ত্ৰী। দেশবাসীয়ে মোদীৰ এই ষড়যন্ত্ৰ পাহৰি নাযায় আৰু ক্ষমাও নকৰে বুলি তেওঁ ব্যক্ত কৰিছে।



*থলুৱা প্ৰযুক্তিৰে নিৰ্মাণ কৰা এড্‌ভান্স লাইট হেলিকপ্টাৰ সংযোজিত হ'ল ভাৰতীয় বায়ু আৰু নৌসেনাৰ অভিযানৰ সহায়ক হিচাপে*

# ১৮ মাহত ১০ লাখ নিযুক্তিৰ প্ৰতিশ্ৰুতি

## লোকসভা নিৰ্বাচনৰ প্ৰাক্‌ক্ষণত প্ৰধানমন্ত্ৰী মোদীৰ জনাকৰ্ষণৰ পদক্ষেপ

**নতুন দিল্লী, ১৪ জুন ঃ** আগন্তুক লোকসভাৰ নিৰ্বাচনৰ পূৰ্বে জনতাৰ আকৰ্ষণ আৰু সমৰ্থন আদায়ৰ বাবে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আগন্তুক ১৮মাহত কমেও দহ লাখ নিযুক্তি কাৰ্যকৰী কৰাৰ কথা ঘোষণা কৰিছে। বিগত ৮ বছৰে নিযুক্তিৰ প্ৰতিশ্ৰুতি পালন নকৰা চৰকাৰে আগন্তুক নিৰ্বাচনত শ'লঠেকত পৰাৰ আশংকাত ভুগিছে। সেয়েহে মঙলবাৰে দেশৰ মানৱ সম্পদ উন্নয়ন বিভাগৰ সৈতে অন্যান্য সকলো বিভাগত খালী থকা চৰকাৰী চাকৰিৰ তথ্য বিচাৰিছে প্ৰধানমন্ত্ৰীয়ে। আগন্তুক ডেৰ বছৰত এই নিযুক্তি কাৰ্যকৰী কৰিবলৈ প্ৰধানমন্ত্ৰীয়ে সংশ্লিষ্ট পক্ষক সেউজ সংকেত প্ৰদান কৰিছে। উল্লেখ্য যে একেটা দিনতে প্ৰতিৰক্ষামন্ত্ৰী ৰাজনাথ সিঙে অগ্নিপথ শীৰ্ষত এক আঁচনি ঘোষণা কৰিছে আৰু এই আঁচনিৰ অধীনত ১৭.৫-২১ বছৰ বয়সীয়া সকলক চাৰি বছৰৰ বাবে সেনা বাহিনীত নিযুক্তি কৰাৰ বিষয়ে অৱগত কৰিছে।



**ৰাষ্ট্ৰপতি নিৰ্বাচনৰ বাবে তৎপৰ বিৰোধী শিবিৰ**

# মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ লিখিত প্ৰস্তাৱলৈ কংগ্ৰেছৰ সঁহাৰি



**নতুন দিল্লী, ১৪ জুন ঃ** দেশৰ পৰৱৰ্তী ৰাষ্ট্ৰপতি পদৰ বাবে নিৰ্বাচনৰ তাৰিখ ঘোষণাৰ লগে লগে শাসকীয় পক্ষৰ তুলনাত অধিক সক্ৰিয় হৈ পৰিছে বিৰোধী শিবিৰ। পশ্চিমবংগৰ মুখ্যমন্ত্ৰী তথা তৃণমূল কংগ্ৰেছৰ মুৰব্বী মমতা বেনাৰ্জীয়ে এখন পত্ৰৰ জৰিয়তে বিৰোধী দলসমূহৰ উমৈহতীয়া প্ৰাৰ্থী প্ৰক্ষেপৰ প্ৰস্তাৱ দাখিল কৰিছে। ইয়াৰ বাবে অহা ১৫ জুনত বিৰোধী দলৰ উমৈহতীয়া আলোচনাৰ বাবে আহ্বান জনাইছে। ইতিমধ্যে বিভিন্ন দুৰ্যোগত হাডু-ডুবু খাই থকা কংগ্ৰেছ দলে নিজাকৈ ৰাষ্ট্ৰপতিৰ প্ৰাৰ্থী প্ৰক্ষেপৰ বাবে তৎপৰ হোৱা নাই। ইয়াৰ বিপৰীতে মমতা বেনাৰ্জীৰ বিৰোধী শিবিৰৰ প্ৰস্তাৱলৈ সঁহাৰি দিয়া দেখা গৈছে। সেয়েহে কংগ্ৰেছৰ তিনি জ্যেষ্ঠ নেতা ক্ৰমে মল্লিকাৰ্জুন খাৰ্গে, জয়ৰাম ৰমেশ আৰু ৰণদ্বীপ সিং সুৰ্যাৱালাক মমতাৰ আলোচনাৰ শিবিৰলৈ প্ৰেৰণৰ সিদ্ধান্ত লৈছে। ইফালে এন পি চি দলৰ মুৰব্বী তথা প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী শাৰদ পাৱাৰ হ'ল বিৰোধী শিবিৰৰ অন্যতম চৰ্চিত প্ৰাৰ্থী। কিন্তু নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ বাবে পাৱাৰ ইচ্ছুক নহয় বুলি প্ৰকাশ পাইছে। যোৱা শনিবাৰে মমতা বেনাৰ্জীয়ে সকলোবোৰ বিৰোধী দলৰ নেতৃত্বলৈ পত্ৰ প্ৰেৰণ কৰিছিল। অহা ১৮ জুলাইত ভোটগ্ৰহণ হ'ব লগা ৰাষ্ট্ৰপতি নিৰ্বাচনৰ ভোটগণনা ২১ জুলাইত আছে। বৰ্তমানৰ ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ কাৰ্যকাল অহা ২৪ জুলাইত সমাপ্ত হ'ব। ২০১৭ চনৰ ৰাষ্ট্ৰপতি নিৰ্বাচনত এন ডি এ মৰ্চাৰ সমৰ্থক আছিল তেলেংগানা ৰাষ্ট্ৰীয় সমিতি, ৱাই এছ আৰ কংগ্ৰেছ, বিজু জনতা দল আদি। এইবাৰ এন ডি এৰ প্ৰাৰ্থী কোবিন্দৰ বিপৰীতে বিৰোধীৰ প্ৰাৰ্থী আছিল কংগ্ৰেছৰ মীৰা কুমাৰ। কিন্তু এইবাৰ এন ডি এৰ শিবিৰত নাই তেলেংগানা ৰাষ্ট্ৰীয় সমিতি। সম্প্ৰতি মুঠ ভোটাৰৰ মূল্য হ'ল ১০,৮৬,৪৩১ আৰু নিৰ্বাচনত জয়ী হ'বলৈ ৫০ শতাংশতকৈ অধিক ভোট লাভ কৰিব লাগিব। কিন্তু এন ডি এ মৰ্চাৰ হাতত ১৩ হাজাৰ ভোটৰ মূল্য হ্ৰাস পাই আছে। ফলত তৃতীয় পক্ষৰ সমৰ্থন অবিহনে এন ডি এ মৰ্চাৰ প্ৰাৰ্থী জয়ী হোৱাৰ আশা কৰিব নোৱাৰি। গতিকে এই সুযোগ ল'বলৈ তৎপৰ হৈছে মমতা বেনাৰ্জী। ইয়াৰ বাবেই কাইলৈ বিৰোধী শিবিৰৰ এখন গুৰুত্বপূৰ্ণ বৈঠক আহ্বান কৰা দেখা গৈছে।

# তিনিওটা বিভাগৰ সেনাবাহিনীত নিযুক্তিৰ বাবে অগ্নিপথ আঁচনি ঘোষণা ৰাজনাথ সিঙৰ






**নতুন দিল্লী, ১৪ জুন ঃ** প্ৰতিৰক্ষা বাহিনীত ব্যয় সংকোচনৰ উদ্দেশ্যৰে এক নতুন নিযুক্তি আঁচনি ঘোষণা কৰা হৈছে। দেশৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে নতুন দিল্লীত অগ্নিপথ নামেৰে এই আঁচনি মুকলি কৰিছে। সেনা বাহিনীৰ তিনিওটা খণ্ডৰ মুৰব্বী কেইজন উপস্থিত আছিল আজিৰ অনুষ্ঠানত। প্ৰতিৰক্ষা মন্ত্ৰীয়ে কয় যে স্থলসেনা, নৌসেনা আৰু বায়ুসেনা বিভাগৰ আজি এক ঐতিহাসিক মুহূৰ্ত। এই আঁচনি অনুসৰি ১৭.৫-২১ বছৰ বয়সীয়া যুৱক-যুৱতীক চাৰি বছৰৰ বাবে সেনা বাহিনীৰ চাকৰিত মকৰল কৰা হ'ব। আগন্তুক ৯০ দিনৰ ভিতৰত এই নিযুক্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব। ২০২৩ বৰ্ষৰ জুলাই মাহত প্ৰথমটো গোটক কৰ্মক্ষেত্ৰলৈ প্ৰেৰণ কৰা হ'ব। যিসকলক এই আঁচনিত নিযুক্তি দিয়া হ'ব, তেওঁলোকক অগ্নিবীৰ বুলি অভিহিত কৰা হ'ব। চাৰি বছৰীয়া কাৰ্যকালৰ ভিতৰত প্ৰথম ছয়মাহ প্ৰশিক্ষণৰ সময়। এই সময়ত ৩০-৪০ হাজাৰ টকাকৈ মাননী দিয়া হ'ব। বীমা আৰু চিকিৎসা আঁচনিৰ সুবিধা থাকিব। চাৰি বছৰ সমাপ্তিৰ পিছত ২৫% জোৱানক নিয়মীয়া পদবীত মকৰল কৰা হ'ব। এইসকলে ১৫ বছৰৰ বাবে জোৱান হিচাপে কাৰ্যনিৰ্বাহ কৰিব পাৰিব। যিসকলে চাকৰি সমাপ্ত কৰি ঘৰলৈ আহিব, তেওঁলোকক ১১-১২ লাখ টকাৰ আৰ্থিক পেকেজ প্ৰদান কৰিব। তেওঁলোকৰ বাবে পেন্সন আঁচনি নাথাকিব। এই আঁচনি যদিহে সফল হয়, তেনেহ'লে সেনা বাহিনীৰ বাৰ্ষিক বাজেট ৰাহি হ'ব আৰু এই ৰাহি ধনেৰে সেনা বাহিনীৰ আধুনিকীকৰণৰ বাবে ব্যয় কৰিব পাৰিব। এই আঁচনিত যুৱক-যুৱতী দুয়ো পক্ষকে নিযুক্তি দিয়া হ'ব। এনেকৈয়ে অগ্নিপথ শীৰ্ষক নতুন আঁচনিৰ শুভাৰম্ভ কৰিলে প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে।



# নূপুৰ শৰ্মাৰ সমৰ্থনত দেশজুৰি বজৰং দলৰ প্ৰতিবাদ

## মুছলমান মৌলবাদীৰ ওচৰত শিৰনত নকৰিবলৈ চৰকাৰলৈ আহ্বান

**নতুন দিল্লী, ১৪ জুন ঃ** বিজেপিৰ নিলম্বিত মুখপাত্ৰ নূপুৰ শৰ্মাৰ পক্ষত থিয় দিছে বজৰং দল। মঙলবাৰে দেশজুৰি প্ৰতিবাদ সাব্যস্ত কৰা দেখা গ'ল। বজৰং দলৰ উপৰিও বিশ্ব হিন্দু পৰিষদ আৰু অন্যান্য সোঁ পন্থী দলৰ কৰ্মকৰ্তাই এই কাৰ্যসূচীত ভাগ লৈছে। গেৰুৱা পতাকাৰে শোভাযাত্ৰা কৰাৰ উপৰিও হনুমান চালিচা পাঠ কৰি এই প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা দেখা গৈছে। বিশ্ববাসীৰ সন্মুখত ভাৰতৰ মান আৰু মৰ্যাদা অৱনমিত কৰিবলৈ একাংশ মুছলমান মৌলবাদীয়ে গভীৰ ষড়যন্ত্ৰত লিপ্ত হৈছে আৰু পৰিকল্পিতভাৱে এই বিষয়টো জীয়াই ৰাখিছে বুলিও বিশ্ব হিন্দু পৰিষদে অভিযোগ কৰিছে। ভাৰতত কোনো কাৰণতে মুছলমান মৌলবাদীৰ ষড়যন্ত্ৰ ৰূপায়ণ কৰিবলৈ দিয়া নহ'ব বুলি সকীয়াই দিছে। উল্লেখ্য যে মুছলমানৰ প্ৰ'ফেট মহম্মদৰ বিষয়ত এক আপত্তিজনক মন্তব্য প্ৰকাশ কৰিছিল নূপুৰ শৰ্মাই। প্ৰায় এপযেকৰ পূৰ্বে টি ভি টকশ্বৰ জৰিয়তে বিষয়তো উল্লেখ কৰিছিল। কিন্তু এই মন্তব্যৰ ওপৰত ভিত্তি কৰি ভাৰতৰ মুছলমান সমাজ বিশেষকৈ দিল্লীৰ জামা মছজিদ কৰ্তৃপক্ষই ব্যাপক প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিছিল। যোৱা দহ জুন তাৰিখে শুকুৰবৰীয়া নামাজ সমাপ্তিৰ পিছত মছজিদৰ পৰা ওলাই একাংশই হাতে হাতে শিলগুটি, ইটাৰ টুকুৰা, লাঠি আদি লৈ ৰাজপথত তাণ্ডৱ সৃষ্টি কৰিছিল। দিল্লী, উত্তৰ প্ৰদেশ, উত্তৰাখণ্ড, পশ্চিমবংগ, মধ্য প্ৰদেশ আদিত সৃষ্টি হোৱা পৰিস্থিতিৰ ফলশ্ৰুতিত একাধিক ব্যক্তিৰ প্ৰাণ হানি হৈছিল।

## বিজেপি পাৰিষদৰ দল ত্যাগ

**নতুন দিল্লী, ১৪ জুন ঃ** ৰাজস্থানৰ টাবাছুম মিৰ্জা নামৰ স্থানীয় পৌৰ নিকায়ৰ এগৰাকী নিৰ্বাচিত পাৰিষদে নূপুৰ শৰ্মা প্ৰসংগত বিজেপিৰ ভূমিকাৰ বিৰুদ্ধে অসন্তুষ্টি প্ৰকাশ কৰিছে। পোতা পৌৰ নিগমৰ ৱাৰ্ড মেম্বৰগৰাকীয়ে সেয়েহে মঙলবাৰে বিজেপি দলৰ সদস্য পদ ত্যাগ কৰিছে। ৰাজ্যিক সভাপতি সতীশ পুনিয়া আৰু জিলা সভাপতি কৃষাণ কুমাৰ ছোনিলৈ পদত্যাগ-পত্ৰ প্ৰেৰণ কৰিছে। এক দশকৰ পূৰ্বেই বিজেপি দলত যোগদান কৰা মিৰ্জাই নূপুৰ শৰ্মাৰ মন্তব্যত ক্ষুণ্ণ হৈ পৰিছে। এই সময়ত যদিহে তেওঁ বিজেপিৰ প্ৰতি সমৰ্থন জ্ঞাপন কৰি যায়, তেনেহ'লে তেওঁতকৈ ডাঙৰ অন্ধ অনুসৰণকাৰী কোনো নহ'ব বুলি উনুকিয়াইছে। বৰ্তমানেও নূপুৰ শৰ্মাকেন্দ্ৰিক বিতৰ্ক আৰু সপক্ষে-বিপক্ষে প্ৰতিবাদ চলি থকাৰ সময়তে এগৰাকী নিৰ্বাচিত পাৰিষদে গেৰুৱা দল ত্যাগ কৰা কাৰ্যই বিশেষভাৱে চৰ্চিত হৈ পৰিছে।

# দ্বিতীয় দিনাও ৰাহুল গান্ধীক এনফৰ্চমেণ্টৰ জেৰা

## নেচনেল হেৰাল্ড কাকত গোষ্ঠীৰ কৰ ফাঁকি বিষয়ত চলি আছে অনুসন্ধান

**নতুন দিল্লী, ১৪ জুন ঃ** এদিনৰ পূৰ্বে মুঠ দহ ঘণ্টা জেৰা কৰা হৈছিল ৰাহুল গান্ধীক। কেৰালাৰ ৱায়ানাড সমষ্টিৰ সাংসদ তথা কংগ্ৰেছৰ প্ৰাক্তন ৰাষ্ট্ৰীয় সভাপতি ৰাহুল গান্ধীক এনফৰ্চমেণ্ট বিভাগে তলব কৰিছিল আৰু নেচনেল হেৰাল্ড কাকত গোষ্ঠীৰ অধীনত থকা সা-সম্পদ বিষয়ত অনুসন্ধানৰ উদ্দেশ্যৰে। ২০১২ বৰ্ষত ৰুজু হোৱা এক গোচৰৰ ভিত্তিত ইতিমধ্যে কংগ্ৰেছৰ বহুকেইজন জ্যেষ্ঠ নেতাক জেৰা কৰা হৈছিল। ইয়াৰ পিছত ছোনিয়া গান্ধী আৰু ৰাহুল গান্ধীক ১৩ জুনত হাজিৰ হ'বলৈ নিৰ্দেশ দিয়া হৈছিল। শাৰীৰিক অসুস্থতাৰ বাবে ছোনিয়া গান্ধী অনুপস্থিত যদিও ৰাহুল গান্ধীক মঙলবাৰে দ্বিতীয় দিনৰ বাবে একেৰাহে জেৰা অব্যাহত ৰাখিছে। ইফালে এনফৰ্চমেণ্ট বিভাগে ৰাজনৈতিক ষড়যন্ত্ৰৰ অংশীদাৰ হোৱা বুলি কংগ্ৰেছে অভিযোগ কৰিছে। সোমবাৰে দিল্লী আৰু দেশৰ বিভিন্ন স্থানত প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰা পৰিলক্ষিত হয়। বহুকেইজন জ্যেষ্ঠ নেতা আৰক্ষীৰ আক্ৰমণৰ বলি হয়। সাংসদ পি চিদাম্বৰমৰ পিঠিৰ হাড় ভাঙি যোৱাৰ বাবে তেওঁক চিকিৎসালয়ত ভৰ্তি কৰোৱা হৈছে। ইফালে ৫১ বছৰীয়া ৰাহুল গান্ধীক এ পি জে আব্দুল কালাম পথত থকা এনফৰ্চমেণ্টৰ মুখ্য কাৰ্যালয়ত জেৰা চলাই থকা হৈছে। জেদ প্লাছ নিৰাপত্তাৰক্ষীৰ বেষ্টনীসহ কংগ্ৰেছ নেতাজনক উক্ত কাৰ্যালয়ত প্ৰৱেশ কৰা পৰিলক্ষিত হৈছে। এনফৰ্চমেণ্টৰ এই পদক্ষেপৰ বিৰুদ্ধে ৰাজপথত প্ৰতিবাদ কৰা কে চি বেণুগোপাল, অধীৰৰঞ্জন চৌধুৰী, গৌৰৱ গগৈ, দীপেন্দৰ সিং হুদা, ৰঞ্জীত ৰঞ্জন, ইমৰাণ প্ৰতাপগড়ি



ইত্যাদিক আটক কৰা দেখা গ'ল। আনহাতে ৰণদ্বীপ সিং সুৰ্যাৱালা, ভূপেশ বাঘেল, অশোক গেহলট, জ্যেষ্ঠ নেতাসকলে এনফৰ্চমেণ্টৰ বিৰুদ্ধে সোচ্চাৰ হৈ পৰিছে। ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটে কয় যে এনফৰ্চমেণ্ট বিভাগে এতিয়া নাৰায়ণ ৰানে, হিমন্ত বিশ্ব শৰ্মা আদিৰ বিৰুদ্ধে কি পদক্ষেপ গ্ৰহণ কৰে, সেয়া দেশবাসীয়ে চাবলৈ ৰৈ আছে।



*৫৪ত ভৰি দিলে মহাৰাষ্ট্ৰ নৱ-নিৰ্মাণ সেনাৰ মুৰব্বী ৰাজ থাকৰে- ২০০৬ চনত বাল থাকৰেৰ শিৱসেনা ত্যাগ কৰি নিজাকৈ ৰাজনৈতিক দল গঢ়ি তুলিছিল, ফটোত যুৱক ৰাজ থাকৰেৰ সৈতে খুড়াক বাল থাকৰে*

কয়লা কেলেংকাৰি

# অভিজিৎ বেনাৰ্জীৰ ঘৰত চিবিআই, পত্নী ৰুজিৰাক জেৰা



**নতুন দিল্লী, ১৪ জুন ঃ** চিবিআইৰ আঠজনীয়া এটা দলে মঙলবাৰে পুৱাৰ ভাগতে কলকাতাৰ দক্ষিণ অঞ্চলত অৱস্থিত তৃণমূলৰ সাংসদ অভিজিৎ বেনাৰ্জীৰ বাসগৃহত উপস্থিত হয়। কয়লা কেলেংকাৰিক তৃণমূলৰ সাংসদ অভিজিৎ আৰু তেওঁৰ পত্নী ৰুজিৰা বেনাৰ্জী জড়িত থকাৰ গুৰুতৰ অভিযোগ আছে। বিষয়টো তদন্ত কৰি আছে চিবিআইৰ এটা দলে। ইফালে বিগত বৰ্ষত ৰুজিৰাৰ ভগ্নী মেনকা গম্ভীৰ, তেওঁৰ স্বামী আৰু শহুৰক সোধা-পোছা কৰিছিল। উল্লেখ্য যে তৃণমূল কংগ্ৰেছে এই কাৰ্য মোদী চৰকাৰৰ ষড়যন্ত্ৰ বুলি অভিহিত কৰিছে। কোনো ধৰণৰ ৰাজনৈতিক বা ব্যৱসায়িক কামত জড়িত নথকা সত্ত্বেও চিবিআইৰ দ্বাৰা আক্ৰোশৰ বলি হৈ এনেদৰে হাৰাশাস্তি কৰা বুলি অভিযোগ উঠিছে। মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে অভিষেকৰ বাসগৃহত উপস্থিত হয়। তেতিয়াই চিবিআইৰ দলটো বাসগৃহৰ পৰা আঁতৰি যায় বুলি প্ৰকাশ পাইছে।

**যোগীৰ বিৰুদ্ধে সামাজিক মাধ্যমত সমালোচনা**

# উত্তৰ প্ৰদেশ আৰক্ষীৰ জালত ১৯ বছৰীয়া যুৱক




**লক্ষ্ণৌ, ১৪ জুন ঃ** উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথক সামাজিক মাধ্যমক সমালোচনা কৰি বিপদত পৰিছে উত্তৰ প্ৰদেশৰ এজন যুৱক। উল্লেখ্য যে যোৱা ১৩ জুন অৰ্থাৎ সোমবাৰে মুখ্যমন্ত্ৰী যোগীক সমালোচনা কৰিছিল গুলবাহাৰ অঞ্চলৰ টাটাৰিয়া গাঁৱৰ বাসিন্দা আক্ৰাম আলীয়ে। উত্তৰ প্ৰদেশত বুলডোজাৰ চলোৱা কাৰ্যৰ সমালোচনাৰে যোৱা দেওবাৰে নিশা প্ৰায় এঘাৰ বজাৰ যুৱকজনে সমালোচনা কৰি সামাজিক মাধ্যমত নিজৰ বক্তব্য ভাইৰেল কৰিছিল। ইয়াৰ পিছতে উত্তৰ প্ৰদেশ আৰক্ষীয়ে নিজাকৈ এটা গোচৰ ৰুজু কৰে। ভাৰতীয় দণ্ডবিধি আইনৰ ৫০৪, ৫০৫, ৪৬৯ আৰু ২৯৫ ধাৰাত গোচৰ ৰুজু কৰা হৈছে। পিছত তেওঁক গ্ৰেপ্তাৰ কৰিছে। উল্লেখ্য যে যোৱা মে' মাহত ১৫ বছৰীয়া এজন কিশোৰে মুখ্যমন্ত্ৰী যোগীক সমালোচনা কৰিছিল। বিগত মাৰ্চ মাহত মুখ্যমন্ত্ৰী যোগী আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী মায়াৱতীক সমালোচনা কৰি কাৰাগাৰৰ আলহী হৈছিল এজন ২৪ বছৰীয়া যুৱক। একেদৰে ২০২০ বৰ্ষৰ মে' মাহত এলাহাবাদৰ ৰাজেশ কুমাৰ শুক্লাই প্ৰিয়ংকা গান্ধীক সমালোচনা কৰাৰ বাবেও আৰক্ষীৰ জালত পৰিছিল। ইফালে এলাহাবাদৰ অনুপ সিং নামৰ এজন ব্যক্তিয়ে যোগীৰ বিৰুদ্ধে অপমানজনক মন্তব্য প্ৰকাশ কৰি আৰক্ষীৰ হাতত আটক হৈছিল। এনেকৈয়ে উত্তৰ প্ৰদেশত সামাজিক মাধ্যমত চৰকাৰী পক্ষক সমালোচনাৰ প্ৰত্যুত্তৰ হিচাপে আৰক্ষীয়ে তাৎক্ষণিকভাৱে পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। সামাজিক মাধ্যমত অপপ্ৰচাৰ বা অতিৰঞ্জিত প্ৰচাৰৰ বিৰুদ্ধে উত্তৰ প্ৰদেশ আৰক্ষী সদা সতৰ্ক হৈ থকাও পৰিলক্ষিত হৈছে। যাৰ বাবে সামাজিক মাধ্যমত অপপ্ৰচাৰ চলোৱাৰ পিছত আৰক্ষীৰ জালত সঘনে পৰিছে সংশ্লিষ্ট লোকসকল।

# টিকট থকা যাত্ৰীক বিমানবন্দৰ চৌহদত জিৰণিৰ সুযোগ নিদিয়াৰ বাবে ১০ লাখ টকাৰ জৰিমনা

**নতুন দিল্লী, ১৪ জুন ঃ** অসামৰিক বিমান পৰিবহণ বিভাগৰ সঞ্চালক প্ৰধানে এয়াৰ ইণ্ডিয়া কৰ্তৃপক্ষৰ বিৰুদ্ধে দহ লাখ টকাৰ জৰিমনা আদায়ৰ নিৰ্দেশ দিছে। যাত্ৰীয়ে লগত বৈধ টিকট সংগ্ৰহৰ পিছতো বিমান বন্দৰ চৌহদত অপেক্ষা কৰিবলৈ আৰু জিৰণী ল'বলৈ অনুমতি নিদিয়াৰ গুৰুতৰ অভিযোগ আছে। যাৰ বাবে বিমান পৰিবহণ সংস্থাই যাত্ৰীৰ অভিযোগৰ ভিত্তিত তদন্ত কৰে। এই তদন্তত এয়াৰ ইণ্ডিয়া কৰ্তৃপক্ষৰ বিৰুদ্ধে গাফিলতি ধৰা পৰে। দিল্লী, হায়দৰাবাৰ আৰু বাংগালৰুত এনে বহু যাত্ৰীয়ে এয়াৰ ইণ্ডিয়াৰ বাধাৰ সন্মুখীন হৈ আহিছে। কিন্তু চৰকাৰৰ নিয়মাৱলী অনুসৰি বৈধ টিকট লাভ কৰা সকলে নিজৰ বিমান নহা পৰ্যন্ত চৌহদত প্ৰৱেশ আৰু অপেক্ষা কৰাৰ অনুমতি দিব লাগে। এই নিয়ম ভংগ কৰাৰ বাবেই জৰিমনা বিহা হৈছে।






*দিল্লী, চণ্ডীগড় আদিকে ধৰি দেশৰ বিভিন্ন স্থানত কংগ্ৰেছ কৰ্মীৰ প্ৰতিবাদ যোৱা দুদিনে অব্যাহত আছে, ৰাহুল গান্ধীক এনফৰ্চমেণ্টৰ দ্বাৰা জেৰা কৰা কাৰ্যৰ বিৰোধিতাৰে*

**৩০ জুনৰ পৰা অমৰনাথ যাত্ৰা, ২.৫ লাখ যাত্ৰী সাজু**

# ৪৩ দিনৰ দীঘলীয়া কাৰ্যসূচীৰ সকলো প্ৰস্তুতি সম্পূৰ্ণ

**শ্ৰীনগৰ, ১৪ জুন ঃ** অহা ৩০ জুনৰ পৰা আৰম্ভ হ'ব বিখ্যাত অমৰনাথ যাত্ৰাৰ কাৰ্যসূচী। ইতিমধ্যে এই যাত্ৰাত ভাগ ল'বলৈ ২.৫ লাখ শৰণাৰ্থী আৰু দৰ্শনাৰ্থীয়ে নিজৰ নাম পঞ্জীয়ন কৰিছে। এই যাত্ৰা সুকলমে সম্পন্ন কৰিবলৈ স্থানীয় প্ৰশাসন সাজু হৈছে। উল্লেখ্য যে এই যাত্ৰা কমেও ৪৩ দিনীয়া হয়। দুটা পথেৰে অমৰনাথ দৰ্শনাৰ্থীৰ যাতায়াত হয়। পৰম্পৰাগত পথৰ দৈৰ্ঘ্য ৪৮ কিলোমিটাৰ আৰু দক্ষিণ কাশ্মীৰৰ পাহালগাম অঞ্চলৰ মাজেৰে এই যাত্ৰা কৰা হয়। ইফালে মধ্য কাশ্মীৰৰ গান্ধাৰবল অঞ্চলেৰে বেলতল সংযোগী পথেৰেও এই যাত্ৰা কৰিব পাৰি। পূৰ্বৰ তুলনাত দ্বিতীয় পথটো ১৪ কিলোমিটাৰ দৈৰ্ঘ্য হ্ৰাস হয়। অমৰনাথ যাত্ৰাৰ জৰিয়তে সমগ্ৰ কাশ্মীৰ উপত্যকাত অৰ্থনৈতিক দিশতো টনকীয়াল হৈ পৰে। কিয়নো একোটা গোটে প্ৰায় ডেৰমাহ ধৰি এই যাত্ৰাত নিয়োজিত থকাৰ সময়ত কাষৰীয়া ব্যৱসায়িক কাম-কাজ লাভজনক হৈ উঠে। প্ৰতিবছৰে ৮-১০ লাখ শৰণাৰ্থীয়ে এই যাত্ৰাত ভাগ লয়। জম্মু-কাশ্মীৰৰ বাবে অমৰনাথ যাত্ৰা সৰ্ববৃহৎ ধৰ্মীয় মেলা হিচাপে পৰিগণিত হৈ আহিছে। উল্লেখ্য যে দেশৰ ৪৫০ টা বেংক শাখাত এই যাত্ৰাৰ বাবে পঞ্জীয়নৰ সুবিধা উপলব্ধ আছে। মোবাইল এপৰ জৰিয়তে চলিত বৰ্ষত পঞ্জীয়নৰ সুবিধা প্ৰদান কৰা হৈছে।



## জিয়াউৰ ৰহমান আন্তঃবিদ্যালয় ফুটবলত ধমন উচ্চতৰ মাধ্যমিক বিদ্যালয় দল চেম্পিয়ন

**গুৱাহাটী, ১৪ জুন ঃ** মৰাণ জিলা ক্ৰীড়া সন্থাৰ উদ্যোগত মৰাণ মহাবিদ্যালয় খেল পথাৰত চলি থকা জিয়াউৰ ৰহমান মৰাণ আন্ত:বিদ্যালয় ফুটবলত ধমন উচ্চতৰ মাধ্যমিক বিদ্যালয়ে চেণ্ট যোছেফ হাইস্কুলক ২-০ গ'লৰ ব্যৱধানত পৰাজিত কৰি চেম্পিয়ন হৈছে। আজি অনুষ্ঠিত ফাইনেল খেলত বিজয়ী দলৰ হৈ ২২ মিনিট আৰু ২৩ মিনিটত গ'ল দুটা দিয়ে ক্ৰমে বিনন্দ চেৰুৱা আৰু নিবিড় গগৈয়ে। প্ৰতিকূল বতৰৰ বাবে পানী-বোকা হৈ পৰা খেল পথাৰত চেণ্ট যোছেফে কেইবাটাও গলৰ সুবিধা পাইও কাৰ্যকৰী কৰিব নোৱাৰিলে। খেল পৰিচালনা কৰে ত্ৰিদ্বিপ ফুকন, সোণালী কোঁৱৰ, মুন পলাশ ফুকন আৰু ভৰেশ বৰাই। প্ৰতিযোগিতাৰ সৰ্বাধিক গলদাতা বিবেচিত হয় ধমনৰ বিনন্দ চেৰুৱা আৰু চেণ্ট যোছেফৰ পুশৰাজ শইকীয়া। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ গলৰক্ষক বিবেচিত হয় চেণ্ট যোছেফৰ অংশুমান সোনোৱাল আৰু পুশৰাজ শইকীয়া। প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হয় চেণ্ট যোছেফৰ প্ৰাচুৰ্য দিহিঙ্গীয়া আৰু চূড়ান্ত খেলৰ শ্ৰেষ্ঠ খেলুৱৈ নিৰ্বাচিত হয় ধমনৰ বিনন্দ চেৰুৱা।

## আন্তঃজিলা ছাব-জুনিয়ৰ উশ্বু চেম্পিয়নশ্বিপ

**গুৱাহাটী, ১৪ জুন ঃ** গুৱাহাটীৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামৰ উশ্বু ট্ৰেইনিং হলত অনুষ্ঠিত হৈছে ১৯ সংখ্যক আন্তঃজিলা ছাব জুনিয়ৰ লৰা- ছোৱালীৰ উশ্বু চেম্পিয়নশ্বিপ। অসম উশ্বু সন্থাৰ সহযোগত তথা কামৰূপ মেট্ৰ উশ্বু সন্থাৰ উদ্যোগত আয়োজিত হৈছে এই প্ৰতিযোগিতাত ৰাজ্যৰ ২৬ খন জিলাৰ প্ৰায় ৪০০ খেলুৱৈয়ে উজাৰি দিছে নিজৰ শ্ৰেষ্ঠত্ব। ১৪ টা ইভেন্ট অনুষ্ঠিত হৈছে বিভিন্ন ওজন গোটৰ শাখাত। উল্লেখ্য যে অহা ন ৰ পৰা ১৪ জুলাইলৈ হিমাচল প্ৰদেশত অনুষ্ঠিত হ'ব ছাব জুনিয়ৰ ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপ। সেয়েহে ছাব জুনিয়ৰ পৰ্যায়ৰ খেলুৱৈক ৰাষ্ট্ৰীয় চেম্পিয়নশ্বিপৰ বাবে এই প্ৰতিযোগিতাৰ পৰাই বাছনি কৰা হ'ব। বিগত বৰ্ষৰ ছাব জুনিয়ৰ নেচনেলত অসমৰ পদক আছিল ১৭ টা। এইবাৰো সুন্দৰ ফলাফল আশা কৰিছে অসম উশ্বু সন্থাৰ সম্পাদক ৰঞ্জিত বড়োৱে।



অসম যুৱ অলিম্পিকৰ পোষ্টাৰ মুকলি অনুষ্ঠানত লক্ষ্য কোঁৱৰকে ধৰি অন্যান্য, গুৱাহাটীত মঙলবাৰে

## খেলো ইণ্ডিয়াৰ সাঁতোৰত তিনিটা পদক লাভ অসমৰ আস্থা চৌধুৰীৰ

**গুৱাহাটী, ১৪ জুন ঃ** চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত নিজৰ তৃতীয়টো পদক জয় কৰি হেট্ৰিক অৰ্জন কৰিছে অসমৰ জলকন্যা আস্থা চৌধুৰীয়ে। উল্লেখ্য যে হাৰিয়ানাত চলি থকা চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ সাঁতোৰত আস্থাই ছোৱালীৰ ২০০ মিটাৰ ৱাটাৰফ্লাই শাখাত ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হয়। তেওঁ সময় লয় দুই মিনিট ২০.৯২ ছেকেণ্ড। আস্থাৰ এই সফলতাৰে অসমে সাঁতোৰত তৃতীয়টো পদক লাভ কৰিলে। উল্লেখ্য যে ইয়াৰপূৰ্বে অসম কন্যাই চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত দুটাকৈ পদক লাভ কৰিবলৈ সক্ষম হৈছিল। দুদিন পূৰ্বে হোৱা ছোৱালীৰ ১০০ মিটাৰ ৱাটাৰফ্লাই শাখাতো আস্থাই ৰূপৰ পদক লাভ কৰিছিল। তেওঁ সময় লয় এক মিনিট ০৩.৮৯ ছেকেণ্ড। আনহাতে, ২০০ মিটাৰ ফ্ৰী-ষ্টাইল শাখাতো আস্থা চৌধুৰীয়ে ব্ৰঞ্জ পদক অৰ্জন কৰি ৰাজ্যক গৌৰৱ দিছিল। ইফালে, আস্থাৰ লগতে অসমৰ বিক্ৰম চাংমাই আৰু উত্তৰা গগৈয়েও চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত সাঁতোৰত মুঠ পাঁচটা পদক লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু উভয় খেলুৱৈৰ সফলতা অসমৰ পৰিবৰ্তে দিল্লীৰ হিচাপে পদক তালিকাত দেখুওৱা হৈছে। কাৰণ চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত যোগ্যতা অৰ্জনৰ সময়ত উত্তৰাই দিল্লীৰ হৈ খেলিছিল। একেই ঘটনা ঘটিছে অসমৰ বিক্ৰম চাংমাইৰ ক্ষেত্ৰতো। উল্লেখ্য যে বিক্ৰমে ল'ৰাৰ ২০০ মিটাৰ মিডলে শাখাত সোণ, ২০০ মিটাৰ ৱাটাৰফ্লাই শাখাত ৰূপ আৰু ৫০ মিটাৰ ৱাটাৰফ্লাই শাখাতো ৰূপ লাভ কৰিছে। আনহাতে, ছোৱালীৰ ১০০ মিটাৰ ৱাটাৰফ্লাই শাখাত ব্ৰঞ্জৰ পদক লাভ কৰা অসমৰ উত্তৰা গগৈয়ে ছোৱালীৰ ৫০ মিটাৰ ৱাটাৰফ্লাই শাখাতো ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু এই পাঁচটা পদক অসমৰ নামত নাই। বিপৰীতে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমৰ সাঁতোৰ খেলুৱৈৰ জড়িয়তে পাঁচটা পদক লাভ কৰিছে দিল্লীয়ে।

### চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ সামৰণি ঃ প্ৰথম তিনিটা স্থানত হাৰিয়ানা-মহাৰাষ্ট্ৰ-কৰ্ণাটক

# ২১টা পদকেৰে ২০ নম্বৰ স্থানত অসম

**গুৱাহাটী, ১৪ জুন ঃ** হাৰিয়ানাত অনুষ্ঠিত হোৱা চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াৰ আজি সামৰণি পৰিছে। উল্লেখ্য যে প্ৰতিযোগিতাত অসমে মুঠ ২১ টা পদক জয় কৰিবলৈ সক্ষম হৈছে আৰু পদক তালিকাত অসমৰ স্থান হ'ল ২০। উল্লেখ্য যে এইবাৰ অসমে ১৩ বিধ খেলত ৬২ জন খেলুৱৈ প্ৰেৰণ কৰিছিল। অসমে দুটা সোণ, ১১ টা ৰূপ আৰু আঠটা ব্ৰঞ্জৰ পদক লাভ কৰে। চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমক প্ৰথমটো সোণ দিয়াৰ গৌৰৱময় সফলতা লাভ কৰে থাংটা খেলুৱৈ ৰাজা সিনহাই। ইফালে, থাংটাত ৰূপৰ পদক লাভ কৰে উৰ্মিলা শৰ্মা, ম'নালী গগৈ, ৰাহুল চৌহান, য়াইখ'স্বা আৰু ইলিনাই। আনহাতে, থাংটাত অসমক ব্ৰঞ্জ পদক দিয়ে সুৰজ সিং আৰু এম সান্তামনিয়ে। ইফালে, ভাৰোত্তোলনত অসমৰ সুদিত্য বৰুৱাই ৮৯ কিলোগ্ৰাম শাখাত সোণ লাভ কৰিবলৈ সক্ষম হয়। তদুপৰি ভাৰোত্তোলনত অসমৰ ত্ৰিদীপ বৰুৱাই ৮১ কিলোগ্ৰাম শাখাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে প্ৰবাল প্ৰতিম গগৈয়ে ৭৩ কিলোগ্ৰাম শাখাত ব্ৰঞ্জ লাভৰ লগতে ছোৱালীৰ শাখাত ৰেখামণি গগৈয়ে ব্ৰঞ্জ লাভ কৰিবলৈ সক্ষম হয়। সাঁতোৰত অসমৰ জলকন্যা আস্থা চৌধুৰীয়ে তিনিটা পদক লাভ কৰি হেট্ৰিক অৰ্জন কৰিছে। বক্সিঙত অসমৰ ইমদাদ হুছেইনে ৰূপ আৰু আইকন মিলিয়ে ব্ৰঞ্জৰ পদক লাভ কৰাৰ বিপৰীতে পৰম্পৰাগত ক্ৰীড়া কালাৰীপায়ুত্তুতো দুটাকৈ পদক লাভ কৰিছে অসমৰ খেলুৱৈয়ে। অসমৰ জাকাৰিয়া ইছলামে ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে ছোৱালীৰ শাখাত অসমৰ সমীক্ষা বেগমে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। ইফালে, অসমৰ হৈ এটা ৰূপৰ পদক লাভ কৰে যোগাসনত সুমিত দে। আনহাতে, ৰিডমিক জিমনাষ্টিকছত অসম কন্যা উপাশা তালুকদাৰে ব্ৰঞ্জৰ পদক লাভ কৰে। ইফালে, অসমৰ বিক্ৰম চাংমাই আৰু উত্তৰা গগৈয়েও চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত সাঁতোৰত মুঠ পাঁচটা পদক লাভ কৰিবলৈ সক্ষম হৈছে। কিন্তু উভয় খেলুৱৈৰ সফলতা অসমৰ পৰিবৰ্তে দিল্লীৰ হিচাপে পদক তালিকাত দেখুওৱা হৈছে। কাৰণ চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত যোগ্যতা অৰ্জনৰ সময়ত বিক্ৰম আৰু উত্তৰাই দিল্লীৰ হৈ খেলিছিল। উল্লেখ্য যে বিক্ৰমে এটা সোণ আৰু দুটা ৰূপ লাভ কৰাৰ বিপৰীতে উত্তৰাই দুটা ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। ইফালে, আয়োজক হাৰিয়ানাই মুঠ ১৩৭ টা পদক লাভ কৰি শীৰ্ষত থকাৰ বিপৰীতে দ্বিতীয়ত মহাৰাষ্ট্ৰ (১২৫ টা পদক) আৰু তৃতীয়ত কৰ্ণাটক (৬৭ টা পদক) থাকে।

## ভলীবলৰ ৰাষ্ট্ৰীয় বাছনি শিবিৰলৈ মেহদী আলম

**গুৱাহাটী, ১৪ জুন ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ অধীনৰ ভলীবল খেলুৱৈ মেহদী আলমে ভাৰতীয় ভলীবল দলৰ বাছনি তথা প্ৰশিক্ষণ শিবিৰলৈ আমন্ত্ৰিত হোৱাৰ খবৰে জিলাখনৰ ক্ৰীড়া মহলত আনন্দৰ লহৰ তুলিছে। উল্লেখ্য যে এছিয়ান ভলীবল কনফেডাৰেচনৰ উদ্যোগত ইৰাণত অহা ১৫ ৰ পৰা ২২ আগষ্টলৈ অনুষ্ঠিত হ'বলগীয়া পুৰুষৰ ১৮ বছৰ অনূৰ্ধ্বৰ ১৪ সংখ্যক এছিয়ান ভলীবল প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিবৰ বাবে ভাৰতীয় দলটো গঠনৰ বাবে ওড়িশাত অহা ১৮ আৰু ১৯ জুনত দুদিনীয়াকৈ বাছনি শিবিৰ অনুষ্ঠিত হ'ব। উক্ত বাছনি শিবিৰৰ পৰা নিৰ্বাচিত খেলুৱৈসকলে অহা ২০ জুনৰ পৰা আয়োজিত প্ৰশিক্ষণ শিৱিৰত ভাগ ল'ব। উল্লেখ্য যে, মৰাণত অনুষ্ঠিত আন্তঃজিলা জুনিয়ৰ ভলীবল প্ৰতিযোগিতাত ধিং গাঁৱৰ মেহদী আলমে নগাঁও জিলাক প্ৰতিনিধিত্ব কৰি শ্ৰেষ্ঠ খেলুৱৈৰূপে পৰিগণিত হৈছিল। নগাঁও ক্ৰীড়া সংস্থাই ইতিমধ্যে খেলুৱৈগৰাকীৰ সফলতা কামনা কৰি শুভেচ্ছা জ্ঞাপন কৰে। ইয়াৰোপৰি অসম ভলীবল সংস্থাৰ বিষয়ববীয়া প্ৰদীপ কুমাৰ হাজৰিকা, জীৱন চুড়াণা, প্ৰশান্ত কুমাৰ দাস আৰু পৰশুৰাম মহেশ্বৰীৰ লগতে ক্ৰীড়া সংগঠক সমীৰ হাজৰিকা, দেৱজ্যোতি গোস্বামী আৰু দেৱজিত দাস আদিয়েও উদীয়মান ভলীবল খেলুৱৈগৰাকীক শুভেচ্ছা জনাইছে।


দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে তৃতীয় টি-২০ত ভাৰতীয় বেটছমেন ঈষাণ কিষাণ

## আন্তঃবিদ্যালয় দবা প্ৰতিযোগিতাৰ সফল সামৰণি

**গুৱাহাটী, ১৪ জুন ঃ** মৰিগাঁও জিলা আন্ত: বিদ্যালয় দবাত মৰিগাঁও মজলীয়া বিদ্যালয়ৰ পিয়ূষ প্ৰতীম মছৰংঙ আৰু সংস্কৃতি বিদ্যাপীঠ, বঘৰাৰ প্ৰাপ্তিবৰ্ণা ঠাকুৰীয়া ল'ৰা আৰু ছোৱালীৰ উভয় শাখাৰ খিতাপ দখল কৰে। দুয়োগৰাকী দবাৰুৱে ছয় খন খেলৰ আটাই কেইখনতে ছয় পইণ্ট সংগ্ৰহ কৰে। আনহাতে ল'ৰা শাখাত শীৰ্ষ ছয়টা স্থান লাভ কৰা আন পাঁচগৰাকী দবাৰু হ'ল ক্ৰমে শংকৰদেৱ বিদ্যা নিকেতনৰ কৌস্তভ গগৈ, বিদ্যাপীঠ বঘৰা শংকৰদেৱ বিদ্যানিকেতনৰ হিমাংক শৰ্মা, কুশতলি শ্ৰীমন্ত শংকৰদেৱ ঈশান প্ৰতীম ডেকা, শংকৰদেৱ শিশু নিকেতন, মৰিগাঁৱৰ দেবাশিষ বৰুৱা আৰু শংকৰদেৱ বিদ্যানিকেতন, চৰাবিহীৰ অনুৰাগ নাথ। সেইদৰে ছোৱালী শাখাত ছয়টা শীৰ্ষ স্থানৰ আন পাঁচ গৰাকী দবাৰু হ'ল ক্ৰমে শংকৰদেৱ বিদ্যানিকেতন, চৰাইবাহীৰ প্ৰজ্ঞাশ্ৰী দেৱী, চেণ্ট থেৰেছা, মৰিগাঁৱৰ চয়ানিকা বুঢ়াগোহাঁই, শংকৰদেৱ বিদ্যানিকেতন, চৰাইবাহীৰ শিখাজ্যোতি ৰঙহাঙ, নবোদয় জাতীয় বিদ্যালয়ৰ কৃষ্টি দাস আৰু মৰিগাঁও মজলীয়া বিদ্যালয়ৰ জিমি হ'ক। আটাইকেগৰাকী কনিষ্ঠ দবাৰু ২৮ জুলাইৰ পৰা ১০ আগষ্টলৈ চেন্নাইত হ'ব লগা দবা অলিম্পিয়াড প্ৰতিযোগিতাৰ বাবে ২৬ আৰু ২৭ জুনত গুৱাহাটীত অনুষ্ঠিত হ'ব লগা ৰাজ্যিক বাচনি প্ৰতিগোগিতাত অংশ গ্ৰহণ কৰিব। উল্লেখ্য মৰিগাঁও জিলা দবা সন্থাই মৰিগাঁও মজলীয় বিদ্যালয়ত অনুষ্ঠিত কৰা বিদ্যালয় দবা প্ৰতিযোগিতাখনত প্ৰায় ১০০ গৰাকী কণকণ দবাৰুৱে অংশ গ্ৰহণ কৰিছিল। প্ৰতিযোগিতাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰে মৰিগাঁও জিলা আৰক্ষী অধীক্ষক অৰ্পণা নটৰাজনে। প্ৰতিযোগীতাৰ বঁটা বিতৰণী সভাত মূখ্য অতিথিৰূপে থাকে মৰিগাঁও জিলা পৰিষদৰ মুখ্যকাৰ্যবাহী বিষয়া ক্ষীতীশ চন্দ্ৰ পেগু। জিলা দবা সন্থাৰ সভাপতি বিৰিঞ্চি কুমাৰ শৰ্মাই সভাপতিত্ব সভা খনত জেষ্ঠ সাংবাদিক অজিত শৰ্মাকে ধৰি কেইগৰাকী গণ্যমান্য ব্যক্তি উপস্থিত আছিল। প্ৰতিগোগিতাখনৰ বিছাৰক আছিল আন্ত:ৰাষ্ট্ৰীয় আৰবিৰ্টাৰ এম অৰুণ সিং।

## ১৮ জুনৰ পৰা অসমত জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল

**গুৱাহাটী, ১৪ জুন ঃ** অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই অহা ১৮ জুনৰ পৰা অসমত আয়োজন কৰিছে জুনিয়ৰ মহিলা ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতা। আজি অসম অলিম্পিক সন্থাৰ প্ৰেক্ষাগৃহত আয়োজিত এক সংবাদ মেলত এই কথা অবগত কৰে অসম ফুটবল সন্থাৰ সভাপতি তথা প্ৰাক্তন ক্ৰীড়া মন্ত্ৰী, বৰ্তমানৰ বিধায়ক নৱ কুমাৰ দলে। উল্লেখ্য যে ১৭ বছৰ অনূৰ্ধ্বৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপখনত আয়োজক অসমকে ধৰি দেশৰ মুঠ ৩৪ টা দলে যোগদান নিশ্চিত কৰিছে। প্ৰতিযোগিতাখনৰ মেচসমূহ অনুষ্ঠিত হ'ব ক্ৰমে সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, নেহৰু ষ্টেডিয়াম, পল্টনবজাৰৰ ছাই নিউ ফিল্ড, সোণাপুৰৰ এল এন আই পি আৰু উদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত। উল্লেখ্য যে, অংশকাৰী দলসমূহক আঠটা গ্ৰুপত ভাগ কৰা হৈছে। অসমে গ্ৰুপ 'জি' ত হাৰিয়ানা, পডুচেৰী আৰু গুজৰাটৰ সৈতে স্থান লাভ কৰিছে। এই প্ৰতিযোগিতাৰ বাবে অসম দলটোৰ প্ৰশিক্ষণ তথা বাছনি শিবিৰ ওদালগুৰি জিলাৰ ডিমাকুছিত যোৱা দুসপ্তাহ ধৰি চলি আছে। অন্য ৰাজ্যৰ দলসমূহ অহা ১৫ ৰ পৰা ১৯ জুনৰ ভিতৰত গুৱাহাটীত উপস্থিত হ'ব। আজিৰ সংবাদ মেলত উপস্থিত থাকে অসম অলিম্পিয়াক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ, ক্ৰীড়া সঞ্চালক নিবেদন দাস পাটোৱাৰী, অসম ফুটবল সন্থাৰ সম্পাদক হেমেন্দ্ৰ ব্ৰহ্ম, উপসভাপতিদ্বয় ৰমেশ ফুকন, অৰুণজ্যোতি মৰাণ, যুটীয়া সম্পাদক অতুল বৰা, কোষাধ্যক্ষ হীৰেন গগৈ। ইফালে, গ্ৰুপ পৰ্যায়ৰ মেচসমূহৰ পাছত দুখন কোৱাৰ্টাৰ ফাইনেল সৰুসজাইত আৰু দুখন কোৱাৰ্টাৰ ফাইনেল সোনাপুৰত অনুষ্ঠিত হ'ব। আনহাতে দুয়োখন ছেমিফাইনেল আৰু ফাইনেল মেচ সৰুসজাইত হ'ব। উল্লেখ্য যে, কভিড সৃষ্ট পৰিবেশৰ বাবে যোৱা দুটা বছৰৰ বিৰতিৰ পাছত ফুটবল ক্ষেত্ৰলৈ পূৰ্বৰ পৰিবেশ ঘূৰাই অনাৰ লক্ষ্যৰে অসম ফুটবল সন্থাই এই ৰাষ্ট্ৰীয় প্ৰতিযোগিতাৰ আয়োজন কৰিছে। প্ৰতিযোগিতাখন সাফল্যমণ্ডিত কৰি তোলাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্ম্মাক মুখ্য পৃষ্ঠপোষক, অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰক মুখ্য উপদেষ্টা আৰু অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী বিমল বৰাক সভাপতি হিচাপে লৈ এখন আয়োজক সমিতি গঠন কৰা হৈছে।

## টেষ্টত এণ্ডাৰছনৰ ৬৫০টা উইকেট

**লণ্ডন, ১৪ জুন ঃ** ইংলেণ্ডৰ পেচাৰ জেমছ এণ্ডাৰছনে টেষ্ট ক্ৰিকেটত ৬৫০ টা উইকেট দখল কৰাৰ গৌৰৱময় সফলতা লাভ কৰিছে। উল্লেখ্য যে এই সফলতা লাভ কৰা এণ্ডাৰছন বিশ্বৰ প্ৰথমজন পেচ বলাৰৰূপে পৰিগণিত হৈছে। নটিংহামৰ ট্ৰেণ্ট ব্ৰীজত নিউজিলেণ্ডৰ বিৰুদ্ধে খেলা দ্বিতীয়খন টেষ্টত এণ্ডাৰছনে এই গৌৰৱৰ সফলতা লাভ কৰে। পেচাৰগৰাকীয়ে নিজৰ গতিৰে কিবি অপেনাৰ টম লাথামক পেভিলিয়নলৈ পঠিয়াই টেষ্ট ক্ৰিকেটত ৬৫০ সংখ্যক উইকেট দখল কৰাৰ সাফল্য অৰ্জন কৰে। ইয়াৰ লগে লগে তেওঁ ৬৫০ নম্বৰত উপনীত হোৱা প্ৰথমজন ইংৰাজ পেচাৰ হিচাপেও পৰিগণিত হয়।



উল্লেখ্য যে শ্ৰীলংকাৰ মুৰুলীধৰন (৮০০) আৰু প্ৰয়াত অষ্ট্ৰেলিয়ান মহান লেগস্পীনাৰ শ্বেন ৱাৰ্ণ (৭০৮) ৰ পিছতে জেমছ টেষ্টত তৃতীয় সৰ্বাধিক উইকেট লোৱা খেলুৱৈ।

## এবছৰ পাছত পুনৰ টেনিছ ক'ৰ্টলৈ প্ৰত্যাৱৰ্তন ছেৰেনা উইলিয়ামছৰ

### উইম্বলডনৰ আয়োজকে দিলে ৱাইল্ড কাৰ্ড

**লণ্ডন, ১৪ জুন ঃ** গ্ৰেণ্ডশ্লাম টেনিছ প্ৰতিযোগিতা উম্বলডনত খেলাৰ কথা ব্যক্ত কৰিছে ছেৰেনা উইলিয়ামছে। উল্লেখ্য যে টেনিছৰ ক'ৰ্টৰ পৰা বিৰত থকা ছেৰেনাই এবছৰৰ পাছত উইম্বলডনত পুনৰবাৰ পুনৰবাৰ ঘূৰি আহিবলৈ সাজু হৈছে। সুদীৰ্ঘ ১২ মাহ পূৰ্বে অল ইংলেণ্ড ক্লাবত প্ৰথম ৰাউণ্ডৰ মেচত আঘাতপ্ৰাপ্ত হোৱা ২৩ বাৰৰ গ্ৰেণ্ড শ্লেম চিংগলছ চেম্পিয়নগৰাকীয়ে আজি ছ'ছিয়েল মিডিয়াত এই কথা ব্যক্ত কৰে। ৪০ বছৰীয়া ছেৰেনাই অহা সপ্তাহত ইংলেণ্ডৰ দক্ষিণ উপকূলত হ'বলগীয়া গ্ৰাছক'ৰ্ট প্ৰতিযোগিতাত খেলিব পাৰিব বুলি কোৱাৰ লগে লগে উৎসাহিত হৈছে অনুৰাগী। উল্লেখ্য যে এতিয়া বিশ্বৰ ১২০৮ নম্বৰ স্থানত থকা উইলিয়ামছে উইম্বলডনত



একক নে ডাবলছত খেলাৰ বাবে মনস্থ কৰিছে সেয়া কিন্তু স্পষ্ট হোৱা নাই। কিন্তু আয়োজকে আজি ছেৰেনাক ৱাইল্ড কাৰ্ড দিছে। উল্লেখ্য যে দীৰ্ঘদিনীয়া আঘাতৰ ফলত খেলপথাৰৰ পৰা আঁতৰি থকা খেলুৱৈসকলৰ বাবে সংৰক্ষিত সুৰক্ষিত ৰেংকিং ব্যৱহাৰ কৰি আমেৰিকানগৰাকীয়ে প্ৰৱেশ কৰিব পাৰিলেহেঁতেন কিন্তু তেওঁ তেনে কৰা নাই। সেয়েহে ৱাইল্ড কাৰ্ডৰ প্ৰয়োজন হয়। অহা ২৭ জুনৰ পৰা আৰম্ভ হ'বলগীয়া এই প্ৰতিযোগিতাত একক আৰু ডাবলৰ বাবে ৱাইল্ড কাৰ্ডৰ প্ৰাৰম্ভিক সূচী আজিয়ে ঘোষণা কৰা হৈছে।

### পৰম্পৰাগত খেলত অসমৰ চমক

## কালাৰীপায়ুত্তুত জাকাৰিয়াৰ ৰূপ, সমীক্ষাৰ ব্ৰঞ্জ লাভ

**গুৱাহাটী, ১৪ জুন ঃ** পৰম্পৰাগত ক্ৰীড়া থাংটা আৰু যোগাসনত অসমৰ খেলুৱৈয়ে পদক লাভ কৰি চমক সৃষ্টি কৰাৰ পাছত চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অন্তৰ্ভুক্ত হোৱা আন এবিধ পৰম্পৰাগত ক্ৰীড়া কালাৰীপায়ুত্তুতো আজি দুটাকৈ পদক লাভ কৰিলে অসমৰ খেলুৱৈয়ে। উল্লেখ্য যে অসমৰ জাকাৰিয়া ইছলামে ল'ৰাৰ ৪.৫ ফুট শাখাত ৰূপৰ পদক লাভ কৰাৰ বিপৰীতে ছোৱালীৰ ৪.৫ ফুট শাখাত অসমৰ সমীক্ষা বেগমে ব্ৰঞ্জৰ পদক লাভ কৰিবলৈ সক্ষম হয়। উল্লেখ্য যে চলিত চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়াত অসমে থাংটাত সৰ্বাধিক আঠটা পদক লাভ কৰাৰ বিপৰীতে চাৰিটা পদক লাভ কৰিছে ভাৰোত্তোলনত। আনহাতে, সাঁতোৰত তিনিটা, বক্সিং আৰু কালাৰীপায়ুত্তুত দুটাকৈ তথা যোগাসন আৰু জিমনাষ্টিকছত এটাকৈ পদক লাভ কৰিছে অসমে। কাইলৈ সামৰণি পৰিব চতুৰ্থ খেলো ইণ্ডিয়া যুৱ ক্ৰীড়া।

## প্ৰাক্তন কাবাডী খেলুৱৈৰ ৰাজ্যিক সমিতি গঠন

**গুৱাহাটী, ১৪ জুন ঃ** ৰাজ্যৰ প্ৰাক্তন কাবাডী খেলুৱৈ সকলৰ এদিনীয়া সম্মিলন আজি দিনজোৰা কাৰ্যসূচীৰে ৰঙিয়া ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত হয়। অসমৰ কেবাগৰাকী প্ৰাক্তন ৰাজ্যিক খেলুৱৈৰ উপস্থিতিত অনুষ্ঠিত সন্মিলনত অসমৰ বিভিন্ন জিলাৰ পৰা প্ৰায় ৭০ গৰাকী প্ৰাক্তন কাবাডী খেলুৱৈ অংশগ্ৰহণ কৰে। সম্মিলনৰ লগত সংগতি ৰাখি অনুষ্ঠিত কৰা সভাত সভাপতিত্ব কৰে প্ৰবীণ খেলুৱৈ নাজিমুদ্দিন আহমেদে। প্ৰাক্তন খেলুৱৈ হৰেশ্বৰ বড়োৱে উদ্দেশ্য ব্যাখ্যা কৰা সভাখনত এখন শক্তিশালী কমিটি গঠন কৰা হয়। সৰ্বসম্মতি ক্ৰমে গঠিত সমিতিত আতিকুল ইছলাম আনচাৰীক সভাপতি হৰেশ্বৰ বড়োক কাৰ্যকৰী সভাপতি, ছিদ্দিকুৰ ৰহমানক সাধাৰণ সম্পাদক হিচাপে মনোনীত কৰা হয়। সভাত এখন সংবিধান প্ৰনয়ন সমিতিও গঠন কৰা হয়। সভাত বক্তা সকলে অসমত কাবাডী খেল আৰু খেলুৱৈৰ উন্নয়নৰ বাবে বিভিন্ন পৰামৰ্শ আগবঢ়ায়। ৰাজ্যৰ কাবাডী খেলৰ উন্নতিৰ বাবে সদস্যসকলোক নিজৰ নিজৰ জিলাত বিহীত ব্যৱস্থা ল'বলৈ আহ্বান জনায়। সন্মিলনত বিশিষ্ট ক্ৰীড়া সংগঠক বীৰেণ কলিতা, আলাউদ্দিন আহমেদ আৰু বিপুল মেধিও উপস্থিত থাকে।


দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে তৃতীয় টি-২০ত উইকেট দখলৰ পিছত ভাৰতীয় বলাৰ ভুৱনেশ্বৰ কুমাৰ

### প্ৰথমবাৰৰ বাবে ৰাজ্যত অসম যুৱ অলিম্পিক

## চৰকাৰৰ সহযোগত বৃহৎ আয়োজনৰ বাবে সাজু হৈছে অসম অলিম্পিক সন্থা

**গুৱাহাটী, ১৪ জুন ঃ** অহা ২৩ ৰ পৰা ২৭ জুলাইলৈ অসম অলিম্পিক সন্থা আৰু অসম চৰকাৰে যুটীয়া ভাৱে প্ৰথমবাৰৰ বাবে আয়োজন কৰিছে অসম যুৱ অলিম্পিক। উল্লেখ্য যে ৰাজ্যিক ক্ৰীড়া প্ৰতিযোগিতাখনত ৩৫ খন জিলাৰ প্ৰায় ৪৫০০ খেলুৱৈয়ে অংশ ল'ব। প্ৰতিযোগিতাত মুঠ ৩১ বিধ খেল অন্তৰ্ভুক্ত কৰিছে অসম অলিম্পিক সন্থাই। আজি অনুষ্ঠিত এক সংবাদমেলত অসম যুৱ অলিম্পিকৰ পোষ্টাৰ আৰু টিজাৰ মুকলি কৰি এই বিষয়ে সদৰি কৰে অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে। উল্লেখ্য যে গুৱাহাটীৰ মুঠ ১০ টাকৈ ভেন্যুত অনুষ্ঠিত হ'ব এই অসম যুৱ অলিম্পিক। ইয়াৰ ভিতৰত আছে পল্টন বজাৰৰ ছাইকেন্দ্ৰ, দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়াম, সৰুসজাই এথলেটিকছ ষ্টেডিয়াম, এন এফ ৰেলৱেৰ মালিগাঁও ইনড'ৰ ষ্টেডিয়াম, মহম্মদ তৈয়বুল্লা হকী ষ্টেডিয়াম, সোণাপুৰৰ এল এন আই পি ই ক্ৰীড়া প্ৰকল্প, কাহিলীপাৰা শ্বুটিং ৰেঞ্জ, চচল টেনিছ কৰ্ট, ভোগেশ্বৰী ফুকননী ইনড'ৰ ষ্টেডিয়াম আৰু দীঘলী পুখুৰী। প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত জুবিন গাৰ্গৰ লগতে অন্য শিল্পীয়েও গীত পৰিবেশন কৰিব। ইতিমধ্যে অসম যুৱ অলিম্পিকক লৈ শুভেচ্ছা জনাইছে লাভলীনা বৰগোঁহাই, হিমা দাস, অম্লান বৰগোঁহাইৰ দৰে ৰাজ্যৰ তাৰকা খেলুৱৈসকলে। ইফালে, অহা ২৩ জুনত আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসত বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিছে অসম অলিম্পিক সন্থাই। কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহযোগত কলাগুৰু বিষ্ণুৰাভা প্ৰেক্ষাগৃহত বিশ্ববিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুষ্ঠিত হ'ব তৰ্ক প্ৰতিযোগিতা। আনহাতে, মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অংশগ্ৰহণৰে অনুষ্ঠিত হ'ব কুইজ প্ৰতিযোগিতা। সেইদিনাই অসম অলিম্পিক সন্থা আৰু অসম চৰকাৰে যুটীয়া ভাৱে আয়োজন কৰা অসম যুৱ অলিম্পিকৰ প্ৰথম কাৰ্যসূচীও আৰম্ভ হ'ব। প্ৰথম কাৰ্যসূচী হিচাপে অসম যুৱ অলিম্পিকৰ লগো, থীম চং আৰু টি ছাৰ্ট মুকলি কৰা হ'ব।



দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে তৃতীয় টি-২০ত জয়ৰ পিছত ভাৰতীয় খেলুৱৈ

# বিশ্বনাথত এজন যুৱকে ১৩৮ বাৰ ৰক্তদান কৰি দাঙি ধৰিছে মানৱতাৰ নিদৰ্শন

**দৈনন্দিন বাৰ্তাৰ সেৱা, পাভৈ, ১৪ জুন ঃ** আজি বিশ্ব ৰক্তদান দিৱস। আজিৰ এই বিশেষ দিনটোতে চৰ্চালৈ আহিছে এজন ব্যক্তি। আজি আমি চিনাকি কৰিবলৈ ওলাইছো বিশ্বনাথৰ এনে এজন ৰক্তদাতা, যিগৰাকীয়ে এক শতাধিকবাৰ ৰক্তদান কৰি বহু লোকৰ জীৱন ৰক্ষা কৰি আহিছে। আপোনালোকে শুনি আচৰিত হ'ব যে এগৰাকী সুস্থ লোকে কিমানবাৰ ৰক্ত দান কৰিব পাৰে। হয়, এইগৰাকী লোকে চেঞ্চুৰী অতিক্ৰম কৰিলে ৰক্তদান কৰি। মুছলিম সম্প্ৰদায়ৰ এই ব্যক্তিজনৰ নাম বিলাল শ্বেখ। এই বিলাল শ্বেখে আজি পৰ্যন্ত এশ আঠত্ৰিশগৰাকী বিভিন্ন ধৰ্মাৱলম্বী লোকক ৰক্তদান কৰি জীৱন দান কৰিছে। এই বিলাল শ্বেখে আজিও বিশ্ব ৰক্তদান দিৱস উপলক্ষে বিশ্বনাথ চাৰিআলি অসামৰিক চিকিৎসালয়ৰ ৰক্ত ভাণ্ডাৰত ৰক্তদান কৰি নিজৰ অভিজ্ঞাতৰ বিষয়েও জনালে সাংবাদিকৰ আগত। ৰক্তদান কৰোতে কোন কি সম্প্ৰদায়ৰ আজি পৰ্যন্ত বিলাল শ্বেখে নিৰ্বাচন কৰা নাই। মুঠতে বিশ্বনাথত কাৰোবাৰ যদি ৰক্তৰ প্ৰয়োজন হয়, প্ৰথম বিলাল শ্বেখৰে নাম সকলোৰে মনলৈ আহে। এই বিলাল শ্বেখে বৰ্তমান আনৰ গেলামালৰ দোকানত কৰ্মচাৰী হিচাপে থাকি নিজৰ পৰিয়াল পোহ-পাল দি আহিছে। অসমত হয়তো এনে খুব কম উদাহৰণ হ'ব, যি ব্যক্তিয়ে শতাধিক লোকক ৰক্তদানৰে জীৱন দান কৰা। তথাপি কিন্তু আজি পৰ্যন্ত এই বিলাল শ্বেখে কোনো চৰকাৰী অথবা প্ৰশাসনৰ পৰা স্বীকৃতি লাভ কৰিবলৈ সক্ষম হোৱা নাই। নীৰৱে কৰি অহা আনৰ জীৱন ৰক্ষা কৰা এই যুঁজত বিলাল শ্বেখৰ অৱদান কি ভুক্তভোগীয়ে ভালকৈয়ে জানে। জীৱিকা অৰ্জন প্ৰক্ৰিয়া অতি সাধাৰণ হ'লেও বিলাল শ্বেখ কৰ্মৰাজিৰে মহান। যি সময়ত দেশৰ বিভিন্ন স্থানত ধৰ্মক লৈ অসহিষ্ণু পৰিৱেশৰ সৃষ্টি হৈছে, হিন্দু-মুছলমানক লৈ একাংশ লোকে লেতেৰা ৰাজনীতি আৰম্ভ কৰিছে। সেই সময়তে বিশ্বনাথৰ এই বিলাল শ্বেখ তেনে ধৰ্মীয় অসহিষ্ণুতাৰ বিৰুদ্ধে ৰক্তদানৰ জৰিয়তে মানৱতাৰ নিদৰ্শন দাঙি ধৰিবলৈ সক্ষম হৈছে।







শংকৰ গোহাঞিৰ হৈ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যনৰ দ্বাৰা প্ৰকাশিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত সৌৰভ চুতীয়াৰ দ্বাৰা আৰু শইকীয়া প্ৰিণ্টাৰ্ছ, কালিবাৰী, দুলীয়াজান, ডিব্ৰুগড়-৭৮৬৬০২ত মুদ্ৰিত আৰু শইকীয়া কমপ্লেক্স, ফেন্সি বজাৰ, দুলীয়াজানৰ পৰা প্ৰকাশিত আৰু মুদ্ৰিত। ■ বাতৰি বিভাগ ঃ newsdbarta2010@gmail.com, ফেক্স ঃ ০৩৬১-২৬৬৯৯৯৬ ■ বিজ্ঞাপন বিভাগ ঃ e-mail:dbarta2014@gmail.com, ফোন ঃ ০৩৬১-২৬৬৪৪৫৬, +৯১৯৫০৮৬-৬৭৯০৮(ম) ■ চাৰ্কুলেচন বিভাগ ঃ ৯৪০১০-৩৩৮২৩ মুখ্য কাৰ্যালয় ঃ জি এন বি ৰোড, চানমাৰি ক'লনি, গুৱাহাটী-৭৮১০০৩। ধেমাজি কাৰ্যালয় ঃ টি জি ইণ্ডিয়া প্ৰিণ্ট এণ্ড পাব্লিকেশ্যন, চৌখামটিং, ৫২ ৰাষ্ট্ৰীয় ঘাইপথৰ (কাষত), ধেমাজি-৭৮৭১১০। e-mail:jdainandinbarta@gmail.com (যিকোনো আইনী বিষয় গুৱাহাটীৰ আদালততহে প্ৰযোজ্য হ'ব)

■ কাৰ্যবাহী সম্পাদক ঃ ডিম্পুল চুতীয়া
দূৰভাষ ঃ ৮৬৩৮০০১৫৩৯

■ মুখ্য সম্পাদক ঃ ড° নৰেন হাজৰিকা

■ আৱাসিক সম্পাদক ঃ কৰুণজ্যোতি শইকীয়া

■ সম্পাদক ঃ শংকৰ গোহাঞি